# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

SIXTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

## AUGUST SESSION

NO. 3

**THE 6th AUGUST, 2003**

PRICE : Rs. 52.50

# CONTENTS

## AUGUST SESSION

## NO. 3

***Dated, the 6TH AUGUST, 2003***


| | | ***Page*** |
|---|---|---|
| *1.* | *Point of Order* | *1* |
| *2.* | *Questions and Answers* | *1* |
| *3.* | *Zero Hour Matter* | *91* |
| *4.* | *No Confidence Motion* | *104* |
| *5.* | *Call Attention Notice* | *105* |
| *6.* | *Matter under Rule 301* | *110* |
| *7.* | *Laying of Statement and Introduction of Government Bill* | *114* |
| *8.* | *Government Resolution* | *121* |
| *9.* | *Presentation of Reports* | *123* |
| *10.* | *Matter under Rule 50* | *123* |
| *11.* | *Adjournment* | *141* |
| *12.* | *Annexure I-XII* | *142* |

# Debates of the Assam Legislative Assembly

**Wednesday, the 6th August, 2003.**

**The House met at 9.00 A.M. of the clock in the Assembly Chamber at Dispur with Shri Prithibi Majhi, speaker in the Chair.**

## POINT OF ORDER

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আছে। আপুনি তদন্ত কৰাৰ ব্যৱস্থা কৰিছে মই ভাল পাইছো। কিছুমান পুলিচে বৰ বেয়া ব্যৱহাৰ কৰিছে। আমাৰ বিৰোধী পক্ষৰ সদস্য সকলৰ লগতে আপোনাৰ বাইদেউকো বেয়া ব্যৱহাৰ কৰিছে। আপোনাৰ সভাপতিত্বত হোৱা মিটিঙত সিদ্ধান্ত হৈছিল। এতিয়া তেওঁলোকক ইয়াৰ পৰা পঠিয়াই দিলেই সমস্যাৰ সমাধান নহয়। তেওঁলোকৰ ওপৰত ডিপাৰ্টমেন্টেল প্ৰচিডিং কৰাৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, পুলিচৰ এনে ব্যৱহাৰৰ প্ৰতিবাদ মই আজি ক'লা কাপোৰ বান্ধি সদনত উপস্থিত থাকিম।

**Mr. Speaker :** I will look into it.

## STARRED

## QUESTIONS & ANSWERS

**(To which oral answers were given)**

**Mr. Speaker :** Now Starred Question No. 41, Hon'ble Member, Dr. Zoii Nath Sarma.

**বিষয় ঃ বান পানীত ক্ষতিগ্ৰস্ত লোকৰ সংখ্যা।**

**ডঃ জয় নাথ শৰ্মাই সুধিছে ঃ**

* ৪১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০২ আৰু ২০০৩ চনৰ বানপানীত কোন কোন জিলাত কিমান লোক ক্ষতিগ্ৰস্ত হৈছে?

(খ) বানপীড়িত লোক সকলক কোন কোন জিলাত কি কি সাহাৰ্য্য আৰু কিমান পৰিমানৰ সাহাৰ্য্য দিয়া হ'ল?

(গ) দৰং জিলাত কোন তাৰিখৰ পৰা বানত ক্ষতিগ্ৰস্ত সকলৰ মাজত বান সাহাৰ্য্য দিয়া হৈছে? ছিপাঝাৰ ৰাজহ চক্ৰৰ ক'ত কি সাহাৰ্য্য কোন তাৰিখৰ পৰা দিয়া হৈছে।

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০২ আৰু ২০০৩ চনৰ বানপানীত জিলা ভিত্তিত ক্ষতিগ্ৰস্ত হোৱা লোকৰ সংখ্যা তলত উল্লেখ কৰা হল।

| | জিলাৰ নাম | ২০০২ চন | ২০০৩ চন |
|---|---|---|---|
| ১) | ধেমাজি | ২,৬০,৫৬৪ | ৩,৫৫,২৩৫ |
| ২) | তিনিচুকীয়া | ২৪,২০৪ | ২৪,৬০১ |
| ৩) | ডিব্ৰুগড় | ৪৭,৬০০ | ৬৫,৫০০ |
| ৪) | শিৱসাগৰ | ৫২,৪৯৩ | ২,০০,৬৪৫ |
| ৫) | গোলাঘাট | ১,০৬,৮৬৩ | ৬২,১১৫ |
| ৬) | যোৰহাট | ১,৮২,২২২ | ২,৩১,০১০ |
| ৭) | নগাওঁ | ৩,৪৭,৬১৯ | ২,১২,৬৬৮ |
| ৮) | দৰং | ৩,৭৩,৩২৬ | ৭,৮১,৭৬৩ |
| ৯) | ধুবুৰী | ১১,১৩,১০৩ | ১২,৩০,৫০০ |
| ১০) | বঙাইগাও | ১,২৫,৯০০ | ১,৪১,০৪০ |
| ১১) | নলবাৰী | ২,৫২,১৬০ | ১,৫০,০০০ |
| ১২) | বৰপেটা | ২,৯৮,০৮৫ | ২,৬৮,৮১০ |
| ১৩) | কোকৰাঝাৰ | ১৩,০৯৭ | ২,১৮৭ |
| ১৪) | হাইলাকান্দী | ১,৬৩,০০০ | ১,৫০,২৫৫ |

| | | | |
|---|---|---|---|
| ১৫) | কৰিমগঞ্জ | ৬৩,৪৯৫ | ৪০,০০০ |
| ১৬) | কাছাৰ | ২,৮৭৭ | - |
| ১৭) | গোৱালপাৰা | ৪,২৫,৭২২ | ২,৮৫,০০০ |
| ১৮) | কামৰূপ (মেট্ৰো) | ৭,৬০,২৪৫ | ৬১,৪৮৯ |
| ১৯) | কামৰূপ (ৰুৰেল) | ,, | ১,৫১,২০৪ |
| ২০) | শোনিতপুৰ | ২,৩৪,৩২৩ | ৯৩,৯০৫ |
| ২১) | লখিমপুৰ | ৪,০৭,৫৭৮ | ৩,২১,৩৫০ |
| ২২) | মৰিগাওঁ | ৫,৮৬,৭২৪ | ৫,০৩,৭৩৭ |
| ২৩) | কাৰবি আংলং | ১৫,০০০ | ২,৭৫৩ |

(খ) বানপীড়িত লোক সকলক জিলা ভিত্তিত দিয়া সাহাৰ্য্যৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল ঃ

| | জিলা | চাউল (কুঃ) | দাইল (কুঃ) | নিমখ (কুঃ) |
|---|---|---|---|---|
| ১) | ধেমাজি | ৬,৯৩৩ | ৩৭ | ৪৩ |
| ২) | লখিমপুৰ | ২,৯১০ | ৩৮ | ৩১ |
| ৩) | ডিব্ৰুগড় | ৯৫৩ | ৪৪ | ৩৬ |
| ৪) | শিৱসাগৰ | ১,৩০৭ | - | ৭৯ |
| ৫) | যোৰহাট | ১,০৩৬ | - | - |
| ৬) | নগাওঁ | ৬২৭ | ৭৪ | ২২ |
| ৭) | ধুবুৰী | ১৬,৫১৭ | ১,৬২১ | ৬৬৬ |
| ৮) | গোৱালপাৰা | ৪,৮২৪ | - | ১৪৮ |
| ৯) | বৰপেটা | ৩,৫৪৮ | - | - |

| | | | |
|---|---|---|---|
| ১০) নলবাৰী | ৬৬০ | ৮৯ | ২৪ |
| ১১) শোনিতপুৰ | ১৬৩ | ৩১ | ৫ |
| ১২) তিনিচুকীয়া | ৪১৫ | ৭৮ | ১৬ |
| ১৩) কামৰূপ (মেট্ৰো) | ৮৩৬ | ১৪৫ | ১৪ |
| ১৪) কামৰূপ (ৰুৰেল) | ৬৯৪ | ৯৩ | ২২ |
| ১৫) দৰং | ৪,৭৫৩ | ৫৮৯ | ২৩৪ |
| ১৬) বঙাইগাওঁ | ২,২৩৬ | ৩৩৩ | ৬৪ |
| ১৭) কোকৰাঝাৰ | ২ | - | - |
| ১৮) গোলাঘাট | ৩৪২ | ৬৩ | - |
| ১৯) কৰিমগঞ্জ | ৩৪৫ | ৫২ | ১৩ |

(গ) দৰং জিলাত ৯/৭/০৩ তাৰিখৰ পৰা বানত ক্ষতিগ্ৰস্ত সকলৰ মাজত বান সাহাৰ্য্য দিয়া হৈছে। চিপাঝাৰ ৰাজহ চক্ৰত বিতৰন কৰা সাহাৰ্য্য সামগ্ৰীৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল ঃ

১) চাউল = ২,৩৬৬ কুইন্টল

২) দাইল = ২৪৬ „

৩) নিমখ = ১৩২ „

* **ডঃ জয়নাথ শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোকৰাঝাৰ ৰাজহ চক্ৰত সাহাৰ্য্য কোন তাৰিখৰ পৰা দিয়া হৈছে?

* **শ্ৰী মেথিয়াচ টুডু (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, কোকৰাঝাৰ ৰাজহ চক্ৰত সাহাৰ্য্য ৯/৭/২০০৩ তাৰিখৰ পৰা দিয়া হৈছে।

* **ডঃ জয়নাথ শৰ্মা ঃ** মানননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো বানপানী কেতিয়াৰ পৰা আৰম্ভ হৈছিল। কাৰণ মানুহ ২৮ জুন তাৰিখৰ পৰা আহি ৰাষ্টাত আছেহি। ৫/৬ দিনলৈকে সাহাৰ্য্য পোৱা নাই।

---

* Speech not corrected

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জিলা প্ৰশাসনৰ পৰা, উপায়ুক্ত সকলৰ পৰা পোৱা খবৰ মতে সাহাৰ্য্য বিতৰণ কৰা হৈছে।

* **ডঃ জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ ফলত মানুহে আহি মাঠাউৰিত কেম্প কৰি আছেহি, কেইবাদিনলৈও সাহাৰ্য্য দিয়া হোৱা নাই। কিয় সাহাৰ্য্য দিয়া হোৱা নাছিল, মন্ত্ৰী মহোদয়ে তদন্ত কৰা ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এইটো চোৱা হ'ব।

* **ডঃ জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি, কেন্দ্ৰীয়. চৰকাৰৰ পৰা চি,আৰ,এফৰ টকা কেতিয়া কিমান কিমান পাইছে।

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চি,আৰ,এফৰ টকা ২০০২-২০০৩ চনত ১১১ কোটি ৮৯ লাখ টকা আৰু ২০০৩-২০০৪ চনত ১১৮ কোটি ৪৯ লাখ টকা।

* **ডঃ জয়নাথ শৰ্মা** ঃ অধ্যক্ষ মহোদয়, এইবছৰ, এতিয়ালৈ কিমান টকা পাইছে?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, এইবছৰ ৪৫ কোটি টকা পোৱা হৈছে।

* **ডঃ জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতত বাতৰি ওলাই আছে যে কেন্দ্ৰীয় চৰকাৰে পইচা দিয়া নাই। ইয়াৰ বাবে চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰীয় চৰকাৰক কেইবাৰ 'মেমৰেনডাম দিয়া হৈছে।

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয় মেমৰেনডাম মুখ্যমন্ত্ৰীয়েহে দিয়ে।

* **ডঃ জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে, কি ক'লে মই বুজি নাপালো।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰীয়ে কৈছে মেমৰেনডাম মুখ্যমন্ত্ৰীয়ে দিছে বুলি।

* **ডঃ জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই সুধিছো, চৰকাৰৰ ফালৰ পৰা কেইখন মেমৰেনডাম দিয়া হৈছে। এই মন্ত্ৰী মহোদয়ে জানিব লগীয়া কথা অধ্যক্ষ মহোদয়, মই আৰু নোসোধো, বাদ দিলো।

* **শ্ৰী কৰেন্দ্ৰ বসুমতাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে, আমাৰ দৰং জিলাৰ ৰৌতা, লামাবাৰীত ৰৌতা নদীয়ে বান্ধ ভাঙি বিস্তৰ বানপানীৰ সৃষ্টি কৰিছে। ৰৌতা নদীয়ে তাৰ গতিয়েই সলাই

* Speech not corrected

পেলাইছে। এই ক্ষেত্রত ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে কিবা ব্যৱস্থা গ্রহণ কৰিব নেকি?

* **শ্রী মেথিয়াছ টুডু (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে এই বিষয়ত মোৰ লগত আলোচনা কৰিছিলে। এই বিষয়ত মই ব্যৱস্থা লম।

* **শ্রী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কৈছে যে বান সাহার্য্যত চাউল, দাইল, নিমখ আদি বিতৰণ কৰিছে। কিন্তু আমাৰ ধেমাজী জিলাত জিয়াধল নদীয়ে ১২ জুনৰ পৰা বানপানী তাণ্ডৱ সৃষ্টি কৰিছে ব্রহ্মপুত্রই মাঠাউৰি ভাঙিছে। মই সেই সময়ত ধেমাজীতে আছিলো। বানপানীৰ কৱলৰপৰা মানুহ উদ্ধাৰ কৰিবলৈ চৰকাৰৰ ফালৰ পৰা নাওঁ আৰু সাহার্য্য কেইবাদিনো দিয়া নাছিল। মই তাৰ পৰা মৃনাল বৰুৱা আৰু ভানুলৈ ফোন কৰিছিলো। তিনিদিন নাও নাই। মই ৰাজহ মন্ত্রীৰ পৰা জানিব বিছাৰিছো বান সাহার্য্যৰ পূজিৰ পৰা, কিছুমান মেচিন নাও বনোৱাৰ ব্যৱস্থা কৰিব নেকি।

* **শ্রী মেথিয়াছ টুডু (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পর্কে চৰকাৰৰ ফালৰ পৰা জিলা উপায়ুক্ত সকলক নির্দ্দেশ দিয়া আছে, বানপানীৰ সময়ত কি কি ব্যৱস্থা গ্রহণ কৰিব লাগে।

* **শ্রী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, ধেমাজিত মানুহে তিনিদিন সাহার্য্য পোৱা নাই, তেওঁলোকক উদ্ধাৰৰ বাবে তিনিদিন নাওঁ যোৱা নাই। গতিকে এই বান সাহার্য্য পূজিৰে কিছুমান মেচিন বনোৱাত অঁসুবিধা কি?

* **শ্রী মেথিয়াছ টুডু (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, এই বিষয়ত পৰীক্ষা কৰি আমি ব্যৱস্থা লম।

**Mr. Speaker :** Now Starred Question No. 42, Questioner Shri Pani Ram Rabha.

## বিষয় ঃ পুনৰ সংস্থাপন ব্যৱস্থা।

## শ্রী পানী ৰাম ৰাভাই সুধিছে ঃ

* ৪২। মাননীয় ৰাজহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পাগলাদিয়া নদীয়ে জুলাই মাহ ২০০৩ ইং চনত বাগানপাৰা ৰাজহ চক্রৰ

* Speech not corrected

কদমতোলা গাওঁৰ ১৬ ঘৰ মানুহৰ ঘৰ দুৱাৰ উটোৱাই নিয়াটো চৰকাৰৰ অৱগত নে? যদি অৱগত পুনঃ সংস্থাপনৰ ব্যৱস্থা লবনে?

(খ) বৰমা ৰাজহ চক্র আৰু টিহু ৰাজহ চক্র এলেকাৰ বালি, শিয়ালমাৰী, ভোজকুছি, হাবিভাঙ্গা, পামৈপাৰা, গবৰাদল, দহকাউনীয়া, জুলুকী, সুৰাদী, ষাঠীকুমী আদি গাওঁ জুন, জুলাই (২০০৩ ইং) মাহত মৰাপাগলদিয়া নদীয়ে ঘৰ দুৱাৰ, খেতি পথাৰ ক্ষতি কৰাটো চৰকাৰৰ অৱগত নে? যদি অৱগত কি ব্যৱস্থা লৈছে।

**শ্রী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত। বানপানীত ক্ষতিগ্রস্ত লোক সকলক চৰকাৰৰ তৰফৰ পৰা পাৰিতোষিক সাহার্য্য দিয়া হৈছে। উপায়ুক্তৰ পৰা পাবলগা প্রস্তাৱৰ ভিত্তিত সেই পৰিয়াল সমূহৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হব।

(খ) হয়, অৱগত। ক্ষতিগ্রস্ত পৰিয়াল সমূহক পুনৰ সংস্থাপনৰ কাৰণে জিলা প্রশাসনে যাৱতীয় ব্যৱস্থা লৈ আছে।

* **শ্রী মেথিয়াছ টুডু (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত দিয়া আছে।

* **শ্রী পানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাগলাদিয়া নদীয়ে জুলাই মাহত ২০০৩ চনত বাগানপাৰা ৰাজহ চক্রৰ কদমতোলা গাওঁৰ ১৬ ঘৰ মানুহৰ ঘৰ-দুৱাৰ উটোৱাই নিছে। আজিলৈকে সেই লোকসকলে কোনো চৰকাৰী সাহার্য্য পোৱা নাই। মাননীয় মন্ত্রী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে উপায়ুক্তৰ পৰা পাবলগীয়া ভিত্তিত সেই পৰিয়ালসমূহৰ পুনৰ সংস্থাপনৰ বাবে কি ব্যৱস্থা কৰিছে। তাত থকা এল,পি, স্কুলখনত মানুহবিলাকে আশ্রয় লৈ থকা বাবে স্কুলত পাঠদান কৰিব পৰা নাই। মানুহখিনিক তাৰ পৰা আঁতৰাই অতি সোনকালে পাঠদান কৰোৱাৰ ব্যৱস্থা কৰিবনে নকৰে বা কিমান দিনৰ ভিতৰত পাঠদান কৰা হব মাননীয় মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

* **শ্রী মেথিয়াচ টুডু (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বানপানীত ক্ষতিগ্রস্ত হোৱা লোক সকলক পুনৰ সংস্থাপনৰ বাবে চৰকাৰৰ তৰফৰ পৰা এচেচমেন্ট কৰিবলৈ দিয়া হৈছে। এচেচমেন্ট হোৱা পিচত পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হব।

---

* Speech not corrected

যিবিলাক অঞ্চলত শিক্ষানুষ্ঠান আছে সেইবিলাক অঞ্চলত অতি সোনকালে পাঠদানৰ ব্যৱস্থা কৰা হব।

* **শ্ৰী পানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোক সকলক চৰকাৰৰ তৰফৰ পৰা পাৰিতোষিক সাহাৰ্য্য দিয়া হৈছে। কিন্তু চাৰ, চৰকাৰে দিয়া ২ কেজি নিমখ ৩২ কেজি চাউল এতিয়াও কেম্পত পৰি আছে। ৩৫ কেজি চাউল, ১৮ কেজি দালিকে ২ মাহত খাই থাকিব নে? ৰাজহ বিভাগে যোগান ধৰা ৩৫ কেজি চাউল সেই লোক সকলৰ কাৰণে যথেষ্ট নহয়। আমিও কিছু চাউল সেই লোক সকলৰ কাৰণে যোগান ধৰি দিলে।

এইখিনিতে আৰু এষাৰ কথা কওঁ, ঘৰ-বাৰী নোহোৱা ক্ষতিগ্ৰস্ত লোক সকলক এমাহৰ ভিতৰত ঘৰ বান্ধি দিয়া ব্যৱস্থা গ্ৰহণ কৰিব নে?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক চৰকাৰৰ তৰফৰ পৰা পাৰিতোষিক সাহাৰ্য্য দিয়া হৈছে। খাদ্য সামগ্ৰী যোগান ধৰা সম্পৰ্কত আমি পৰীক্ষা কৰি চাম। পুনৰ সংস্থাপনৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা এচেচমেন্ট কৰি আমি ব্যৱস্থা লম।

* **শ্ৰী পানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বৰমা ৰাজহ চক্ৰ আৰু টিহু ৰাজহ চক্ৰ এলেকাৰ বালি, শিয়ালমাৰী, ভোজকুছি, হাবিভাঙ্গা, পামৈপাৰা, গবৰাদল, দহকডিনীয়, জুলুবা, সুবাদী, ঠীকুমী আদি গাওঁ জুন, জুলাই (২০০৩ ইং) মাহত মৰাপাগলা নদীয়ে গতি পথ সলাই মানুহৰ ঘৰ-দুৱাৰ, খেতি পথাৰ বিস্তৰ ক্ষতি কৰিলে। ঠাই অঞ্চলবিলাকত আজিলৈকে বানপানী সাহাৰ্য্য দিয়া হোৱা নাই। চাৰকোল অফিচাৰক কোৱাত তেখেতেও কোনো গুৰুত্ব দিয়া নাই। কি কাৰণত দিয়া নাই মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে আমি পৰীক্ষা কৰি চাইহে ব্যৱস্থা লব পাৰিম।

* **শ্ৰী পানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি মাননীয় মন্ত্ৰী মহোদয়ে নিৰ্দ্দেশ দিয়ে এতিয়াও পানীৰ তলত থকা ঘৰ-দুৱাৰবোৰ দেখিব। মই বিধায়ক হিচাবে বাৰে বাৰে কোৱা সত্বেও টিহু আৰু বৰমা চাৰকুল অফিচাৰজনে গুৰুত্ব

---
* Speech not corrected

নিদিলে। ঘৰবিলাক পানীৰ তলত থকা বাবে মানুহবিলাকে মঠাউৰি আৰু এল,পি স্কুলত আশ্ৰয় লবলগীয়া হৈছে। বামুনপাৰা চুবুৰীটোৰ এটা এংশ মোৰ সমষ্টিত পৰে আৰু আনটো সমষ্টি মাননীয় সদস্য পবীন্দ্ৰ ডেকাদেবৰ সমষ্টিত পৰে। ক্ষতিগ্ৰস্ত লোক সকলক সাহাৰ্য্য নিদিয়াৰ কাৰণ কি? সেই লোক সকলক সাহাৰ্য্য দিয়া ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী বিশ্বজিত দৈমাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ ৩৫১ টা পৰিয়ালৰ ঘৰ-দুৱাৰ বানপানীয়ে উটুৱাই লৈ গ'ল। মানুহখিনি এতিয়া আশ্ৰয় শিবিৰত আছে। তেওঁলোকৰ কাৰণে খাদ্য সামগ্ৰী যোগান ধৰিবলৈ জিলা উপায়ুক্তক কোৱাত এসপ্তাহৰ কাৰণেহে যোগান ধৰা হ'ব বুলি কলে। তাৰ পিচত নিদিয়ে। মাননীয় অধ্যক্ষ মহোদয় সেই মানুহখিনিক খাবলৈও নিদিয়ে আৰু তেওঁলোকৰ ঘৰ বাৰীও নাই, তেনেস্থলত সেইসকলৰ অৱস্থা কি হ'ব?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আশ্ৰয় শিবিৰত থকা লোক সকলক সাহাৰ্য্য দি আছে আৰু দি থাকিবও।

* **ডঃ জয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অৱ অৰ্ডাৰ, মাননীয় সদস্য শ্ৰী পানীৰাম ৰাভাই এটা গুৰুত্বপূৰ্ণ কথা কৈছে। ৰাইজৰ স্বাৰ্থৰ কাৰণে কিবা এটা কৰিবলৈ মাননীয় বিধায়ক গৰাকীয়ে অনুৰোধ কৰাত চাৰকুল অফিচাৰজনে তেখেতৰ কথাত গুৰুত্ব দিয়া নাই যেতিয়া এইটো "বীৰচ্ অৱ প্ৰিভিলেজ'ত পৰিব। আমি কোনোবা এজন অফিচাৰলৈ ফোন কৰিলে কোনোবা এজনে ফোনটো ধৰি কয় চাৰ; বাথৰুমত আছে। বাৰে বাৰে বাথ ৰুমত কথাকে উল্লেখ কৰে। তেওঁ ইমানকৈ বাথৰুমলৈ যায় নে? তাকে নকৈ গোঁসাই ঘৰত প্ৰৰ্থনা কৰি আছে বুলি কলেও হয়।

**Mr. Speaker :** Now, Starred Question No. 43, Questioner, Shri Hemanta Talukdar.

## বিষয় ঃ মাটিৰ পট্টা।

## শ্ৰী হেমন্ত তালুকদাৰে সুধিছে ঃ

* ৪৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৫৪ নং পশ্চিম গুৱাহাটী সমষ্টিৰ অন্তৰ্গত চহৰ আৰু গাওঁ অঞ্চলত চৰকাৰী

* Speech not corrected

মাটিত বহু বছৰ ধৰি বাস কৰি থকা ব্যক্তি সকলক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে?

(খ) যদি কৰে কেতিয়াৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিব?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৮৯ চনৰ ভূমিনীতি মতে চহৰ আৰু গাওঁ অঞ্চলত চৰকাৰী মাটি আৱন্টন/পট্টন দিয়াৰ ব্যৱস্থা আছে আৰু এই মতে সময়ে সময়ে আৱন্টন/পট্টন দি থকা হৈছে।

(খ) উক্ত নীতি মতে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

* **শ্ৰী হেমন্ত তালুকদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেও বিধান সভাত এই বিষয়টো উত্থাপন কৰিছিলো আৰু আজিও দুখেৰে কবলগীয়া হৈছে। ৫৪নং পশ্চিম গুৱাহাটীত যিমানখিনি মাটি আছে তাৰে ৫০ শতাংশ চৰকাৰী মাটি। চৰকাৰে কৈছে যে এই মাটিবিলাকত উন্নয়নৰ কাম কৰিবলৈ টকা নাই। অমুকত টকা নাই তমুকত টকা নাই। চৰকাৰী মাটি দখল কৰি থকা মানুহবিলাকৰ পটা দিয়ে তেতিয়াহলে চৰকাৰে বহুত ৰেভিনিউ পাব। যিবিলাক কাম-কাজ কৰিবলৈ বাকী আছে সেইবিলাক কৰিব পাৰিব। পট্টাৰ কাম কৰিবলৈ কাম-কাজ কৰিবলৈ বাকী আছে সেইবিলাক কৰিব পাৰিব। পট্টাৰ কাম কৰিবলৈ যাওতে ডি,চি, অফিচৰ মেৰপাক, এ,ডি,চি, অফিচৰ মেৰপাক আৰু চেটেলমেন্ট অফিচৰ বহুত মেৰপাক থাকে। কিছুমানে ৩০-৪০ বছৰ ধৰি চৰকাৰী মাটিত বসবাস কৰি আছে। মই জানো মাননীয় মন্ত্ৰী মহোদয় সাধা মানুহ। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো চৰকাৰী মাটিত বহুত বছৰ ধৰি বসবাস কৰি থকা লোকসকলক পট্টা দিয়া ব্যৱস্থা কৰে যেন।

অধ্যক্ষ মহোদয়, মই গুৱাহাটীৰ শান্তিপুৰ এলেকাৰ আন এটা কথা কব খুজিছো। তাত আমাৰ চি,কে, দাসৰো ঘৰ আছে। তাত আজি ৪০-৪৫ বছৰ ধৰি কেইবা ঘৰো বঙালি মানুহ বসবাস কৰি আছে। তেওঁলোকৰ মাটিখিনি ম্যাদি কিম্বা পট্টন দিয়া নহল। এতিয়া মণ্ডল আৰু এচ,ডি,চিয়ে ব্যক্তিগত স্বাৰ্থত অন্য কিছুমান মানুহৰ নামত মাটিৰ পট্টন দিছে আৰু তাত এখন আই,টি,আই,

* Speech not corrected

স্থাপন কৰিছে। ইমান দিনে তাত বহি থকা মানুহ খিনিক এভিকচন অৰ্ডাৰ দিছে। গতিকে আগৰ পৰা বসবাস কৰি থকা মানুহ খিনিক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীত মাটি পট্টন দিয়া সম্পৰ্কত বহুতো সময়ত দাবী উত্থাপন হৈ আহিছে যদিও কিছুমান ঠাইত ৰাইজৰ স্বাৰ্থত ভবিষ্যতে মাটিৰ প্ৰয়োজন হব পাৰে বুলি পট্টন নিদিয়াকৈ ৰখা হৈছে। তথাপিও বিশেষ প্ৰয়োজন সাপেক্ষে পৰীক্ষা নিৰীক্ষা কৰি কিছুমান ঠাইত পট্টা দিয়াৰো ব্যৱস্থা কৰা হব।

* **শ্ৰী জগদীশ ভূএগ ঃ** অধ্যক্ষ মহোদয়, মই ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছো যে উত্তৰ গুৱাহাটীৰ এটা অঞ্চলত কিছুমান ভূমিহীন লোক আজি বহু বছৰ ধৰি বসবাস কৰি থকা মাটি তেওঁলোকক পট্টা নিদি কোনো এজনৰ পৰা বিঘাত ১৫ হাজাৰকৈ প্ৰিমিয়াম লৈ তেওঁক পট্টন দিয়া হৈছে। আজি কেইবছৰ মান আগতে সেই অঞ্চলতে এ,আই,ডি,চি, কো মাটি দিয়া হৈছিল আৰু সেই মাটি বিঘাত ৫০ হাজাৰকৈ দিয়া হৈছিল। এই বিষয়টো যোৱা ২০ তাৰিখৰ 'প্ৰতিদিন' কাকততো প্ৰকাশ পাইছে। গতিকে এই মাটিখিনি থলুৱা ভূমিহীন লোকক পট্টন নিদি কোনো এজন ব্যক্তিক ইমান কম দামত কিয় দিয়া হ'ল সেই বিষয়ে জনাব নে?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** এই বিষয়টোৰ বাবে মোক বেলেগে এটা প্ৰশ্ন দিলেহে উত্তৰ দিব পৰা হব।

* **শ্ৰী জগদীশ ভূএগ ঃ** এইটো গুৱাহাটীৰ একেবাৰে ওচৰৰ আৰু এটি গুৰুত্বপূৰ্ণ বিষয়। এই সম্পৰ্কত আমি অলপ জানিব পাৰিলে ভাল আছিল।

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** এইটো পিচত জনাব পাৰিম।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ ভূমি নীতি সম্পৰ্কে বহুতো কথা কবলগীয়া আছে। আজি চৰকাৰৰ ফালৰ পৰা বহুতো ঠাইত মাটি ম্যাদিকৰণ ব্যৱস্থা কৰা হোৱা নাই। বহুতো অঞ্চলত স্থায়ী ভাবে বসবাস কৰি থকা লোক সকলৰ নামত মাটি পট্টন দিয়া কিম্বা ম্যাদি কৰা কাৰণে ৰাজহ বিভাগৰ বিষয়া সকলে গুৰুত্ব নিদিয়ে। নগাওঁৰ মিলন পুৰত ৩২টা পৰিয়াল

* Speech not corrected

আজি বহু বছৰ ধৰি বসবাস কৰি আছে আৰু তেওঁলোকে যোৱা ১২ বছৰ ধৰি সেই মাটি ম্যাদি কৰণৰ আবেদন জনাই আহিছে। কিন্তু ৰাজহ বিভাগে কোনো ব্যৱস্থা হাতত লোৱা দেখা নাই। যিহেতু এই লোক সকল আজি ৪০/৪৫ বছৰ ধৰি তাত বসবাস কৰি আছে গতিকে সেই মাটি ম্যাদি কৰাৰ কিবা ব্যৱস্থা লব নেকি? নাইবা ৰাজহ আদালতৰ জৰিয়তে এই মাটি ম্যাদি কৰণৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, যি সকল লোক ১৫ বছৰতকৈ বেছি দিন একেৰাহে বসবাস কৰি আছে তেওঁলোকৰ মাটি পট্টন দিয়াৰ ব্যৱস্থা আছে যদিও সম্প্ৰতি মাটি পট্টন দিয়াতো বন্ধ ৰখা হৈছে গতিকে ইয়াৰ পিচত আমি এনে ধৰণৰ কেচবোৰ চাম।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** যি সকল লোক ইতিমধ্যে আজি বহু বছৰ ধৰি বসবাস কৰি আছে তেওঁলোকক ১৯৮৯ চনৰ ভূমি নীতি অনুসৰি পট্টন দিয়া আৰু ম্যাদি কৰণ ব্যৱস্থা কৰিলে আমাৰ ৰাজ্য খনৰো ৰাজহ বৃদ্ধি পাব। সেই ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নে?

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, ধেমাজী জিলাতো ৫০ হাজাৰ মানুহৰ মাটিৰ পট্টন বিতৰণ কৰা হৈছিল। গতিকে অন্যান্য ঠাইতো যিসকল লোক আজি বহু বছৰ ধৰি বসবাস কৰি আছে তেওঁলোকক পট্টা দিয়াৰ ব্যৱস্থা কৰক।

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** যি সকল মানুহে পট্টা পাইছে বা যি সকল আজি বহু বছৰৰ পৰা বসবাস কৰি আছে সেই সকলৰ মাটি ম্যাদি কৰাৰ ব্যৱস্থা যিমান পাৰি সোনকালে কৰা হব।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, পট্টা দিয়া আৰু ম্যাদি কৰা ব্যৱস্থাটো বৰ্ত্তমানে খোলা আছে নে নাই? যদি খোলা আছে তেনেহলে মন্ত্ৰী মহোদয়ে গুৱাহাটীৰ ওচৰৰে এটা অঞ্চলত আজি বহু বছৰৰ পৰা বহি থকা ভূমিহীন লোক সকলক কিয় পট্টা দিয়াৰ ব্যৱস্থা নকৰিলে। তাত ১০০টা পৰিয়ালক উচ্ছেদ কৰি পিঠানি নামৰ এজন ব্যক্তিক সেই মাটি দিয়াৰ ব্যৱস্থা কৰিলে কিয়?

---

* Speech not corrected

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** মাটি পট্টন দিয়াতো খোলা আছে। কিন্তু বাকী খিনি কথাৰ কাৰণে মোক বেলেগে এটা প্ৰশ্ন দিলে কব পৰা হব।

* **শ্ৰী জগদীশ ভূঞা ঃ** পিথানিক ১৫ হাজৰ টকাকৈ ইমান মাটি দিয়া হ'ল কিয় মন্ত্ৰী মহোদয়ে আমাক জনাব লাগিছিল।

* **ডঃ জয়নাথ শৰ্মা ঃ** পিথানিক যি পৰিমানৰ মাটি এলটমেন্ট দিয়া হৈছিল তাত বহুতো দুখীয়া পৰিয়ালক উচ্ছেদ কৰি দিয়া হৈছিল আৰু সেই মাটি চাৰি ভাগৰ এভাগ দামত দিয়া হৈছে। দ্বিতীয় কথাটো হৈছে গুৱাহাটী বা ইয়াৰ ওচৰে পাজৰে থকা মাটি মুখ্যমন্ত্ৰীৰ এপ্ৰভেল নোহোৱাকৈ ৰাজহ বিভাগে এলটমেন্ট দিব নোৱাৰে। এই কথাটো হয় নে নহয়?

* **শ্ৰী অজিত সিং ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী কলিতাদেৱে গুৱাহাটী শান্তিপুৰ আদি ঠাইৰ মাটি পট্টা দিয়া সম্পৰ্কে যিটো বিষয় সদনত উত্থাপন কৰিছে তেনে ঘটনা অসমত আৰু বহুতো আছে। গতিকে সমগ্ৰ অসমতে যি সকল লোক বহু বছৰ ধৰি বসবাস কৰি আছে তেওঁলোকক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব নে?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** সেইটো চোৱা হ'ব।

**Mr. Speaker :** Now, Started Question No. 44, Hon'ble Member, Shri Rameswar Teli.

## বিষয় ঃ গেছ ক্ৰেকাৰ স্থাপনৰ নামত উচ্ছেদ।

**শ্ৰী ৰামেশ্বৰ তেলীয়ে সুধিছে ঃ**

* ৪৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দুলিয়াজান সমষ্টিৰ অন্তৰ্গত উল্টন গ্ৰেনটেত গেছ ক্ৰেকাৰ স্থাপন কৰাৰ নামত কিমানটা পৰিয়ালক উচ্ছেদ কৰা হৈছিল?

(খ) সেই উচ্ছেদিত পৰিয়াল সমূহক চৰকাৰী সাহাৰ্য্য আৰু পূৰ্ণসংস্থাপনৰ ব্যৱস্থা আগবঢ়োৱা হৈছিল নে? যদি হৈছিল ইয়াৰ বাবে ৰাজ্য চৰকাৰে কিমান টকা ব্যয় কৰিছিল?

---

* Speech not corrected

(গ) বৰ্তমান উল্টন গ্ৰান্টৰ উচ্ছেদিত অঞ্চলৰ ভূমিসমূহ কেনে অৱস্থাত আছে? এই অঞ্চলৰ মুঠ মাটিকালিৰ পৰিমান কিমান?

(ঘ) এই পতিত ভূমি সমূহত চৰকাৰে ভূমিহীন লোকক পুনৰ আৱন্টন দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদি নাই কৰা, এই ভূমি সমূহ চৰকাৰে কেনে ধৰণৰ কামৰ বাবে সংৰক্ষিত কৰি ৰাখিছে?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গেছ ক্ৰেকাৰ প্ৰকল্পৰ বাবে উল্টন গ্ৰান্টত মুঠ ৭৩ টা পৰিয়ালক বিতৰণ কৰা হৈছিল।

(খ) ৩১ টা পৰিয়ালক টেঙাখাট মৌজাৰ দেওবিলত আৰু ৪২টা পৰিয়াল চাবুৱা ৰাজহ চক্ৰত "নুন্যতম চাহিদা আঁচনি" (MNP)ৰ অধিনত ১৯৯৪-৯৫ চনত সংস্থাপনৰ ব্যৱস্থা লোৱা হৈছিল যদিও গেছ ক্ৰেকাৰ প্ৰকল্পৰ স্থান পৰিবৰ্ত্তন হোৱাত উচ্ছেদিত পৰিয়াল সমূহ উল্টন গ্ৰন্টৰ চৰকাৰী মাটিলৈ পুনৰ উভতি আহি বাস কৰি আছে। এই গোটেই বিষয়টোৰ ওপৰত ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ পৰা তথ্য বিচৰা হৈছে।

(গ) উল্টন গ্ৰান্টত থকা মাটিৰ ভিতৰত ৫৩১ বিঃ ১ কঃ ১৬ লোচা আসম উদ্যোগিক বিকাশ নিগম, অসম পুলিচ বেটেলিয়ান, তেল উৎপাদন কেন্দ্ৰ আৰু এখন অমঞ্জুৰীপ্ৰাপ্ত বিদ্যালয়লৈ আৱন্টন দিয়া হৈছে। উক্ত গ্ৰেন্টৰ কিছু মাটিত উপৰোক্ত ৭৩টা পৰিয়ালে দখল লোৱা বুলি জনা যায়। এই পুনৰ দখলদাৰী সকলক সেই স্থানৰ পৰা উচ্ছেদ কৰাৰ যাৱতীয় ব্যৱস্থা জিলা প্ৰশাসনে গ্ৰহণ কৰিছে। এই গ্ৰেন্টৰ মুঠ মাটি কালি ১০৪১ বিঘা ৪ কঠা ১০ লোচা।

(ঘ) ওপৰত উল্লেখ কৰা মতে আৱন্টন দিয়া হৈছে।

* **শ্ৰীৰামেশ্বৰ তেলী ঃ** অধ্যক্ষ মহোদয়, আমাৰ দুলিয়াজান সমষ্টিত গেছ ক্ৰেকাৰ প্ৰকল্প হব বুলি তেতিয়াৰ প্ৰধান মন্ত্ৰী পি,ভি,নৰসিংহ ৰাওয়ে আধাৰশিলা স্থাপন কৰিছিল। উক্ত প্ৰকল্পটো স্থাপনৰ বাবে সেই থাইত বাস কৰা ৭৩ টা চাহ জনগোষ্ঠীক সেই থাইৰ পৰা উচ্ছেদ কৰা হৈছিল। সেই উচ্ছেদ কৰা পৰিয়াল

* Speech not corrected

কেইটাক এনেকুৱা থাইত সংস্থাপন কৰা হৈছিল যে তাত যোৱাৰ বাবে ৰাস্তা ঘাট একো নাছিল আৰু একাঠু পৰ্য্যন্ত পানী আছিল। কিন্তু এতিয়া অসমৰ সকলো মানুহে জানে যে উক্ত ঠাইত গেছ ক্ৰেকাৰ প্ৰকল্পটো নহৈ এতিয়া ডিব্ৰুগড়তহে হব। যিসকল পৰিয়ালক সেই থাইৰ পৰা উচ্ছেদ কৰা হৈছিল এতিয়া সেই পৰিয়াল সকলে তাত গেছ ক্ৰেকাৰ প্ৰকল্প নোহোৱা বুলি গম পাই পুনৰ সেই ঠাইলৈ ঘূৰি আহিছে। গতিকে অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে যিসকল লোকে এতিয়া ঘূৰি আহিছে সেই সকলক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব নেকি? ইয়াৰোপৰি যিসকল পৰিয়ালক উচ্ছেদ কৰা হৈছিল সেই পৰিয়াল সকলক কেনে ধৰণৰ সা-সুবিধা আগবঢ়োৱা হৈছিল উচ্ছেদিত পৰিয়াল সমূহক সাহাৰ্য্য আৰু পুনৰসংস্থাপনৰ বাবে ৰিলায়েন্সে ৰাজ্য চৰকাৰক কিমান টকা দিছিল আৰু সেই টকা কেনে ধৰণে ব্যয় কৰা হৈছিল আদি বিতং তথ্য মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

* **শ্ৰী মিথিয়াছ টুডু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আগতে উক্ত ঠাইত গেছ প্ৰকল্প হোৱাৰ কথা আছিল কাৰণে সেই ঠাইৰ পৰা কিছুমান পৰিয়াল উচ্ছেদ কৰি অন্য ঠাইত পুনৰ সংস্থাপন কৰা হৈছিল।

* **শ্ৰী ৰামেশ্বৰ তেলী ঃ** অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ বাবে ৰিলায়েন্স কোম্পানীয়ে ৰাজ্য চৰকাৰক কিমান টকা দিছিল। সেই টকা কেনেদৰে ব্যয় কৰা হৈছিল? মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা বিতং তথ্য পালে সুখী হম।

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বৰ্ত্তমান সেই তথ্য মোৰ হাতত নাই। তথ্য পালে জনোৱা হব।

* **শ্ৰী ৰামেশ্বৰ তেলী ঃ** অধ্যক্ষ মহোদয়, যি সকল পৰিয়াল উচ্ছেদ কৰা হৈছিল সেই সকলক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে সেই পৰিয়াল সমূহক পুনৰ সংস্থাপনৰ দিহা কৰা হৈছে।

* **শ্ৰী ৰামেশ্বৰ তেলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে সেই পৰিয়াল সমূহক পুনৰ সংস্থাপন দিয়া বুলি কৈছে। কিন্তু আমি জানো যে সেই

---

* Speech not corrected

পৰিয়াল সমূহক পুনৰ সংস্থাপনৰ নামত কেৱল ১/২ কঠা মাটিহে দিয়া হৈছে আৰু যি ঠাইত দিয়া হৈছে সেই ঠাইলৈ যাবলৈ ৰাস্তা-ঘাট নাই, তাৰোপৰি তাত সদায় একাঠুমান পানী থাকেই। সেই কাৰণে মই আজি মাননীয় মন্ত্ৰী মহোদয়ক হাত যোৰ কৰি অনুৰোধ জনাও যে সেই পৰিয়াল সমূহক অতি সোনকালে সেই ঠাইতে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰে যেন।

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উচ্ছেদ কৰা পৰিয়াল ইতিমধ্যে সংস্থাপনৰ দিহা কৰা হৈছে। লগতে টকা আদিও দিয়া হৈছিল। কিন্তু এতিয়া আকৌ সেই পৰিয়াল সমূহ ঘূৰি আহিছে।

* **শ্ৰী কৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা চিৰিয়াচ বিষয় মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো। আজি কিছু বছৰ আগতে উত্তৰ গুৱাহাটীত আই.আই.টি স্থাপনৰ নামত তাত বসবাস কৰা কেবাটাও বড়ো জনগোষ্ঠীৰ পৰিয়ালক উচ্ছেদ কৰা হৈছিল। তেতিয়া তেঁলোকক কি সাহাৰ্য্য দিয়া হৈছিল বা কেনেদৰে পুনৰ সংস্থাপন কৰা হৈছিল আমি একো গম পোৱা নাই। যোৱা বিধান সভাতো এই বিষয়ে মই এটা প্ৰশ্ন কৰিছিলো যে তেওঁলোকৰ বাবে কি পদক্ষেপ লোৱা হৈছে। আজি কিছুদিন আগতে আপুনি নিজে গৈ মাটি বিতৰণ কৰি আহিছে, কিন্তু মোক একো জনোৱা নাই।

**অধ্যক্ষ মহোদয় ঃ** এই প্ৰশ্নটো মূল প্ৰশ্নৰ লগত মিল নাই।

* **শ্ৰী শৰৎ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুলিয়াজান সমষ্টিত গেছ ক্ৰেকাৰ স্থাপনৰ বাবে যি কেইটা পৰিয়ালক উচ্ছেদ কৰা হৈছিল সেই আটাই কেইটা পৰিয়াল আছিল চাহ জনগোষ্ঠীৰ পৰিয়াল আৰু অতি দুখীয়া পৰিয়াল। যিহেতু তাত এতিয়া গেছ প্ৰকল্প নহয় সেয়েহে উক্ত ঠাইতে উচ্ছেদিত পৰিয়াল সমূহক পুনৰ সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে। গম পোৱা মতে এতিয়া যি সকল পৰিয়ালে পুনৰ ঘূৰি আহিছে সেই সকলক সেই স্থানৰ পৰা উচ্ছেদ কৰাৰ বাবে জিলা প্ৰশাসনে যাবতীয়া ব্যৱস্থা গ্ৰহণ কৰিছে। সেয়েহে আমি মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে ইতিমধ্যে উক্ত স্থাপৰ পৰা উচ্ছেদ কৰা দুখীয়া চাহ জনগোষ্ঠী পৰিয়াল কেইটাক পুনৰ আগৰ স্থানতে পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে।

---

* Speech not corrected

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ইতিমধ্যে সেই পৰিয়াল কেইটাই উক্ত স্থানত বেদখল কৰি আছিল। তথাপিও তেওঁলোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে।

**অধ্যক্ষ মহোদয় ঃ** আপুনি গোটেই বিষয়টো পৰীক্ষা কৰি ব্যৱস্থা লব।

**Mr. Speaker :** Now, Starred Question No. 45, Hon'ble Member, Dr. Idris Ali.

## বিষয় ঃ গড়াখহনীয়াত বিধস্ত হৈ সংস্থাপিত লোকৰ বাবে সাহাৰ্য্য।

**ডঃ ইদ্ৰিছ আলীয়ে সুধিছে ঃ**

* ৪৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

Revenue village সমূহৰ ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়াত আক্ৰান্ত লোক সকল কোনো নতুন চৰত থিতাপি ললে তেওঁলোকক বানপানীৰ সময়ত চৰকাৰী সাহাৰ্য্য দিয়াৰ ক্ষেত্ৰত কিবা বিভাগীয় বাধা আৰোপ আছে নেকি? বিতং তথ্য জনাব।

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

নাই। বানত আক্ৰান্ত সকলো লোকেই জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় চৰকাৰী সাহাৰ্য্য পোৱাৰ বাবে উপযুক্ত।

* **ডঃ ইদ্ৰিছ আলী ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল, ৰেভিনিউ ভিলেজ সমূহৰ ব্ৰহ্মপুত্ৰ গড়াখহনীয়াত আক্ৰান্ত লোক সকল কোনো নতুন চৰত থিতাপি ললে তেওঁলোকক বানপানীৰ সময়ত চৰকাৰী সাহাৰ্য্য দিয়াৰ ক্ষেত্ৰত কিবা বিভাগীয় বাধা আৰোপ আছে নেকি? কিন্তু আমি দেখিছো যে যিমান মানুহে সাহাৰ্য্য পাব লাগিছিল সিমান মানুহে সাহাৰ্য্য পোৱা নাই। ইয়াৰ বাবে জিলা প্ৰশাসনক কিবা নিৰ্দ্দেশ দিয়া হৈছিল নেকি? এটা কথা আমি দেখিছো যে বানপানী হোৱাৰ পিছত কিছুমান চৰকাৰী বিষয়াই যিসকল মানুহে চৰ চাপৰিত বাস কৰে সেইবিলাকৰ চাৰ্ভে নকৰে। মোৰ সমষ্টিতে প্ৰায় ৪০ হাজাৰ মানুহে বিভিন্ন চৰ চাপৰিত বাস কৰে। কিন্তু তেওঁলোকে সেইবোৰ ৰেভিনিউ ভিলেজ

* Speech not corrected

নহয় বুলি সেইবোৰ চাৰ্জে নকৰে। যাৰ বাবে এই লোক সকলে বানপানীত ক্ষতিগ্ৰস্ত হৈও বান সাহাৰ্য্য পোৱা নাই। মোৰ সমষ্টিত শোলমাৰি নামে চৰ আছে। এইবাৰ বানপানীৰ সময়ত এই চৰত বাস কৰা মানুহ বিলাকৰ ঘৰ-বাৰী পানীয়ে উটুৱাই দিয়াৰ বাবে এতিয়াও মঠাউৰিতে আছে। তেওঁলোকক কিছুদিনৰ বাবে সাহাৰ্য্য দিয়া হৈছিল যদিও এতিয়া সাহাৰ্য্য দিয়া বন্ধ কৰি দিছে। গতিকে এই লোক সকলৰ পুনৰ সংস্থাপন নোহোৱালৈকে বান সাহাৰ্য্য দিয়াৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ইয়াৰোপৰি অন্য এটা চৰতো সেই একেই অৱস্থা হৈছে। গতিকে এই বিষয়ে বিহীত ব্যৱস্থা লোৱাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইটো ঠিক যে বানত আক্ৰান্ত সকলো লোকেই জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় চৰকাৰী সাহাৰ্য্য পোৱাৰ বাবে উপযুক্ত। বানপানীত ক্ষতিগ্ৰস্ত লোক সকলক উপযুক্ত সাহাৰ্য্য প্ৰদান কৰাৰ বাবে উপায়ুক্ত সকলক নিৰ্দ্দেশ দিয়া হৈছে।

* **ডঃ ইদ্ৰিছ আলী ঃ** অধ্যক্ষ মহোদয়, যিসকল লোক বানপানীৰ কবলত পৰি ঘৰ-বাৰী উটুৱাই লৈ গৈছে সেই সকলৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লব নেকি?

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইটো পৰীক্ষা কৰি ব্যৱস্থা লোৱা হব।

* **শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কাছাৰ জিলাত যি বানপানী হৈছিল সেই বানপানীত ক্ষতিগ্ৰস্ত লোক সকলক আগতে সাহাৰ্য্য দিয়া হৈছিল যদিও এতিয়া জুন জুলাইৰ পৰা তাৰ প্ৰশাসনে এতিয়া সাহাৰ্য্য বন্ধ কৰি দিছে। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যিমান দিনলৈকে এই মানুহখিনিয়ে নিজ নিজ ঘৰলৈ ঘূৰি যাব নোৱাৰে সিমান দিনলৈকে এই লোক সকলক বান সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰিবলৈ মই অনুৰোধ জনালো।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো ৰিলিফ মেনুৱেল আছে সেইটো সংশোধনী কৰিব লাগিব। কিয়নো ৰিলিফ মেনুৱেল

* Speech not corrected

মতে পানী শুকুৱাই যোৱাৰ পিছত বান সাহাৰ্য্য দিয়াৰ ব্যৱস্থা নাই। গতিকে এই ৰিলিফ মেনুৱেল খন সংশোধন কৰাৰ ব্যৱস্থা কৰিব লাগে। এই খন যদি সংশোধন কৰা নহয় তেন্তে বানপানী শুকুৱাই যোৱাৰ পিছত উপাযুক্ত সকলে বান সাহাৰ্য্য নিদিয়ে।

* **শ্ৰী মেথিয়াছ টুডু (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মেনুৱেল সংশোধনী সম্পৰ্কে আমি বিবেচনা কৰিম।

* **শ্ৰী আলী আকবৰ মিঞা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰী জিলাত যি পৰিমানে সাহাৰ্য্য দিয়া দেখুওৱা হৈছে সেই মতে দিয়া হোৱা নাই।

**অধ্যক্ষ মহোদয় ঃ** আপুনি প্ৰশ্নটো পঢ়ি চাইছেনে নাই? যদি আপোনাৰ কিবা কব লগা আছে তেন্তে আপুনি মন্ত্ৰী মহোদয়ৰ লগত পিছত আলোচনা কৰি লব।

**Mr. Speaker :** Now, Starred Question No. 46, Hon'ble Member, Shri Girindra Kr. Barua.

## বিষয় ঃ সাহাৰ্য্য পোৱা টকাৰ পৰিমাণ।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ৪৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিশ্ব বেংকৰ আঁচনিৰ অধীনত মীন বিভাগে ৩০ জুন ২০০৩ তাৰিখ পৰ্য্যন্ত সৰ্বমুঠ কিমান টকা সাহাৰ্য্য হিচাবে লাভ কৰে।

(খ) উক্ত সাহাৰ্য্যৰ সম্পূৰ্ণ টকা বিভাগে ব্যয় কৰিবলৈ সক্ষম হ'ল নে?

(গ) যদিহে সম্পূৰ্ণ টকা ব্যয় কৰিবলৈ সক্ষম নহল, কিমান টকা ব্যয় নহল?

(ঘ) ব্যয় কৰিব নোৱাৰাৰ কাৰণ সমূহ কি কি?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ?**

(ক) চলিত বছৰৰ ৩০ জুন তাৰিখ পৰ্য্যন্ত বিশ্ব বেংকৰ আঁচনিৰ অধীনত চৰকাৰে মীন বিভাগৰ সৰ্বমুঠ ২৩৮২.৭৬ লাখ টকা মোকলাই দিছে।

(খ) উক্ত সাহাৰ্য্যৰ সম্পূৰ্ণ টকা বিভাগে ব্যয় কৰিবলৈ এতিয়াও বাকী আছে।

---

* Speech not corrected

(গ) মীন বিভাগে চলিত বছৰৰ ৩০ জুন তাৰিখ পৰ্য্যন্ত মুঠ ১৯৪৬.৮০ লাখ টকা ব্যয় কৰিবলৈ সক্ষম হৈছে আৰু ৪৩৫.৯৬ লাখ টকা ব্যয় কৰিবলৈ বাকী আছে।

(ঘ) মীন বিভাগে দাখিল কৰা কিছুমান আঁচনিৰ কাৰিকৰী মঞ্জুৰী নোপোৱাৰ বাবে আৰু ফলত প্ৰাপ্য টকা বিশ্ব বেংকৰ আঁচনি ৰূপায়ন কোষে আহৰাই নিদিয়া বাবে সম্পূৰ্ণ টকা ব্যয় কৰিব পৰা হোৱা নাই।

* **শ্ৰী ভৰতচন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰতো সদনৰ মজিয়াত দাখিল কৰা হৈছে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিশ্ব বেংকৰ আঁচনিৰ যিমান টকা খৰছ কৰা হ'ল ইয়াৰ ভিতৰত কিমান জন ব্যক্তিক উপকৃত কৰা হ'ল আৰু কিমানটা পুখুৰী উন্নয়ন কৰা হ'ল। মীন বিভাগৰ নিজাববীয়া কিবা মাষ্টাৰ প্লেন আছে নেকি? বিশ্ব বেংকৰ টকাৰে কি কি উন্নয়ন কৰা হ'ল।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, অসম গ্ৰাম্য আন্তৰগাঠনিক মীন প্ৰকল্পৰ জৰিয়তে ৪ হাজাৰ ৯ শ ৪৯ জন ব্যক্তিগত মীন পালকক সাহাৰ্য্য দিয়া হৈছে আৰু তেওঁলোকে ৬.৮৩ হে"ৰ মাটিত ব্যক্তিগত পুখুৰী উন্নত কৰিছে।

* **শ্ৰী গিৰিন্দ্ৰ কুমাৰ বৰুৱা ঃ** ৰাজহ পুখুৰী কিমান উন্নত কৰিছে?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ৰাজহ পুখুৰী ৭৩০ টা উন্নত কৰা হৈছে। আমাৰ বিভাগত এনে কোনো আঁচনি নাই। ইয়াৰ আগতে কেন্দ্ৰীয় চৰকাৰে কিছু টকা মোকলাই দিছিল যদিও সময় মতে বিত্ত বিভাগে ষ্টোচেয়াৰ খিনি মোকলাই দিব নোৱাৰা কাৰণে আমি সেই টকা নাপালো। কিন্তু এতিয়া আমাৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগে এটা শতাংশ এই বছৰত দিছে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজহুৱা খাল-বিল আমাৰ অসমত বহুতো আছে। এই খাল-বিল উন্নত কৰাৰ কাৰণে কিমান টকা ধাৰ্য্য কৰা হৈছে। বৰ্ত্তমানে কিমান আঁচনি সম্পূৰ্ণ কৰা হৈছে আৰু কিমান বাকী আছে? এতিয়াতো বানপানীয়ে সকলো খাল-বিল উটুৱাই লৈ গৈছে গতিকে এই বিলাকত যিমান ক্ষয়-ক্ষতি হ'ল তাৰ হিচাপ কেনেকৈ পাব?

* Speech not corrected

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম গ্ৰাম্য আন্তঃগাঠনিৰ আঁচনীৰ অধিনত সৰ্বমুঠ ২১ টা প্ৰকল্প আছে। ইয়াৰ বাবে চৰকাৰে সৰ্ব্বমুঠ ২৩৮২.৭৬ লাখ টকা মোকলাই দিছে। ইয়াৰ মুঠ ১৯৪৬.৮০ লাখ টকা ব্যয় কৰিবলৈ সক্ষম হৈছে আৰু ৪৩৫.৯৬ লাখ টকা ব্যয় কৰিবলৈ বাকী আছে। বাকীখিনিৰ কাৰণে প্ৰচেচ চলি আছে। বানপানীৰ ফলত ৰাজহুৱা পুখুৰী বা খাল-বিলৰ যি ক্ষতি হৈছে সেই বিলাক জিলা মীন বিষয়াৰ পৰা ৰিপোৰ্ট বিছৰা হৈছে কিন্তু এতিয়া আকৌ পুনৰ বানপানী হোৱাৰ আশংকা কৰি তেওঁলোকে ৰিপোৰ্ট বিলাক দাখিল কৰা নাই।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাজতে আমি বাতৰি কাকতত পঢ়িবলৈ পাইছো যে গুৱাহাটীৰ মাজমজিয়াতে মাছৰ পোনা উৎপাদন কৰাৰ কাৰণে ২৫ লাখ টকা ব্যয় কৰি এখন আঁচনি কৰিছিল। কিন্তু সেই আঁচনীখন এতিয়াও সম্পূৰ্ণ হোৱা নাই। শদিয়াৰ পৰা ধুবুৰিলৈ ইমান বোৰ ঠাই থাকোতে কিয় গুৱাহাটীত এই আঁচনিখন কৰিব লগা হ'ল। পিছত আকৌ বাতৰি কাকতত পঢ়িবলৈ পালো যে এই আঁচনি খনত দুৰ্নীতী হৈছে আৰু ইয়াৰ বাবে তদন্ত হব বুলি শুনিবলৈ পাইছো।

গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়ে তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো পৰীক্ষা কৰি বিহিত ব্যৱস্থা লোৱা হব।

* **শ্ৰী হেমন্ত তালুকদাৰ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ব্যক্তিগত পুখুৰী বিলাকতো মাছ উৎপাদনৰ কাৰণে ঋণ দিয়া হয়। মোৰ সমষ্টিত ৪০০ ঘৰ মানুহ আছে তেওঁলোকৰ জীৱিকা উপায় একমাত্ৰ দীপৰ বিলত মাছ মাৰি পেট পুহা। মই এই কথাটো তেখেতক ব্যক্তিগত ভাবেও কৈ আছো আৰু আজি বিধান সভাৰ মজিয়াত অনুৰোধ কৰিব বিছাৰিছো এই ৪০০ ঘৰ পৰিয়ালক জীয়াই থকাৰ বাবে কিবা উপায় কৰি দিয়ক, এতিয়া শুনিছো দীপৰ বিলক পক্ষী অভয়াৰন্য কৰিব বিছাৰিছে?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** এই বিষয়টো মই জিলা উপায়ুক্ত, স্থানীয় বিধায়ক

---

* Speech not corrected

আৰু এই ৪০০ ঘৰৰ নেতৃস্থানীয় লোকক লৈ কেবাবাৰো আলোচনা কৰিছো আজিলৈ কোনা সিদ্ধান্তত আহিব পৰা নাই, কিবা এটা ব্যৱস্থা কৰিবই লাগিব।

* **শ্ৰী বিশ্বজিৎ দৈমাৰী ঃ** অধ্যক্ষ মহোদয়, মই মীন মন্ত্ৰীৰ পৰা জানিব বিছাৰিছো ব্যক্তিগতই হওঁক বা ৰাজহুৱাই হওঁক যিবিলাকক চৰকাৰী চৰকাৰী সাহাৰ্য্য দিছে তাৰ দ্বাৰা শতকৰা কিমানভাগ মাছৰ চাহিদা পুৰণ কৰিব পাৰিছে? আমি দেখিছো বিশ্ব বেংকে মীন উন্নয়নৰ কাৰণে যথেষ্ঠ পৰিমাণে টকা পইছা দিছে আৰু সেই হিচাবে ঋণো বিতৰণ কৰিছে কিন্তু আমি দেখিছো যি সকলে ঋণ লৈছে তেওঁলোকে আকৌ নিজে মাছ কিনি খাই আছে। মোৰ সমষ্টিতে বিটিচি এৰিয়া আছে য'ত বানপানী নহয় গতিকে সেই ঠাই সমূহ মাছ উৎপাদনৰ কেন্দ্ৰ হিচাবে চিলে" কৰাৰ ব্যৱস্থা কৰিব নে?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অসমত ২৩ খন জিলা আছে আৰু তাৰ ২১ খন জিলাতে আন্তঃ গাঠনিতে মাছ উৎপাদনৰ কাম আৰম্ভ কৰা হৈছে। এই ২৩খন জিলাৰ ভিতৰত বিটিচি এৰিয়াও সোমাই আছে। গতিকে তেখেতে বিছ্ৰা ঠাইখিনিও সোমাব। বিশ্ব বেংকে ইতিমধ্যে, তিনিটা প্ৰকল্পৰ জৰিয়তে ২৩ কোটি টকা খৰছ কৰিছে। অসমত বিশ্ব বেংকৰ আঁচনি হোৱাৰ আগতে বিশ্ব বেংকৰ পৰিচালন অনুষ্ঠানে মাছৰ উৎপাদন ১৯৯১-১৯৯২ চনত ৯.৮ বাঢ়িছে। সেইমতে ব্যক্তিগত পুখুৰি বিলাকৰ পৰাও আগৰ তুলনাত মাছ বহুত বাঢ়িছে। তেওঁলোকৰ সমীক্ষা মতে দুই হাজাৰ চাৰি কোটি যোৱা বছৰ বাঢ়িছিল। আমি এতিয়া অন্য ৰাজ্য লৈ মাছ ৰপ্তানী কৰিবলৈ সমৰ্থ হৈছো। এতিয়া অসমত চালানী মাছৰ চাহিদা কমিছে। ১৯৯১-১৯৯২ চনত মাছৰ চাহিদা আছিল ১ লাখ ৭৫ হাজাৰ টন এতিয়া সেই চাহিদা কমি গৈছে। চালানী মাছৰ ওপৰত প্ৰৱেশ কৰা শতকৰা ১৯ ভাগ লগোৱা স্বত্বেও মাছৰ চাহিদা আমি পুৰাব পাৰিম। আমাৰ দেশত মাছৰ অভাৱ নহয়। বৰং আমি ওচৰ চুবুৰীয়া নাগালেণ্ড আদিলৈ মাছ পঠিয়াব পাৰিছো। সেইবোৰ কিন্তু বাতৰি কাকতে নিলিখে।

**(সদনত হূলস্থূল, কেবাজনো সদস্যই একেলগে কয়, একোশুনা নাযায়)**

* **শ্ৰী গোপীনাথ দাস ঃ** মন্ত্ৰী মহোদয়ে কৈছে যে মাছৰ উৎপাদন বাঢ়িছে বাহিৰৰ পৰা মাছ অহা কমি গৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছোঁ

---

* Speech not corrected

প্ৰতিটো ব্লকতে মাছ সম্প্ৰসাৰণ বিষয়া আছে। তেওঁলোকৰ দায়িত্ব হল বিভিন্ন মানুহক মাছ উৎপাদনৰ শিক্ষা দিয়া, কেনেকৈ খাদ্য দিব লাগে মাছ কিদৰে বেছিকৈ উৎপাদন কৰিব লাগে ইত্যাদি। কিন্তু তেওংলোক খণ্ড পৰ্য্যায়ত নাযায় জিলা পৰ্য্যায়ত বহিয়ে দৰমহা লয় গতিকে মন্ত্ৰী মহোদয়ে এই সম্প্ৰসাৰণ বিষয়া সকলক খণ্ড পৰ্য্যায়ত গৈ মাছ উৎপাদনৰ কাৰণে বিভিন্ন জনক দিহা পৰামৰ্শ দিবলৈ বাধ্য কৰিবনে?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় সদস্য দাস দেৱৰ পৰামৰ্শখিনি গ্ৰহনযোগ্য আৰু আমি সেইমতে ব্যৱস্থা লম।

**Mr. Speaker :** Now, Starred Question No. 47, Honb'le Member, Shri Sarbananda Sonowal.

**বিষয় ঃ ৰাষ্ট্ৰীয় ক্ৰীড়া।**

**শ্ৰী সৰ্বানন্দ সোনোৱালে সুধিছে।**

* ৪৭। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আগন্তুক অসমত অনুস্থিত ২১ নং ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেনে ধৰণে ব্যৱস্থা লৈছে।

(খ) অসমৰ কোন কোন ঠাইত কি কি খেল অনুস্থিত হ'ব?

(গ) ৰাষ্ট্ৰীয় ক্ৰীড়া সফল কৰি তুলিবলৈ ৰাজ্য চৰকাৰে কি পৰিমানে টকাৰ আঁচনি প্ৰস্তুত কৰিছে?

(ঘ) ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে যিবোৰ খেল পথাৰ Stadium নিৰ্ম্মান কৰা হ'ব সেই নিৰ্মাণ কাৰ্য্যত ১৬১ বছৰীয়া ঐতিহাসিক ডিব্ৰুগড় চহৰকো সামৰি লোৱাৰ কিবা পৰিকল্পনা গ্ৰহণ কৰিছে নেকি?

**শ্ৰী ৰবীন বৰদলৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজনৰ অৰ্থে তলত উল্লেখিত প্ৰাৰম্ভিক ব্যৱস্থা সমূহ হাতত লোৱা হৈছে।

* Speech not corrected

(১) আন্তঃ গাঠনিৰ বাবে ঠাই নিৰ্বাচন।

(২) আন্তঃ গাঠনি নিৰ্মাণৰ অৰ্থে প্ৰাৰম্ভিক ব্যৱস্থা গ্ৰহণ।

(খ) ভৰতীয় অলিম্পিক সন্থাৰ লগত হোৱা চুক্তি অনুযায়ী মাত্ৰ দুঠাইতহে খেল অনুস্থিত কৰিব পৰা হ্ব। ইতিমধ্যে প্ৰথম স্থান হিচাবে গুৱাহাটীক নিৰ্বাচন হৈছে আৰু দ্বিতীয় স্থানৰ বাবে বিবেচনা কৰি থকা হৈছে।

(গ) সদ্যহতে প্ৰায় ১২৫.০০ কোটি টকাৰ আঁচনি হাতত লোৱা হৈছে।

(ঘ) বিষয়টো বিবেচনাধীন হৈ আছে, যদিও চুড়ান্ত সিদ্ধানত গ্ৰহণ কৰা হেৱা নাই।

* **শ্ৰী সৰ্বানন্দ সেনোৱাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰিছে আৰু সেই প্ৰতিযোগিতাত আমি সকলোৱে মিলি পৰিচালনা কৰা দৰকাৰ। এই ৰাষ্ট্ৰীয় ক্ৰীড়া বহুদিনৰ পৰা কাগজে পত্ৰই প্ৰকাশিত হৈ আহিছে যদিও যি ধৰণৰ বাতাবৰণ আজি সৃষ্টি হব লাগিছিল আমি সেই ধৰণৰ বাতাবৰণ হোৱা নাই। বৰং আৰম্ভনীতে আমোলা সকলৰ লগত সংঘটিত আদি বাতৰিহে প্ৰকাশিত হৈ আহিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে মুকলিভাৱে তেওঁলোকৰ দৃষ্টি ভংগী প্ৰকাশ কৰিব লাগে এতিয়া মই জানিব খুজিছোঁ ৰাষ্ট্ৰীয় ক্ৰীয়া সুচাৰুৰূপে পৰিচালনা কৰিবৰ বাবে এতিয়ালৈকে কিমান টকাৰ আঁচনি প্ৰস্তুত কৰা হৈছে আৰু কোন কোন ঠাইত ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত হব? অনুষ্ঠিত কৰিব খোজা ঠাই সমূহ চৰকাৰী মাটি নে ব্যক্তিগত মাটি মন্ত্ৰী মহোদয়ৰ পৰা জানিলে সুখী হম।

* **শ্ৰী ৰবীন বৰদলৈ (ৰাজ্যিক ক্ৰীয়া মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাৰ আন্তঃ গাঠনিৰ কাৰণে ১২৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। দ্বিতীয়তে মাননীয় সদস্যই সুধিয়েই কোন কোন ঠাইত পাতিবলৈ বিচৰা হৈছে ভাৰতীয় অলিম্পিক সন্থা, অসমৰ অলিম্পিক সন্থা আৰু অসম চৰকাৰৰ মাজত এটা ট্ৰিপাৰটাইট এগ্ৰিমেন্ট হৈছিল

একেখন ঠাইতে খেলবিলাক অনুষ্ঠিত হব লাগে। কিন্তু আমাৰ সুবিধাৰ কাৰণে আমি দুখন ঠাইত পতাৰ ঠিৰাং কৰা হৈছে। সেই মতে গুৱাহাটী আন্তঃ

---

* Speech not corrected

গাঠনি ঠিৰাং কৰা হৈছে আনখন ঠাই কত হব এতিয়ালৈ সিদ্ধান্ত হোৱা নাই। গুৱাহাটীৰ ভিতৰত সৰুসজাইত মূল ষ্টেডিয়াম হব। তাৰ কাৰণে ২৪০ বিঘা মাটি ব্যক্তিগত মানুহৰ পৰা অধিগ্ৰহণ কৰা হৈছে আৰু বাকী খিনি এ,এচ,ই,বিৰ মাটি। তাত এখন ডাঙৰ ইণ্ডৰ ষ্টেডিয়াম হব। মেইন ষ্টেডিয়ামৰ কেপাচিটী হব ত্ৰি হাজাৰ। ইয়াৰ বাহিৰেও গুৱাহাটীৰ বেলেগ বেলেগ ঠাইত।

**(অধ্যক্ষৰ সংকেত ধ্বনি প্ৰশ্নোত্তৰ কাল উকলিল।)**

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** ছাৰ, মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আছে। অধ্যক্ষ মহোদয়, গণতন্ত্ৰত প্ৰথম আমি প্ৰথম স্তম্ভ, জুডিচিয়াৰী দ্বিতীয়, তৃতীয় এক্সিকিউটিভ আৰু চতুৰ্থ স্থান হৈছে সংবাদ মাধ্যম। সেই চতুৰ্থ স্তম্ভৰ যিটো স্থান আছে সেইটো আজি উচ্ছেদ কৰিবলৈ লছে। কিন্তু অন্য ঠাইত মাটি নিদিয়াকৈ উচ্ছেদ কৰাটো আমি সমৰ্থন কৰিব নোৱাৰো সেয়ে মই চৰকাৰক এই ক্ষেত্ৰত অতি শীঘ্ৰে ব্যৱস্থা লবলৈ অনুৰোধ জনালোঁ।

* **শ্ৰী বুবুল দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি প্ৰশ্নোতৰ কালত মোৰ ৪৯ নং প্ৰশ্নৰ উত্তৰত সদনৰ মজিয়াত বিতং তালিকা দিয়া বুলি কৈছে কিন্তু মই সেই তালিকা পোৱা নাই।

**(Starred Question No. 48 to 60 except 51 could 25 not be laken up for discussion in the House as the Question Hour was over the said questions deemed to have ben laid on be the table of the House with replies thereto)**

## বিষয় ঃ বানপানীত হোৱা ক্ষয় ক্ষতি।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

* ৪৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বানপানীত ৰাজ্যখনত কিমানজন লোক ক্ষতিগ্ৰস্ত হৈছে, কিমানজন লোকৰ মৃত্যু হৈছে, কিমান সংখ্যক খেতিৰ মাটি আৰু খেতি নষ্ট হৈছে আৰু কিমান ঘৰচীয়া জীৱ-জন্তুৰ মৃত্যু হৈছে?

(খ) চলিত বানপানীত ৰাজ্যখনত সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ বাবে চৰকাৰে বৰ্ত্তমানলৈ কিমান টকা খৰচ কৰিলে?

---

* Speech not corrected

(গ) কেন্দ্ৰীয় চৰকাৰে চলিত বিত্তীয় বছৰত বানপানীত ক্ষতিগ্ৰস্ত সকলৰ বাবে ৰাজ্য চৰকাৰক কিমান টকাৰ অনুদান দিছে?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিতং তথ্য সংগ্ৰহ কৰি থকা হৈছে। সদ্যহতে পোৱা তথ্য অনুসৰি ক্ষতিৰ পৰিমান এনে ধৰণৰ -

(১) বানত আক্ৰান্ত লোকৰ সংখ্যা = ৫২,৩৫,০৯২ জন

(২) মৃত্যুৰ সংখ্যা = ৩০ জন

(৩) খেতি মাটিৰ ক্ষতি = ২,১৩,১৮৪ হে”ৰ

(৪) ঘৰচীয়া জীৱজন্তুৰ মৃত্যু সংখ্যা = ৯২ টা (গৰু)

(খ) পাৰিতোষিক সাহাৰ্য্যৰ বাবে তিনি কোটি পঞ্চাশ লাখ টকা খৰচ কৰা হয়। পানী শুকুৱাৰ পিচত জিলা আৰু মহকুমাৰ পৰা পোৱা প্ৰস্তাৱ অনুসৰি পুনৰ সংস্থাপনৰ কাম হাতত লোৱা হয়।

(গ) চলিত বিত্তীয় বছৰত কেন্দ্ৰীয় চৰকাৰে দুৰ্যোগ সাহাৰ্য্য শিতানত প্ৰথম কিস্তিত মুঠ ৪৪,০৬ কোটি টকা ৰাজ্য চৰকাৰক মোকোলাই দিছে। সেই শিতানৰ পৰা বান সাহাৰ্য্যত খৰচ কৰা হয়।

**Mr. Speaker :** Now, Starred Question No. 49, Hon'ble Member, Shri Bubul Das.

**বিষয় ঃ C.R.F. ৰ পূঁজি আহৰণ।**

**শ্ৰী বুবুল দাসে সুধিছে ঃ**

* ৪৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১-২০০২, ২০০২-২০০৩ চনত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা C.R.F. ত আহৰণ কৰা মুঠ পূঁজিৰ পৰিমাণ কিমান?

(খ) এই পূঁজিৰ পৰা প্ৰাকৃতিক দুৰ্যোগ বানপানী আৰু ধুমুহাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন বিভাগক মঞ্জুৰী দিয়া পূঁজিৰ পৰিমাণ আৰু আঁচনিৰ তালিকাৰ লগতে প্ৰগতিৰ খতিয়ান দাখিল কৰিবনে? (বিভাগ অনুযায়ী জিলা ভিত্তিত মঞ্জুৰী দিয়া আঁচনিৰ তালিকা সদনৰ মেজত দিব)।

(গ) মৰিগাওঁ জিলালৈ উক্ত দুটা বছৰত C.R.F. শিতানৰ পৰা মুঠ কিমান টকা আঁচনিৰ বিপৰীতে মঞ্জুৰী দিছিল? (আঁচনিৰ নাম, ধনৰ পৰিমাণ ও প্ৰগতিৰ খতিয়ান দাখিল কৰিব)।

(ঘ) জন স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি মৰিগাও জিলাৰ বিভিন্ন বিভাগে আগবঢ়োৱা C.R.F.ৰ প্ৰস্তাৱ সমূহ কাৰ্য্যকৰীকৰণৰ মঞ্জুৰীৰ ব্যৱস্থা লবনে?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০১-২০০২ আৰু ২০০২-২০০৩ চনত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাকৃতিক দুৰ্য্যোগ পুঁজিৰ মুঠ ১৬৩.৮৪ কোটি টকা আহৰণ কৰিছিল।

(খ) উক্ত টকাৰ পৰা বিভিন্ন জিলা, মহকুমা আৰু বিভিন্ন বিভাগক ২০০১-২০০২ চনত সৰ্বমুঠ ৩১,১২,২৪,৫৪২/- টকা আৰু ২০০২-২০০৩ চনত সৰ্বমুঠ ৯৫,০৮,৫৫,৫৯৩/- টকা পাৰিতোষিক সাহাৰ্য্য, পুনৰ সংস্থাপন, ৰাস্তা, দলং মথাউৰি মেৰামতি আৰু অন্যান্য আঁচনিৰ বিপৰীতে মঞ্জুৰী দিয়া হৈছে। (বিতং তালিকা অনুবদ্ধ ক'ত সদনৰ মেজত দিয়া হ'ল)। (Annexure-I)

(গ) উক্ত দুটা বছৰত মৰিগাওঁ জিলালৈ বিভিন্ন আঁচনিৰ বিপৰীতে সৰ্বমুঠ ৮,৩৫,৬৩,২৫০/- টকা মঞ্জুৰী দিয়া হৈছে। (মঞ্জুৰী দিয়া আঁচনি আৰু ধনৰ তালিকা সংলগ্ন কৰা হ'ল)। (Annexure-I)

(ঘ) মৰিগাওঁ জিলাৰ বিভিন্ন বিভাগে পঠোৱা প্ৰস্তাৱ সমূহ পৰীক্ষা কৰি অনুমোদন যোগ্য হলে মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰা হব।

**Mr. Speaker :** Now, Starred Question No. 50, Hon'ble Member, Shri Member Gogoi.

**বিষয় ঃ খহনীয়া ৰোধ।**

**শ্ৰী মেম্বৰ গগৈয়ে সুধিছে ঃ**

* ৫০। মাননীয় জনসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) টীয়ক সমষ্টিৰ উত্তৰ শগুন পৰাৰ পৰা হাতীশাললৈকে ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধ কৰাৰ ব্যৱস্থা লৈছে নেকি?

(খ) যদি লৈছে বৰ্ত্তমান কি পৰ্য্যায়ত আছে?

**শ্ৰী নুৰ জামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ব্যৱস্থা লোৱা হোৱা নাই।

(খ) (ক)ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

**Sub : National Games.**

**Shri Karendra Basumatary asked :**

* 52. Will the Minister of Sports & Youth Welfare be pleased to state :

(a) Whether the National Games will be hosted by the State of Assam in the year 2005?

(b) If so, will the game of chess is included in the said National Games?

(c) If not, can the game of chess be included?

**Shri Robin Bordoloi (Minister of State (Ind.), Sports & Yourth Welfare) replied :**

(a) Yes.

(b) No.

(c) Does not arise.

**বিষয় ঃ বৰগাং নদীৰ খহনীয়া।**

**শ্ৰী ৰঞ্জীত দত্তই সুধিছে ঃ**

* ৫৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিহালী সমষ্টিৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত গাং মৌথানৰ ওচৰত বৰগাং নদীৰ গড়াখহনীয়া হোৱাতো চৰকাৰৰ অৱগতনে?

(খ) সেই গড়খহনীয়া প্ৰতিৰোধৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(গ) এতিয়ালৈকে গড়াখহনীয়াৰ কবলত কিমানজন ব্যক্তি ক্ষতিগ্ৰস্ত হৈছে? (ক্ষতিগ্ৰস্ত লোক সকলৰ নাম সহ তালিকা সদনৰ মেজত দাখিল কৰিব)

(ঘ) সেই ক্ষতিগ্ৰস্ত লোক সকলক পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

**শ্ৰী নুৰ জামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) উক্ত গড়াখহনীয়া প্ৰতিৰোধৰ বাবে ৩৫১,৭৯ লাখ টকা ব্যয় সাপেক্ষে এখন কেন্দ্ৰীয় শিতানৰ আঁচনি কেন্দ্ৰীয় জল আয়োগলৈ প্ৰেৰণ কৰা হৈছে। তাৰোপৰি তাৎক্ষণিকভাবে গড়াখহনীয়া প্ৰতিৰোধৰ বাবে বানক্ষতি মেৰামতি মূলক ২০,৩১৫ লাখ টকা ব্যয় সাপেক্ষে এখন আঁচনি ৰাষ্ট্ৰীয় দুৰ্যোগ শিতানত গ্ৰহণৰ বাবে ৰাজহ বিভাগলৈ প্ৰেৰণ কৰা হৈছে।

(গ) ৰাজহ বিভাগৰ পৰা পোৱা তথ্যমতে গড়াখহনীয়া কবলত এতিয়ালৈকে ১৪ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে।

(ক্ষতিগ্ৰস্ত লোকসকলৰ নাম সহ তালিকা পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰা হৈছে)। (Annexure-II)

(ঘ) ৰাজহ বিভাগৰ পৰা পোৱা তথ্যমতে ক্ষতিগ্ৰস্ত লোক সকলৰ পুনৰ সংস্থাপনৰ বাবে মাটি চাই থকা হৈছে।

**Sub : Digarkhal M.V. Checkgate.**

**Shri Kali Ranjan Deb asked :**

* 54. Will the Minister of Transport be pleased to state :

(a) Whether the Govt. is aware of the fact that loaded trucks are being detained for a long time at Digarkhal M.V. Checkgate, causing traffic jam on National Highway in Katigorah Constituency?

(b) Whether arrangement for immediate checking can be done on arrival of each loaded truck a prompt action can be taken to avoid Traffic jam on that point?

(c) Whether Govt. will make necessary arrangment to hang up a Big loading at the checkgate displaying on it, the

rate of fine for each of the nature of offences, so that concerned truck drivers/owners can easily understand what amount they have to pay for each type of offence, it committed?

(d) Whether Government will also consider shifting of M.V. checkgate from N.H.44 at Digorkhal to a nearer place to avoide traffic jam at checkgate on N.H.44 ?

**Shri Anjan Dutta (Minister of Transport) replied :**

(a) Vehicle are detained only for a short while, just to check the documents etc. and allowed to go immediately after completion of the procedural action. These vehicles however do not cause any traffic jam.

(c) Varification of documents is done on the spot where the vehicle signaled to stop and allowed to go after varifying it. No traffic jam is generally cause in this process.

(c) A Chart showing the penal provisions of the M.V. Act and rate of fine is displayed. Arrangement for hang up of a big hoarding can be made if situation so warrents it.

(d) The M.V. Checkgate in question was installed to curb the illegal operation of vehicle on inter-state route. Before setting up of the M.V. checkgates at Digorkhal all the aspects like inflow and outflow of vehicles with approximate number of goods trucks passing through this route operation of overloaded vehicles causing damage to the road, etc. were taken into consideration. Since the present location of the checkgate is ideal and conclusive to detect all such vehicles including the tax evakders therefore the Govt. has not taken any decision to shift the M.V. checkgate from Digorkhal so far.

However, a proposal is under consideration for constructing a lay-bye at the check point.

## বিষয় ঃ চৰকাৰী মাটি আৱন্টন বা নামজাৰী কৰা।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

* ৫৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৬-৩-০৩ ৰ তৰা চিহ্নিত প্ৰশ্ন নং ২৫৬ (খ)ৰ উত্তৰত উল্লেখিত বিলাসীপাৰা চাৰ্কোলৰ বজাৰ খনৰ সীমাৰ ভিতৰত থকা চৰকাৰী মাটি (১ বিঘা ২ কঠা ১১ লেছা) খিনিৰ দাগ নং কিমান, কিমান আৰু উক্ত মাটি খিনি কাৰোবাৰ নামত নামজাৰি/আৱন্টন কৰি দিয়া হৈছে নেকি?

(খ) কাঠালদি ২ নং ৰাজহ গাঁৱৰ দাগ নং ৯১১, ৯১২, ৯১৩, ৮০৮, ৮১১, ৮১২, ৮১৫ ৰ মাটিৰ পৰিমাণ কিমান আৰু কাৰ নামত কিমান দিনৰ পৰা পট্টা ভূক্ত হিচাবে চলি আছে আৰু বৰ্ত্তমান কাৰ কাৰ দখলত আছে?

(গ) বিলাসীপাৰা চাৰ্কোলৰ ক'ত ক'ত বেদখলকৃত, বেদখল মুক্ত কিমান কিমান বিঘা চৰকাৰী মাটি আছে (দাগ নং উল্লেখ কৰি তথ্য দিব)

(ঘ) ধুবুৰী চাৰ্কোলৰ ৰঙামাটি কোঃঅঃ ফাৰ্মৰ পক্ষে সভাপতি কোন কোন দাগৰ পৰা কিমান বিঘা মাটি আৱন্টন বা চুক্তি পত্ৰ কৰি দিয়া হৈছে?

(ঙ) উক্ত মাটিখিনি আগত কোনে কোনে ভোগ দখল কৰি খাই আছিল?

(চ) ভোগ দখলকাৰী/বেদখলকাৰী সকলৰ ভিতৰত নদী ভংগ বা ভূমিহীন লোক আছিল নেকি?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিলাসীপাৰা চাৰ্কোলৰ বজাৰ খনৰ সীমাৰ ভিতৰত থকা চৰকাৰী ১ বিঘা ২ কঠা ১১ লেছা মাটি কঠালদি ২য় খণ্ডৰ গাঁৱৰ নতুন ৮০৭ নং দাগৰ ১৫ লেছা, ৮১৫ দাগৰ ২ বিঘা ৮ লেছা, ৯১৪ নং দাগৰ ২ কঠা ৮ লেছা মুঠ ১ বিঘা ২ কঠা ১১ লেছা মাটি হয়। উক্ত মাটি কোনো মানুহৰ নামত আৱন্টন/নামজাৰি হোৱা নাই।

(খ) উপায়ুক্তৰ পৰা পোৱা তথ্যমতে কঠালদি ২ নং ৰাজহ গাঁৱৰ ৯১১, ৯১২, ৯১৩, ৮০৮, ৮১১, ৮১২ আৰু ৮১৫ নং দাগৰ মুঠ মাটি ৬ বিঘা ২ কঠা ৮ লেছা হয়। বৰ্ত্তমান ৯১১, ৯১২, ৮১১ আৰু ৮১২ পট্টাদাৰ (১)

কাষ্ণু শেখ (২) নজি শেখ পিতা ওচমান শেখ আৰু ৯১৩, ৮০৮ নং দাগত (১) বৰ্দ্দিও আমাল মণ্ডল (২) মাইজুদ্দিন মণ্ডল (৩) জাবেজ উদ্দিন মণ্ডল পিতা শুকুৰ আলিৰ নামত পট্টা চলি আছে। ১৯৬১ চনৰ পৰা পঞ্জীভূত মাটি হয়। বৰ্ত্তমান বাবুৰহাট বজাৰ হিচাবে বিভিন্ন মানুহে দখল কৰি আছে। ৮১৫ নং দাগটো চৰকাৰী মাটি হয়।

(গ) ধুবুৰী জিলাৰ উপায়ুক্তৰ পৰা পোৱা তথ্য মতে বিলাসীপাৰা চাৰ্কোলৰ ২০৩ খন জৰিপী (cadestral) গাঁৱতে বেদখলীকৃত মাটি দেখা যায়। বেদখলী মাটি এঘাৰ হেজাৰ চাৰিশ চৌৱান্ন বিঘা দুকঠা পাচ লেছা। বেদখলী মাটিৰ দাগৰ তালিকা বিস্তৃত হোৱাত সদনৰ মেজত ৰখা হ'ল।

(ঘ) তেনে কোনো বিতং তথ্য উপায়ুক্তৰ হাতত নাই।

(ঙ) সদ্যহতে বিতং তথ্য পোৱা হোৱা নাই।

(চ) ভোগ দখল/বেদখলী সকলে কিছু বছৰ আগৰ পৰাই বিভিন্ন ঠাইৰ পৰা আহি ভোগ দখল কৰি খাই আছে তাৰে কিছুসংখ্যক ভূমিহীন আৰু নদী ভঙ্গ লোক হয়।

**বিষয় ঃ ৰাষ্ট্ৰীয় ক্ৰীড়া।**

**শ্ৰী প্ৰবীণ গগৈয়ে সুধিছে ঃ**

* ৫৬। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৫ চনত ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগীতা অসমত হোৱাটো খাটাং নেকি?

(খ) যদি হয়, অসমৰ কোন কোন চহৰত অনুষ্ঠিত হব?

(গ) এই প্ৰতিযোগিতাৰ বাবে বাজেট কিমান?

(ঘ) এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলগীয়া অসমৰ খেলুৱৈ সকলৰ প্ৰশিক্ষণৰ বাবে আগতীয়া ব্যৱস্থা লৈছে নেকি?

(ঙ) অসমৰ বিভিন্ন ক্ৰীড়া সংগঠন সমূহক উক্ত প্ৰতিযোগিতাৰ বাবে সহযোগ লোৱা হৈছে নে?

**শ্ৰী ৰবীন বৰদলৈ (ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) ভাৰতীয় অলিম্পিক সন্থাৰ লগত হোৱা চুক্তি অনুযায়ী মাত্ৰ দুঠাইতহে খেল অনুস্থিত কৰিব পৰা হব। ইতিমধ্যে প্ৰথম স্থান হিচাপে গুৱাহাটীক নিৰ্বাচন কৰা হৈছে আৰু দ্বিতীয় স্থানৰ বাবে বিবেচনা কৰি থকা হৈছে।

(গ) সদ্যহতে আন্তঃ গাঠনিৰ বাবে প্ৰায় ১২৫.০০ কোটি টকাৰ আঁচনি হাতত লোৱা হৈছে।

(ঘ) লোৱা হৈছে।

(ঙ) লোৱা হৈছে।

## বিষয় ঃ পট্টন দিয়া মাটিৰ পৰিমাণ।

**শ্ৰী জগদীশ ভূঞাই সুধিছে ঃ**

* ৫৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ মাৰ্চ মাহৰ পৰা ২০০৩ চনৰ জুলাই মাহলৈ কামৰূপ জিলাত কিমান মাটি কোন কোন ব্যক্তি বা প্ৰতিষ্ঠানক কি মূল্যত আবন্টন বা পট্টন দিয়া হৈছে (সবিশেষ তালিকা দিব) আৰু কি কামৰ বাবে দিয়া হৈছে।

(খ) সমগ্ৰ অসমত বৃহৎ চাহ বাগিছা সমূহে কিমান কিমান চৰকাৰী মাটি বেদখল কৰি আছে? (জিলা ভিত্তিত চাহ কোম্পানী সমূহৰ নাম আৰু বেদখল কৰা মাটিৰ পৰিমান সহ তালিকা সদনৰ মেজত দিব)।

(গ) উক্ত বেদখল সমূহ উচ্ছেদ কৰা হব নে?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কামৰূপ জিলাৰ মেট্ৰপলিটান আৰু গ্ৰামাঞ্চলৰ পৰা পোৱা প্ৰতিবেদন মতে ২০০১ চনৰ মাৰ্চ মাহৰ পৰা ২০০৩ চনৰ জুলাই মাহলৈকে বিভিন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানক দিয়া মাটি আৰু মূল্যৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল।

(খ) বৃহৎ চাহ বাগিছা বুলি কোন কেইখন চাহ বাগিছাক বুজাইছে বুজি নোপোৱাত বিতং তথ্য দাখিল কৰিব পৰা নগল। অৱশ্যে ১৬ খন জিলাৰ পৰা পোৱা তথ্য অনুসৰি মুঠ ১৪,৭৯০ বিঘা ৩ কঠা ২ লোছা মাটি চাহ বাগিছা সমূহে বেদখল কৰাৰ তথ্য পোৱা হৈছে।

(গ) জিলা কৰ্তৃপক্ষক নিয়মীয়াকৰণ অথবা উচ্ছেদৰ বাবে ব্যৱস্থা লবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

## বিষয় ঃ পহুমৰা নদীৰ খহনীয়া।

**শ্ৰী সৰ্বানন্দ চৌধুৰীয়ে সুধিছে ঃ**

* ৫৮। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভৱানীপুৰ সমষ্টিৰ অন্তৰ্গত মাধপুৰ, দলোৰ পথাৰত পহুমৰা নদীৰ মঠাউৰী ছিগি গাওঁ ভূই ক্ষতি সাধন কৰি আছে আৰু নতুনকৈ ভৌকামাৰীত মঠাউৰী ছিগিবলৈ আৰম্ভ কৰিছে - এই কথা চৰকাৰ অৱগত নে? যদি অৱগত ইয়া তৎকালীন ব্যৱস্থা কৰিবনে?

(খ) পহুমৰা নদীৰ গড়া খহনীয়াৰ ফলত মেধিকুছি, পুঠিমাৰী, শিঙিমাৰী আদি গাওঁৰ মানুহৰ মাজত আতংকৰ ভাৱ আহি পৰিছে - গতিকে আগতীয়াকৈ ইয়া প্ৰতিৰোধৰ কিবা ব্যৱস্থা কৰিবনে?

**শ্ৰী নুৰ জামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত। মাধপুৰ আৰু দলোৰ পথাৰত ছিগা অংশৰ মেৰামতিৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা হিচাবে প্ৰাক্কলন প্ৰস্তুত কৰি ৰাজহ বিভাগলৈ পঠোৱা হৈছে। ৰাজহ বিভাগৰ পৰা অনুমোদন পালে মঠাউৰীৰ ছিগা অংশ সমূহ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব পৰা হ'ব।

(খ) পহুমৰা নদীৰ মেধিকুছি আৰু পুঠিমাৰীত অস্থায়ী ভাবে আগতিয়াকৈ প্ৰতিৰোধৰ ব্যৱস্থা কৰা হৈছে। শিঙিমাৰীত এতিয়ালৈকে কোনো ব্যৱস্থা লোৱা হোৱা নাই যদিও সোনকালে অস্থায়ী ভাবে খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## বিষয় ঃ বানপানীত ক্ষতিৰ পৰিমাণ।

**শ্ৰী গুণীন হাজৰিকাই সুধিছে ঃ**

* ৫৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত বছৰত ২০০২-২০০৩ চনৰ বিত্তীয় বছৰত অসমত বানপানীত কিমান ক্ষতি হ'ল?

(খ) কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা সাহাৰ্য্যৰ পৰিমাণ বিভিন্ন শিতানত কিমান আছিল? ৰাজ্য চৰকাৰে নিজে খৰছ কোন শিতানত কিমান কৰিছে?

(গ) বৰ্ত্তমান হৈ থকা বানপানীত ক্ষতিৰ পৰিমাণ ১৫ জুলাই, ২০০৩ চন পৰ্য্যন্ত কিমান হৈছে?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিগত ২০০২-২০০৩ চনৰ বানপানীত ২২ খন জিলা ক্ষতিগ্ৰস্ত হয়। মুঠ ৬৮০৭ খন ক্ষতিগ্ৰস্ত গাঁৱৰ ২,৯৮,৭৪৯ হেক্টৰ মাটিৰ খেতি পথাৰ নষ্ট হোৱাৰ উপৰিও ৬৫ জন মানুহ আৰু ৪,২৯৪ টা গৰু মহৰ মৃত্যু হয়। ক্ষতিৰ আনুমানিক মূল্য ১৪,৫,৫৯.৯৫ (এশ পঞ্চল্লিচ কোটি উনষাঠি লাখ পচানব্বৈ হাজাৰ)।

(খ) বিগত ২০০২-২০০৩ চনত প্ৰাকৃতিক দুৰ্যোগ সাহাৰ্য্য শিতানত কেন্দ্ৰীয় চৰকাৰে সৰ্বমুঠ ১১১.৮৯ কোটি ধন ধাৰ্য্য কৰিছিল। তাৰে ৮৩.৯২ কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ অংশ আৰু ২৭.৯৭ কোটি ৰাজ্য চৰকাৰৰ। বিভিন্ন শিতানত খৰছ কৰা ধনৰ পৰিমাণ তলত উল্লেখ কৰা হ'ল।

| | | |
|---|---|---|
| (১) | বিনামূলীয়া খাদ্য যোগানৰ বাবদ | = ৯,৬১,২৩,৯৯২/- |
| (২) | বানপানী/ধুমুহা আদিত ঘৰ দুৱাৰ মেৰামতিৰ বাবদ | = ১,৬২,১৭,৯২০/- |
| (৩) | প্ৰাকৃতিক দুৰ্যোগত মৃত্যু হোৱা লোকৰ নিকটতম আত্মীয়লৈ দিয়া সাহাৰ্য্য বাবদ | = ৩,৮০,০০০/- |

(৪) বানপানীত নষ্ট হোৱা পথ আৰু দলং মেৰামতিৰ বাবদ হোৱা খৰছ = ৩৪,৮৬,৮৮,২৫৭/-

(৫) বানপানীত নষ্ট হোৱা বান নিয়ন্ত্ৰণ কামৰ মেৰামতি আৰু সুচল কৰণৰ বাবদ খৰছ= ৩৫,৫১,৪৩,১৬৫/-

(৬) ক্ষুদ্ৰ আৰু উপায়ন্ত খেতিয়কলৈ কৃষি বীজ ক্ৰয় কৰাৰ বাবদ খৰছ = ৮,০০,০০,০০০/-

(৭) পশু স্বাস্থ্য, খাদ্য যোগান/মহামাৰী আদি ৰোধ কৰাৰ বাবদ দিয়া সাহাৰ্য্য = ৫২,১৫,৩১৮/-

(৮) ঔষধ ক্ৰয় কৰাৰ বাবে স্বাস্থ্য বিভাগত দিয়া সাহাৰ্য্যৰ বাবদ = ৮০,০০,০০০/-

(৯) বানপানীত নষ্ট হোৱা জলসিঞ্চন কামৰ মেৰামতিৰ বাবে খৰছ = ২,২৫,৫৬,৩৪০/-

(১০) গুৱাহাটী পৌৰ নিগমৰ অধীনত নষ্ট হোৱা সা-সম্পত্তি সমূহৰ মেৰামতি আৰু সুচলাকৰণৰ ব্যবদ খৰছ = ৭০,৮৪,০০০/-

(১১) চৰ অঞ্চলত বসবাস কৰা লোকলৈ বিশুদ্ধ খোৱাপানী যোগানৰ বাবে দমকল বহুৱা বাবদ খৰছ = ৯৬,০০,০০০/-

(১২) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ নষ্ট হোৱা সা-সৰঞ্জাম মেৰামতিৰ বাবদ = ১০,৯৮,৩৩০/-

(১৩) কলা-ক্ষেত্ৰত নষ্ট হোৱা ঘৰ মেৰামতিৰ বাবদ = ৭,৫৩,০০০/-

(গ) এই বছৰৰ বানপানীত ১৫ জুলাই ২২০৩ লৈকে মুঠ ২০ খন জিলা (বৰ্ত্তমানে ২২ খন) ক্ষতিগ্ৰস্ত হয়। ক্ষতিগ্ৰস্ত মুঠ ৪,৪৯৬ খন গাঁৱৰ ১,৮৫,৩৮৯ হেক্টৰ খেতিপথাৰ নষ্ট হোৱাৰ উপৰিও ২০ জন মানুহ (বৰ্ত্তমানলৈ ৩০ জন) আৰু ৮৫ টা (বৰ্ত্তমানলৈ ৯২ টা) গৰু মহৰ মৃত্যু হয়।

## Sub : Pending cases against Md. Sanaullah.

**Shri Abdul Jabbar asked :**

* 60. Will the Minister of Co-operation be pleased to state :

(a) How many court cases are pending against Md. Sanaullah, non-cadre Secretary of Lalpul Samabai Samity Limited?

(b) Whether it is a fact that due to pressure from the vested interest, a thoroughly investigated forgery case under Udalguri P.S. against the above said employee is not being charge sheeted?

(c) Is it not a fact that although one cadre Secretary was posted by the earlier Government against the present incumbent Md. Sanaullah, for various allegations, the present Government is ignoring the order of the earlier Government and allowing Md. Sanaullah to continue?

**Shri Misbahul Islam Laskar (Minister of State (Ind.) Co-operation) replied :**

(a) One court case is pending against Md. Sanaullah a non-cadre Secretary in the court of sub-divisional Megistrate, Udalguri.

(b) As per information obtained from O.C. Udalguri P.S. a forgery case was filed by Sri Deba Ram Brahma which was registered vide case No. 94/2002 under Section 120-B 465/469/34 /IPC, dtd. 21.7.02. The case is still under investigation. The deptt. is not aware of any pressure from vested interest.

(c) It is a fact that one Md. Messer Ali, provincialised secretary was directed to take over charge of Lalpool S.,S. Ltd. in addition to his own normal duties till appointment of a regular Secretary by Zonal Joint Registrar of Coop. Societies, Tezpur vide his order dt. 28.9.96. But Hon'ble Gauhati High Court Vide order dt. 10.10.96 stayed the

above order of Zonal Joint Registrar of Coop. Societies, Tezpur. The Hon'ble Gauhati High Court vide order dt. 18.7.01 vacated the above interium order and directed the petitioner to handover charge to the provincialised Secretary. But the division bench of Hon'ble Gauhati High Court on an appeal by Md. Sanaullah stayed the order dt. 18.7.01 passed by the single Judge in C.R. No. 5293/96 vide order dt. 29.8.01 in the writ appeal 314/01.

**Sub : Short Notice Question.**

**Dr. Zoii Nath Sarma asked :**

* 1. Will the Minister, Panchayat & Rural Development be pleased to state :

(ক) "ৰাইজৰ পদূলীত ৰাইজৰ চৰকাৰ" কাৰ্য্যসূচীৰ কোন জিলাত কিমানখন আবেদন এতিয়ালৈকে চৰকাৰে পাইছে?

(খ) উক্ত আঁচনি মৰ্মে দৰং জিলাত কোন কোন তাৰিখত ক'ত ক'ত মিটিং হৈছে?

(গ) দৰং জিলাত উক্ত কাৰ্য্যসূচীৰ জৰিয়তে ৰাইজে দিয়া আবেদন মৰ্মে কি কি কাম হৈছে?

**Shri Ripun Bora (Minister of State (Ind.) Panchayat and Rural Development) replied :**

(ক) "ৰাইজৰ পদূলিত ৰাইজৰ চৰকাৰ" কাৰ্য্যসূচীত এতিয়ালৈকে পোৱা আবেদনৰ তথ্য জিলা ভিত্তিত পৰিশিষ্ট "ক"ত দেখুৱা হৈছে। (See Annexure-III)

(খ) প্ৰথম লানী কাৰ্য্যসূচী ২০০১ চনৰ ১২/১০/০১ তাৰিখৰ পৰা ১৮/১০/২০০১ তাৰিখলৈ মুঠ ১০৮২ খন গাওঁ সভা ১৫৫ গাওঁ পঞ্চায়ত এলেকাত অনুস্থিত হৈছিল।

দ্বিতীয় লানী কাৰ্য্যসূচী ২৭/১/২০০২ তাৰিখৰ পৰা ৩১/১/২০০২ তাৰিখলৈ অনুস্থিত হৈছিল। এই লানীত সকলো গাওঁ পঞ্চায়ত এলেকা সামৰি মুঠ ৭৭৩ খন গাওঁ সভা অনুস্থিত হৈছিল।

তৃতীয় লানী গাওঁ সভা ১২/৫/২০০২ তাৰিখৰ পৰা ১৬/৫/২০০২ তাৰিখলৈ অনুস্থিত হয় আৰু মুঠ ৬৮১ খন গাওঁ সভা অনুস্থিত হৈছিল।

চতুৰ্থ লানী গাওঁ সভা ২১/১০/২০০২ তাৰিখৰ পৰা ৩১/১০/২০০২ তাৰিখলৈ প্ৰতি গাওঁ পঞ্চায়ত এখনকৈ মুঠ ১৫৫ খন অনুস্থিত হয়।

পঞ্চম লানী গাওঁ সভা ২১/৪/২০০৩ তাৰিখৰ পৰা ২৫/৪/২০০৩ তাৰিখলৈ ১৫৫ খন গাওঁ পঞ্চায়তৰ প্ৰত্যেকতে এখনকৈ মুঠ ১৫৫ খন গাওঁ সভা অনুস্থিত হয়।

(গ) ৰাইজে দিয়া আবেদন মৰ্মে সমাপন হোৱা কামৰ ভিতৰত দৰং জিলাত নিম্নলিখিত কাম উল্লেখনীয় -

ইন্দিৰা আৱাস যোজনাত (IAY) গৃহ নিৰ্ম্মান, গাওঁ অঞ্চলত ৰাস্তা নিৰ্ম্মাণ, SGRY-II আঁচনীৰ সকলো নিৰ্ম্মাণ কাম ইত্যাদি।

বৃদ্ধ পেঞ্চল মঞ্জুৰী, বালিকা সমৃদ্ধি যোজনাত আগবঢ়োৱা অনুদান ইত্যাদি।

মীন খেতিয়কক (World Bank) আঁচনিৰ পুখুৰী খনন ।

কৃষকক অগভীৰ নলী-নাদ যোগান, ট্ৰেক্টৰ/পাৱাৰ টিলাৰ যোগান ইত্যাদি।

নদীৰ মথাউৰি, খাৰৈ নিৰ্ম্মাণ।

বান্ধ/নলী/কেনেল নিৰ্ম্মাণ ইত্যাদি।

পলু উৎপাদন, ছোম গছ ৰোপন।

অঙ্গনবাদী কেন্দ্ৰ মুকলি, শিশু খাদ্য বিতৰণ আৰু শিশুৰ স্বাস্থ্য শিক্ষা আৰু স্বাস্থ্য পৰীক্ষা।

খণ্ড পৰ্য্যায়ত ৫০ হেক্টৰ মাটিও গছ পুলি ৰোপন।

খণ্ড উন্নয়ণ পঞ্চায়ত ৰাজহুৱা তথ্য কেন্দ্ৰ (C/C) মুকলি।

BAC এলেকাৰ পাম্প বহুৱা কাম।

আন ক্ষেত্ৰত বিভিন্ন আঁচনিত গাওঁ সভাৰ জৰিয়তে পোৱা আবেদন মৰ্মে জিলাকনত কাম কৰিছে।

**Sub : Short Notice Question.**

**Shri Pabindra Deka asked :**

* 2. Will the Minister, Panchayat & Rural Development be pleased to state :

(ক) ৰাজ্য খনত বৰ্তমান কিমানটা "আত্ম সহায়ক গোট" (Self Help Group) আছে?

(খ) এই আত্ম সহায়ক গোট সমূহক চৰকাৰে কিবা ঋণ বা অনুদান দিয়াৰ ব্যৱস্থা কৰিছে নেকি?

(গ) যদি কৰিছে বৰ্ত্তমানলৈ কিমানটা আত্ম সহায়ক গোটক কিমান টকা ঋণ, অনুদান দিয়া হৈছে?

(ঘ) এনে ঋণ বা অনুদান কি কি আঁচনিৰ বাবে দিয়া হৈছে?

**Shri Ripun Bora (Minister of State (Ind.) Panchayat and Rural Development) replied :**

(ক) বৰ্ত্তমান অসমত আত্ম সহায়ক গোট ৬৬.৫৬২টা গঠন কৰা হৈছে।

(খ) হয়, কৰা হৈছে।

(গ) বৰ্ত্তমানলৈকে ৫,৭৯৭টা আত্ম সহায়ত গোটক ৪,৯৯৮.০১ লাখ টকা ঋণ আৰু ২২১৫.০৭ লাখ টকা ৰাজ-সাহাৰ্য্য দিয়া হৈছে।

(ঘ) উক্ত ঋণ আৰু ৰাজ-সাহাৰ্য্য তলত উল্লেখিত আঁচনিৰ বাবে দিয়া হয় ঃ

১। ডেইৰী ফাৰ্ম, পশুপালন, থলুৱা লঘু উদ্যোগ, বোৱা-কটা হস্ত-তাঁত, বস্ত্ৰ-শিল্প, বাঁহ-বেতৰ শিল্প, জলসিঞ্চন, কৃষি-যান্ত্ৰীকৰণ, পতিত মাটি উন্নয়ণ কৰি খেতি উপযোগী কৰা, কাঠফুলা উৎপাদন, মীন পালন, ক্ষুদ্ৰ ব্যৱসায়, ফুলৰ খেতিৰ সৈতে মৌ পালন, হাঁহ-কুকুৰা পালন, খাদ্য সংৰক্ষণ (ফল-মূল সংৰক্ষণ) ইত্যাদি।

**Sub : Short Notice Question.**

**Shri Pabindra Deka asked :**

* 3. Will the Minister, Panchayat & Rural Development be pleased to state :

(ক) ২০০২-০৩ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে গ্ৰামোন্নয়ণৰ বিভিন্ন আঁচনিৰ ৰূপায়ণৰ বাবে মুঠ কিমান মেট্ৰিকটন চাউল পাইছে।

(খ) এনেভাবে পোৱা চাউলৰ নিৰ্ধাৰণ কৰা মূল্য টকাৰ হিচাবত কিমান?

(গ) উক্ত বছৰটোত বৰপেটা জিলা পৰিষদক কিমান মেট্ৰিকটন চাউল আৱন্টন দিয়া হৈছে?

(ঘ) এনেভাৱে পোৱা চাউল ভুৱা আঁচনি ৰূপায়ণ কৰা দেখুৱাৰ বাবে ৰাজ্যখনত গ্ৰামোন্নয়ণৰ বিষয়া কৰ্মচাৰীৰ কেইজনমানক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে নেকি?

(ঙ) যদি হৈছে, কোন কোন বিষয়া কৰ্মচাৰীক নিলম্বিত কৰা হৈছে?

**Shri Ripun Bora (Minister of State (Ind.) Panchayat and Rural Development) replied :**

(ক) ২০০২-০৩ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে গ্ৰামোন্নয়ণৰ SGRY আঁচনিৰ বাবে মুঠ ৩,২৮,৮২৩ মেট্ৰিকটন চাউল পাইছে।

(খ) টকাৰ হিচাবত এনেভাবে পোৱা চাউলৰ মুল্য ৩৭,১৫৭.০০ লাখ টকা।

(গ) উক্ত বছৰটোত মুঠ ৩,১৬৪ মেট্ৰিকটন চাউল বৰপেটা জিলা পৰিষদক আৱন্টন দিয়া হৈছে।

(ঘ) ভূৱা আঁচনি ৰূপায়ণ কৰা দেখুৱাৰ বাবে ৰাজ্যখনত গ্ৰামোন্নয়ণৰ কোনো বিষয়া কৰ্মচাৰীৰ নিলম্বিত হোৱাৰ তথ্য পোৱা নাই।

(ঙ) প্ৰশ্ন নুঠে।

## বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী নং - ৪।

**শ্ৰী আলি আকবৰ মিঞাই সুধিছে ঃ**

* ৪। মাননীয় বিধায়ক শ্ৰী আলি আকবৰ মিঞাই ২০০৩ চনৰ আগষ্ট অধিবেশনৰ তাকৰীয়া সময়ৰ প্ৰশ্নৰ জাননী ঃ

মাননীয় পঞ্চায়ত আৰু গ্ৰমোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চিঠি নং PDA(VC)3/2001/11 dtd. 12.12.01, No. PDA(VC)3/

2001/16 dtd. 3.2.03ৰ বিপৰীতে প্ৰতিবেদন পালেনে (পাই থাকিলে প্ৰতিবেদনৰ কপি সংলগ্ন কৰিব আৰু পাই নাথাকিলে তাৰ কাৰণ কি ব্যাখ্যা কৰিব)?

(খ) চিঠি নং DAE.164/96-97/66 dtd. 4.10.01 যোগে দাখিল কৰা প্ৰতিবেদনৰ বিপৰীতে কেনে ব্যৱস্থা গ্ৰহণ কৰা হল?

(গ) চিঠি নং PDB.109/2001/36-A dt. 11.2.02 ৰ show cause আৰু তাৰ বিপৰীতে D.P. draw কৰা হলনে (show cause আৰু D.P. copy সংলগ্ন কৰি উত্তৰ দিব)?

(ঘ) চিঠি নং PDB.186/2002/5 dt. 17.3.03ৰ বিপৰীতে প্ৰতিবেদন পালেনে আৰু থাকিলে তাৰ বিপৰীতে কি ব্যৱস্থা গ্ৰহণ কৰা হল (প্ৰতিবেদনৰ কপি সংলগ্ন কৰি উত্তৰ দিব)?

**শ্ৰী ৰিপুন বৰা (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)) উত্তৰ দিছে ঃ**

(ক) উপৰোক্ত চিঠিৰ সন্দৰ্ভত জিলা উপায়ুক্ত ধুবুৰীৰ পৰা বিচৰা প্ৰতিবেদন এতিয়াও পোৱা হোৱা নাই। প্ৰতিবেদন বিচাৰি ইতিমধ্যে জিলাৰ উপায়ুক্তলৈ পুনৰ বেতাৰ বাৰ্ত্তা নং PDA(VC)3/2001/18 dtd. 25.07.2003. মৰ্মে বিশেষ কটকী যোগে দাখিল কৰিবলৈ কোৱা হৈছে। বেতাৰ বাৰ্ত্তাৰ কপি অনুবদ্ধ (ক) যোগে সদনৰ মেজত দাখিল দিয়া হল।

(খ) আৰু (গ) চিঠি নং DAE 164/96-97/66 dtd. 4.10.2001 যোগে প্ৰকল্প সঞ্চালক DRDA ধুবুৰীৰ পৰা পোৱা প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি শ্ৰী সুশীল কুমাৰ সাহাই মহামায়া উন্নয়ন খণ্ডত খণ্ড উন্নয়ন বিষয়া হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰি থকা অৱস্থাত কৰা বিভিন্ন বিত্তীয় খেলিমেলিৰ বাবে বিভাগীয় অনুশাসন মূলক ব্যৱস্থা (D.P.) লোৱাৰ সিদ্ধান্ত কৰা হয় আৰু সেই অনুযায়ী PDB.109/2001/46 dt. 23.7.2002 চিঠি নং যোগে কাৰণ দৰ্শোৱা জাননী জাৰি কৰা হয় (show cause কপি ইয়াৰ লগত (খ) অনুবদ্ধ যোগে সদনৰ মেজত দাখিল কৰা হল) যিহেতু বিষয়াজনৰ পৰা এই সন্দৰ্ভত লিখিত জবানবন্দী (written statement in defence) পোৱা হোৱা নাই, সেই বাবে পুনৰ জিলা উপায়ুক্ত (গোৱালপাৰা) যোগে

বিষয়াজনলৈ কাৰণ দৰ্শোৱাৰ জাননী PDB.109/2001/52 dt. 28.7.2003 যোগে জাৰি কৰা হৈছে।

(ঘ) প্ৰশ্নত উল্লেখ কৰা চিঠি নং PDB.186/2002/5 dt. 17.3.03 যোগে বিচৰা প্ৰতিবেদন সঞ্চালক, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ পৰা যোৱা ১৯/৭/০৩ তাৰিখত পোৱা হৈছে। (প্ৰতিবেদনৰ কপি (গ) অনুবদ্ধ যোগে সদনৰ মজিয়াত দাখিল কৰা হল।) প্ৰতিবেদনখন বৰ্ত্তমান পৰীক্ষা কৰি থকা হৈছে।

## Sub : Policy of collection of revenue.

**Shri Manilal Gowala asked :**

* 91. Will the Minister of Revenue be pleased to State :

(a) Whether the Government knows that the collection of Land Revenue has been adversely affected due to the policy of collecting revenue of the entire patta though single co-patta holder intends to pay Revenue?

(b) If so, will the Government introduce the earlier system or issue patta to all individual land holder to save from unnecessary harassment?

**Shri Methius Tudu (Minister of Revenue) replied :**

(a) Government is aware that the joint patta system to far exists has some effect on revenue collection.

(b) Joint patta system exists since inception of land laws. However, Government is encouraging partition of estates and issueing individual patta for taking various benefits by the pattadars as well for augmenting resources of the state.

## বিষয় ঃ পদোন্নতি আৰু নিয়োগ।

**শ্ৰী প্ৰানেশ্বৰ বসুমতাৰীয়ে সুধিছে ঃ**

* ৯২। মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰে অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কৰ্মচাৰী

সকলৰ বকেয়া পদ আৰু পদোন্নতিৰ পদ পূৰনৰ সন্দৰ্ভত জাৰি কৰা নিৰ্দ্দেশনাৰ সন্দৰ্ভত কিমান পদোন্নতি আৰু নিয়োগ কৰিলে? (বিভাগ অনুসৰি জনাব)

(খ) কোন কোন বিভাগত কিমান বকেয়া পদ আছিল? (বিভাগ অনুসৰি জনাব)

(গ) চৰকাৰে নিয়োগৰ ক্ষিত্ৰত থকা বাধা আৰোপ খুলি দিছে নেকি? যদি নাই দিয়া কি ভিত্তিত চৰকাৰে এনে বকেয়া পদ পুৰন কৰিব বিছাৰিছে।

(ঘ) এই নিয়োগ আৰু পদোন্নতিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ, সংবিধান সংশোধনী আৰু উচ্চতম ন্যায়লয়ৰ নিৰ্দ্দেশনা আছে নেকি?

(ঙ) যদি আছে, বিতংকৈ জনাবনে?

(চ) এই নিৰ্দ্দেশনা চৰকাৰে পালন কৰিছেনে?

**শ্ৰীযুত ভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিভিন্ন বিভাগ সমূহৰ পৰা পোৱা তথ্য অনুসৰি ১২১৩ জনক পদোন্নতি আৰু ২২৩ জনক নিয়োগ কৰা হৈছে। বিভাগ সমূহৰ নাম অনুবন্ধ-১ (Annexure-I)ত দিয়া হৈছে। (See Annexure-IV)

(খ) বিভাগ অনুসৰি বকেয়া পদৰ সংখ্যা অনুবন্ধ-১ (Annexure-I)ত দেখুওৱা হৈছে। (See Annexure-IV)

(গ) নিয়োগৰ ক্ষেত্ৰত চৰকাৰৰ বাধা আৰোপ নাই।

(ঘ) সংৰক্ষিত শ্ৰেণীৰ কৰ্মচাৰী সকলৰ পদোন্নতিৰ ক্ষেত্ৰত জ্যেষ্ঠতা নিৰ্ধাৰণৰ বাবে সংবিধান সংশোধনীৰ জৰীয়তে নিৰ্দ্দেশনা আছে।

(ঙ) সংবিধানৰ ৮৫তম সংশোধন অনুসৰি, সংৰক্ষণ বিধিৰ অধীনত পদোন্নতি পোৱা চৰকাৰী কৰ্মচাৰী সকলে পদ্যেন্নতিৰ লগতে জ্যেষ্ঠতাও লাভ কৰিব। এই নিৰ্দ্দেশনা ১৭ জুন, ১৯৯৫ চনৰ পৰা কাৰ্যকৰী হৈছে।

(চ) এই নিৰ্দ্দেশনা চৰকাৰে পালন কৰিছে।

## বিষয় ঃ সৰ্বানন্দ সিংহ ষ্টেডিয়াম।

**শ্ৰী ৰাজু চাহুয়ে সুধিছে ঃ**

* ৯৩। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত বৃহৎ ষ্টেডিয়াম 'সৰ্বানন্দ সিংহ ষ্টেডিয়ামটো' কেইবামাহৰ আগতেই 'স্পৰ্টছ অথৰিটি অৱ ইণ্ডিয়াই' দায়িত্ব গ্ৰহণ কৰাটো সঁচানে?

(খ) বৰ্ত্তমান ইয়াৰ অৱস্থা অতিশয় দুখলগা আৰু ইতিমধ্যে ষ্টেডিয়ামৰ বহুতো সামগ্ৰী চুৰি হৈছে এই বিষয়ে অসম চৰকাৰে বিহিত ব্যৱস্থা কিবা লৈছে নেকি?

(গ) আগন্তুক ৰাষ্ট্ৰীয় গেমছ ২০০৫ৰ কিছু ইভেন্ট অনুষ্ঠিত কৰিবলৈ চৰকাৰে উক্ত ষ্টেডিয়ামটো মেৰামতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰী ৰবীন বৰদলৈ (অসমৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) অৱগত নহয়।

(গ) প্ৰশ্ন নুঠে।

## বিষয় ঃ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত।

**শ্ৰী বনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ**

* ৯৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ইং ২০০২ চনত ধুবুৰী জিলাৰ গৌৰীপুৰ সমষ্টিৰ নালিয়া আৰু বেৰভাঙ্গী গাওঁ পঞ্চায়তৰ অন্তৰ্গত নালিয়া আৰু বেৰভাঙ্গী পঞ্চায়তত গঙ্গাধৰ নৈৰ প্ৰবল গড়খহনীয়াত বহুতো পৰিয়াল গৃহহীন আৰু খেতি মাটি ক্ষতিগ্ৰস্ত হোৱাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, মুঠ কিমানটা পৰিয়াল গৃহহীন হৈছে আৰু কিমান হে''ৰ মাটি ক্ষতিগ্ৰস্ত হৈছে? (বিতং তালিকা সহ সদনৰ মেজত দাখিল কৰিব)

(গ) গৃহহীন আৰু ক্ষতিগ্ৰস্ত পৰিয়ালৰ সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ বাবে কি ব্যৱস্থা হাতত লৈছে?

(ঘ) যদি লোৱা হোৱা নাই, কেতিয়ামানে উক্ত পৰিয়াল সকলে সাহার্য্য আৰু পুনৰ সংস্থাপন পাব?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) উক্ত বছৰত নালিয়া আৰু বেৰভাঙ্গী গাওঁৰ ১২২ টা পৰিয়াল গৃহহীন হয় আৰু ১০ হে”ৰ মাটি ক্ষতিগ্ৰস্ত হয়।

(গ) আৰু (ঘ) উক্ত পৰিয়াল সমূহক পুনৰ সংস্থাপনৰ বাবে অলপতে উপায়ুক্তৰ পৰা পোৱা প্ৰস্তাৱ অনুমোদনৰ বাবে বিবেচনাধীন হৈ আছে।

## বিষয় ঃ বানপানীৰ ক্ষয়ক্ষতি।

**শ্ৰী দিলদাৰ ৰেজ্জাই সুধিছে ঃ**

* ৯৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান বছৰৰ বানপানীয়ে বাঘবৰ সমষ্টিৰ (বাঘবৰ আৰু কলগাছিয়া ৰাজহ চক্ৰৰ ক্ৰমে মন্দিয়া আৰু বাঘবৰ মৌজা) কিমান খন গাওঁৰ কিমানটা পৰিয়ালৰ কিমান বিঘা শস্য নষ্ট কৰিছে? ক্ষতিগ্ৰস্ত শিক্ষানুষ্ঠানৰ সংখ্যা কিমান?

(খ) বানপানীত ক্ষতিগ্ৰস্ত বাঘবৰ সমষ্টিৰ গাওঁ আৰু শিক্ষানুস্থানলৈ আপদকালীম সাহার্য্য পূঁজিৰ (C.R.F.) পৰা পৰ্য্যাপ্ত সাহার্য্য আৰু শিক্ষানুষ্ঠান/ৰাস্তাঘাট সমূহ মেৰামতিৰ ব্যৱস্থা কৰা হ'বনে?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বাঘবৰ আৰু কলগাছিয়া ৰাজহ চক্ৰৰ মন্দিয়া আৰু বাঘবৰ মৌজাৰ যথাক্ৰমে ৯০০০ আৰু ১৩৫২৩ টা পৰিয়াল। শস্য নষ্ট হোৱাৰ পৰিমাণ জৰীপ কৰি থকা হৈছে। মুঠ ৬ টা শিক্ষানুষ্ঠান ক্ষতিগ্ৰস্ত হয়।

(খ) বানপানীত ক্ষতিগ্ৰস্ত গাওঁৰ ৰাস্তা ঘাট শিক্ষানুষ্ঠান সমূহ মেৰামতিৰ বাবদ প্ৰস্তাৱ সমূহ প্ৰস্তুত কৰি চৰকাৰৰ অনুমোদনৰ বাবে দাখিল কৰিবলৈ উপায়ুক্তই ব্যৱস্থা লৈ আছে।

## Sub : Money released to B.A.C.

**Shri Pramila Rani Brahma asked :**

* 96. Will the Minister of WPT & DC be pleased to state :

(a) How much money had been released to B.A.C. Administration for the WPT & BC in the financial year of 2002-2003?

(b) If, it is true, what was the total amount?

(c) Whether it was the fund of non-plan?

(d) The scheme taken by these fund?

(e) Who were the beneficiaries? (the names may kindly be pleaced on the table of the House)

**Shri Bharat Ch. Narah (Minister, WPT & BC) replied :**

(a) Rs. 275.00 lakh released to B.A.C. from WPT & BC Deptt. during 2002-2003.

(b) Rs. 275.00 lakh.

(c) Yes.

(d) No scheme was taken up from these Non-plan fund.

(e) The Non-plan fund released to BAC is only for salaries of the BAC Secretariat including Members of the B.A.C. Executive Council. As such list of beneficiaries does not arise.

## Sub : Affected People.

**Shri Bimolangshu Roy asked :**

* 97. Will the Minister of Revenue be pleased to state :

(a) How many people have been affected by recent flood in Assam district-wise? How many cattle & other animals died?

(b) What is the total value of paddy & other agricultural produce damaged?

(c) What relief has been provided for the affected districts & what is the total value of relief district-wise?

(d) Has the Govt. released fund against the sanctioned F.D.R. Schemes? If so, what is the district-wise allotment of fund?

(e) What steps Govt. has so far taken for restoration of urgent and immediate nature of work like repairing of road, dyke etc.?

**Shri Mathias Tudu (Minister, Revenue) replied :**

(a) Statement showing the District-wise damage affected by recent flood in Assam are shown below :

| District/Sub-Divn. | Population | Human lives lost | Cattle lost |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| 1. Dhemaji | 2,75,235 | 1 | - |
| Jonai | 80,000 | 1 | - |
| 2. Lakhimpur | 1,51,000 | 1 | - |
| Dhakuakhana | 1,71,345 | - | - |
| 3. Dibrugarh | 65,500 | 4 | 35 |
| 4. Sivasagar | 1,99,678 | - | - |
| Nazira | 967 | - | - |
| 5. Jorhat | 32,019 | - | - |
| Majuli | 1,99,000 | 1 | - |
| 6. Nagaon | 38,968 | - | 42 |
| Hojai | 78,200 | - | - |
| Koliabor | 500 | - | - |
| 7. Morigaon | 5,03,737 | 8 | - |
| 8. Dhubri | 5,05,000 | - | - |

| 1 | | 2 | 3 | 4 |
|---|---|---|---|---|
| | Hatsingimari | 3,50,500 | - | - |
| | Bilasipara | 3,75,000 | - | - |
| 9. | Goalpara | 2,85,000 | 4 | - |
| 10. | Barpeta | 2,62,810 | 2 | - |
| 11. | Nalbari | 1,50,000 | 2 | - |
| 12. | Sonitpur | 75,405 | - | - |
| | Biswanath-Charili | 18,500 | - | - |
| | Gohpur | 37,323 | - | - |
| 13. | Tinsukia | 23,168 | - | - |
| | Margherita | 1,423 | - | - |
| 14. | Kokrajhar | 2,187 | - | - |
| 15. | Kamrup (Metro) | 61,489 | 3 | - |
| 16. | Kamrup (Rural) | 1,50,950 | 2 | - |
| | Rangiya | 2,254 | - | - |
| 17. | North Salmara | 1,32,040 | - | 15 |
| | Bijni | 9,000 | 1 | - |
| 18. | Hailakandi | 1,50,255 | - | - |
| 19. | Karimganj | - | - | - |
| 20. | Karbi-Anglong (Hamren) | 2,753 | - | - |
| 21. | Golagaht | 28,203 | - | - |
| | Bokakhat | 33,912 | - | - |
| 22. | Darrang | 7,30,170 | - | - |
| | Udalguri | 51,593 | - | - |
| | **Total** | **52,35,092** | **30** | **92** |

(b) The total value of paddy and other agricultural product damaged in the current wave of flood is Rs. 505.54 crore.

(c) Statement showing the district-wise quantity of Gratuitous Relief Distributed are furnised below :

| District/Sub-Divn. | Rice/Rate per Qnti. | Dal (R/P/Q) | Salt (R/P/Q) |
|---|---|---|---|
| 1 | 2 | 3 | 4 |
| | Rs. 830/- | 2400/- | 138/- |
| 1. Dhemaji | 6408 | 35 | 15 |
| Jonai | 525 | 2 | 29 |
| 2. Lakhimpur | 979 | 38 | 37 |
| Dhakuakhana | 1931 | - | - |
| 3. Dibrugarh | 953 | 44 | 36 |
| 4. Sivasagar | 1309 | - | 79 |
| 5. Majuli (Jorhat) | 1036 | - | - |
| 6. Nagaon | 383 | 37 | 22 |
| Hojai | 244 | 37 | - |
| 7. Dhubri | 8105 | 1552 | 465 |
| Hatsingimari | 5011 | 60 | - |
| Bilasipara | 3401 | 9 | 201 |
| 8. Goalpara. | 4824 | - | 143 |
| 9. Barpeta | 3548 | - | - |
| 10. Nalbari | 660 | 89 | 24 |
| 11. Sonitpur | 34 | 6 | - |
| Biswanath-Charili | 129 | 25 | 5 |
| 12. Tinsukia | 415 | 78 | 16 |
| 13. Kamrup (Metro) | 836 | 145 | 14 |
| 14. Kamrup (Rural) | 694 | 93 | 22 |
| 15. Darrang | 1545 | 234 | 89 |
| 16. Kokrajhar | 2 | - | - |
| 17. North Salmara | 2225 | 332 | 64 |
| Bijni | 11 | 1 | - |

| 1 | 2 | 3 | 4 |
|---|---|---|---|
| 18. Golaghat | 342 | 63 | - |
| 19. Karimganj | 345 | 52 | 13 |
| **Total** | **45,880** | **2,904** | **1,267** |
| | **= Rs. 3,80,400/-** | **= Rs. 69,69,600/-** | **= Rs. 1,74,846/-** |

(d) There is no provision for allotment of fund district-wise. Neadbased schemes sanctioned to different districts for FDR works of P.W. Deptt. & Water Resource Deptt. shown as below :

| | Name of Distict | Amount sanctioned for PWD | Amount sanctioned for Water Resources Deptt. |
|---|---|---|---|
| 1. | Kokrajhar | Rs. 122.82 Lakhs | Rs. 13.91 Lakhs |
| 2. | Kamrup | Rs. 274.44 ,, | Rs. 219.68 ,, |
| 3. | Barpeta | Rs. 36.06 ,, | - |
| 4. | Karimganj | Rs. 106.68 ,, | - |
| 5. | Sivasagar | Rs. 45.35 ,, | Rs. 66.85 ,, |
| 6. | Sonitpur | Rs. 3.72 ,, | - |
| 7. | Darrang | Rs. 121.36 ,, | Rs. 10.00 ,, |
| 8. | Goalpara | Rs. 105.28 ,, | Rs. 5.00 ,, |
| 9. | Lakhimppur | Rs. 62.25 ,, | Rs. 62.50 ,, |
| 10. | Nalbari | Rs. 6.71 ,, | - |
| 11. | Dibrugarh | Rs. 7.26 ,, | - |
| 12. | Nagaon | Rs. 61.23 ,, | Rs. 1.85 ,, |
| 13. | Bongaigaon | Rs. 15.00 ,, | Rs. 26.78 ,, |
| 14. | Morigaon | Rs. 6.86 ,, | Rs. 100.00 ,, |
| 15. | Dhemaji | - | Rs. 190.00 ,, |
| 16 | Dhubri | - | Rs. 81.57 ,, |
| 17. | Cachar | - | Rs. 6.07 ,, |

(e) State Govt. has called for schemes of immediate restoration of urgant and immediate nature of work like repairing of road and embankment on the basis of urgency of the situation.

**বিষয় ঃ উপদেষ্টা কমিটি।**

**শ্ৰী শাদিদ মজুমদাৰে সুধিছে ঃ**

* ৯৮। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা মহকুমাৰ অনুসূচীত জাতিৰ উপদেষ্টা কমিটিখন ২০০৩ চনৰ ভিতৰত কিমানবাৰ ভঙা পতা হ'ল আৰু সভাপতি কেইজনৰ নাম কি কি? (সদনৰ মেজত দাখিল কৰিব)

(খ) সভাপতিজন ভঙা পতাত কি অৰ্হতাৰ ভিত্তিত ভঙা পতা হ'ল?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিয়ে ঃ**

(ক) গোৱালপাৰা মহকুমাৰ অনুসূচীত জাতি উন্নয়ণ পৰিষদখন ২০০৩ চনত বৰ্ত্তমানলৈকে দুবাৰ ভঙা পতা হৈছে।

প্ৰথমবাৰৰ সভাপতি শ্ৰীমনোমোহন দাস আৰু দ্বিতীয়বাৰৰ (বৰ্ত্তমান) সভাপতি শ্ৰীউৎসবানন্দ মেধী।

(খ) সভাপতি ভঙা পতা কোনো অৰ্হতাৰ ভিত্তিত কৰা নহয়। বিভাগীয় ৰাজ্যিক মন্ত্ৰী মহোদয়ে পূৰ্বৰ সভাপতি শ্ৰীমনোমোহন দাসৰ ওপৰত বহুতো অভিযোগ পোৱাৰ বাবে বৰ্ত্তমানৰ সভাপতি শ্ৰীউৎসবানন্দ মেধীক লৈ পৰিষদখন পুনৰ গঠন কৰাৰ নিৰ্দ্দেশ দিয়ে।

**বিষয় ঃ মৎস্য পালন কেন্দ্ৰ।**

**শ্ৰী দীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

* ৯৯। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত কিমানটা মৎস্য পালন কেন্দ্ৰ আছে আৰু ক'ত ক'ত আছে?

(খ) আগমণিৰ মৎস্য পালন কেন্দ্ৰটো চৰকাৰী নে বে-চৰকাৰী?

(গ) এই মৎস্য পালন কেন্দ্ৰটোৰ উন্নয়ণৰ বাবে যোৱা দুবছৰে চৰকাৰে কিমান টকা কি কি শিতানত খৰচ কৰিছে?

(ঘ) চৰকাৰ এই কথা অৱগতনে যে উক্ত মৎস্য পালন কেন্দ্ৰটোৰ বিতং সংস্কাৰৰ প্ৰয়োজন?

(ঙ) যদি অৱগত, উক্ত মৎস্য পালন কেন্দ্ৰটোৰ সংস্কাৰৰ বাবে এই বছৰ কিমান টকা ধাৰ্য্য কৰা হৈছে আৰু কেতিয়াৰ পৰা সংস্কাৰৰ কাম আৰম্ভ হয়?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ধুবুৰী জিলাত ১টা চৰকাৰী মৎস্য পালন কেন্দ্ৰ আছে। উক্ত কেন্দ্ৰটো আগমণিত অৱস্থিত।

(খ) চৰকাৰী।

(গ) পৰিকল্পনা শিতানৰ পূঁজিৰ নাটনিৰ বাবে যোৱা দুবছৰে এই মৎস্য পালন কেন্দ্ৰটোৰ উন্নয়ণৰ বাবে টকা খৰচ কৰা হোৱা নাই।

(ঘ) অৱগত।

(ঙ) চলিত বছৰৰ বাজেটত ১.১৪ লাখ টকা ধাৰ্য্য কৰা হৈছে আৰু চৰকাৰৰ অনুমোদন সাপেক্ষে এই ধন উক্ত কেন্দ্ৰৰ সংস্কাৰৰ বাবে খৰচৰ ব্যৱস্থা লোৱা হব।

## বিষয় ঃ মথাউৰি মেৰামতি।

**শ্ৰী ৰাজীৱ লোচন পেগুয়ে সুধিছে ঃ**

* ১০০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

আজি বহুদিনৰ আগতে ৰাজ্যখনত নিৰ্মাণ কৰা মথাউৰি সমূহ এতিয়া ক্ৰমান্বয়ে দুৰ্বল হৈ আহিছে, সেই মথাউৰি সমূহ মেৰামতি বা পুনৰ নিৰ্মাণৰ ব্যৱস্থা লৈছেনে?

**শ্ৰী নুৰ জামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

হয়, লোৱা হৈছে।

**বিষয় ঃ গড়াখহনীয়া এলেকাৰ প্ৰাক্কলন অনুমোদন।**

**শ্ৰী খলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে ঃ**

* ১০১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ ছিতলমাৰীৰ পৰা ডবকালৈকে যমুনা নদীৰ দুয়োপাৰে খহনীয়া আক্ৰান্ত এলেকা সাঙুৰী ৪৪৫.৯০ লাখ টকা ধাৰ্য্য কৰি এটি প্ৰাথমিক প্ৰাক্কলন প্ৰস্তুত কৰি ৩২ তম্ কাৰিকৰী উপদেষ্টা সমিতিয়ে অনুমোদন কৰাটো সঁচানে?

(খ) যদি সঁচা, উক্ত প্ৰাক্কলনৰ এটি প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিবনে?

(গ) উক্ত আঁচনিখন কাৰিকৰী অনুমোদনৰ বাবে কেন্দ্ৰীয় জলসম্পদ আয়েগলৈ প্ৰেৰণ কৰা হৈছেনে?

(ঘ) যদি হোৱা নাই, কিয় আৰু কেতিয়ালৈকে প্ৰেৰণ কৰা হ'ব?

**শ্ৰী নুৰ জামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, সঁচা।

(খ) উক্ত প্ৰাক্কলনৰ এটি প্ৰতিলিপি পৰিশিষ্ট 'ক' সদনত দাখিল কৰা হ'ল।

(গ) আঁচনিখন কাৰিকৰী অনুমোদনৰ বাবে কেন্দ্ৰীয় জল আয়োগলৈ প্ৰেৰন কৰা হোৱা নাই।

(ঘ) আঁচনিখনৰ বিস্তৃত প্ৰাক্কলন প্ৰস্তুতি সম্পৰ্ণ হোৱা নাই আৰু বিভিন্ন বিভাগৰ পৰা আপত্তি নোহোৱা প্ৰমাণ পত্ৰ পোৱা হোৱা নাই বাবে আঁচনিৰখন কেন্দ্ৰীয় জল আয়োগলৈ প্ৰেৰণ কৰিব পৰা হোৱা নাই।

বিস্তৃত প্ৰাক্কলন প্ৰস্তুতি সম্পূৰ্ণ হলে আৰু প্ৰয়োজনীয় সকলো বিভাগৰ পৰা আপত্তি নোহোৱা প্ৰমাণ পত্ৰ পালে আঁচনিখন কেন্দ্ৰীয় জল আয়োগলৈ প্ৰেৰন কৰা হ'ব বুলি আশা কৰা যায়।

**Sub : Pending for Payment.**

**Shri Jamal Uddin Ahmed asked :**

* 102. Will the Minister of Revenue be pleased to state :

(a) How much Govt. liabilities are pending for payment of Zamindary Compensation in Karimganj District?

(b) During the period of 1992 to June 2003 how much Compensation was assessed and paid? (Please furnish details)

(c) Whether Govt. has taken any initiatives to pay the pending liabilities to the beneficiaries?

**Shri Methias Tudu (Revenue Minister) replied :**

(a) An amount of Rs. 3,35,00,000/- (Rupees three crore thirty five lakhs) only is pending for payment as Compensation to the persons whose land was acquired under Zamindary Act.

(b) During the period from 1992 to June 2003 an amount of Rs. 2.25 crore was assessed as compensation in respect of several nos of cases and Rs. 2.87 crore was released as compensation to the claiments majority of whom was pending since earlier than 1992.

The details are geven below :

| | | |
|---|---|---|
| 1991 - 92 (Jan/92 to Mar/92) | Released | Rs. 29,99,951.00/- |
| 1992 - 93 | | Rs. 87,72,509.00/- |
| 1993 - 94 | | Rs. 70,00,575.00/- |
| 1994 - 95 | | Rs. 63,04,749.00/- |
| 1995 - 96 | | Rs. Nil. |
| 1996 - 97 | | Rs. 00,95,592.00/- |
| 1997 - 98 | | Rs. 00,57,069.00/- |
| 1998 - 2001 | | Rs. Nil. |
| 2001 - 2002 | | Rs. 09,22,883.00/- |
| 2002 - 2003 June. | | Rs. 25,10,423.00/- |

(c) Yes, Apart from making budget provision, Government has also requested the Finance Department for releasing an advance from contingency fund and also accept a supplementary demand proposal.

## বিষয় ঃ মৎস্য উৎপাদন প্ৰকল্প।

**শ্ৰী চিদ্দিক আহমেদে সুধিছে ঃ**

* ১০৩। মাননীয় মৎস্য বিভাগের মন্ত্রী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) আসাম সরকার মৎস্য বিভাগের উন্নয়ন কল্পে আসামে মৎস্য উৎপাদন বৃদ্ধি করার লক্ষে কি কি ব্যবস্থা হাতে নিয়েছেন?

(খ) ২০০১-০২, ২০০২-০৩ সালে করিমগঞ্জ জিলার মৎস্য বিভাগে মৎস্য উৎপাদন বৃদ্ধি ও মৎস্য জীবিদের উন্নয়নের স্বার্থে কোন প্ৰকল্প লওয়া হয়েছিল কি? যদি হয়েছিল, প্ৰকল্প হিসাবে বরাদ্ধকৃত টাকা কত ছিল?

(গ) করিমগঞ্জ জিলায় নতুন বছরে কোন প্ৰকল্প নেওয়া হবে কি?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (মীন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মাছ উৎপাদন বৃদ্ধিৰ কাৰণে অসম চৰকাৰে তলত উল্লেখ কৰা প্ৰকল্প সমূহ গ্ৰহণ কৰিছে ঃ

(১) জিলা ভিত্তিক মীন পালন উন্নয়ন সন্থাৰ জৰিয়তে পুখুৰীত মাছ উৎপাদন (Centrally Sponsered Scheme)

(২) বিশ্ব বেংক (ARIASP)ৰ সাহাৰ্য্যত ব্যক্তিগত আৰু সামাজিক পুখুৰী উন্নয়ন, মীন পালকৰ প্ৰশিক্ষন আৰু মীন পালকৰ পুখুৰীত প্ৰদৰ্শনীমূলক প্ৰকল্প।

(খ) হয় গ্ৰহণ কৰা হৈছিল। কৰিমগঞ্জ জিলাত মাছ উৎপাদন বৃদ্ধিৰ কাৰণে ২০০১-০২ আৰু ২০০২-০৩ বৰ্ষত ওপৰত উল্লেখ কৰা প্ৰকল্প সমূহ গ্ৰহণ কৰা হৈছিল। বছৰ আৰু প্ৰকল্প অনুসাৰে ধাৰ্য্যে কৰা টকাৰ পৰিমান তলত দেখুওৱা হৈছে ঃ

(১) মীন পালক উন্নয়ন সংস্থাৰ জৰিয়তে পুখুৰীত মাছ উৎপাদন ঃ

| | | |
|---|---|---|
| ২০০১ - ০২ | - | ১,৫২৫ লাখ টকা। |
| ২০০২ - ০৩ | - | - |

(২) বিশ্ব বেংক প্ৰকল্প (ARIASP)

| প্ৰকল্প | ২০০১-০২ | ২০০২-০৩ |
|---|---|---|
| ব্যক্তিগত পুখুৰী উন্নয়ন | ১১,৪২ লাখ টকা | - |
| সামাজিক পুখুখী উন্নয়ন | ৯,৯৬ লাখ টকা | - |
| মীন পালক প্ৰশিক্ষণ | ০,৯২ লাখ টকা | ০,০৬ লাখ টকা |
| প্ৰদৰ্শনীমূলক প্ৰকল্প | ০.৭১ লাখ টকা | ২.৪৬ লাখ টকা |

(গ) হয়। চলিত বছৰত (২০০৩-২০০৪) কৰিমগঞ্জ জিলাত গ্ৰহণ কৰা প্ৰকল্প সমূহ হৈছে ঃ

(১) মীন পালক উন্নয়ন সংস্থাৰ জৰিয়তে পুখুৰীত মাছ উৎপাদন (Centrally Sponsered Scheme)

(২) Savings-cum-Relief Scheme for fishermen.

(৩) পৰিত্যক্ত জলাশয় উন্নয়ন (Centrally Sponsered Scheme)

(৪) জলাশয় জৰীপ (Centrally Sponsered Scheme)

## বিষয় ঃ গৃহহীন পৰিয়াল।

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

* ১০৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত জুন, জুলাই ২০০৩ ৰ বানপানীত কিমান মানুহৰ মৃত্যু হ'ল? কিমান পৰিয়াল গৃহহীন হ'ল?

(খ) কিমান হে'ৰ মাটিৰ খেতি নষ্ট হ'ল?

(গ) কিমান গৰু, মহ'ৰ মৃত্যু হ'ল?

(ঘ) এতিয়ালৈকে চৰকাৰে সাহাৰ্য্য কিমান দিছে?

(ঙ) কেন্দ্ৰীয় চৰকাৰৰ পৰা কিমান সাহাৰ্য্য পাইছে?

(চ) বৰপেটা জিলাৰ কিমানখন গাওঁ/চৰ-চাপৰি বানপানীতৰ কবলত পৰি সম্পূৰ্ণ ধ্বংসপ্ৰাপ্ত হ'ল? (বিতং জিলা ভিত্তিত আৰু সমষ্টি ভিত্তিত দাখিল কৰিব)

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী যয়ে উত্তৰ দিছে ঃ**

(ক) এইবাৰ বানপানীত গোটেই অসমত ৩০ জন লোকৰ মৃতু হয় আৰু ৩,৬৪৫ টা পৰিয়াল গৃহহীন হয়।

(খ) ২,১৩,১৮৪ হে'ৰ মাটিৰ খেতি নষ্ট হয়।

(গ) মুঠ ৯২ টা গৰু, ম'হৰ মৃত্যু হয়।

(ঘ) এতিয়ালৈকে চৰকাৰে গোটেই অসমত চাউল ৪৫,৮৮০ কুইন্টল, দালি ২,৯০৪ কুইন্টল নিমখ ১,২৬৭ কুইন্টল আৰু চিৰা ৫৫ কুইন্টল সাহাৰ্য্য দিছে।

(ঙ) কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰাকৃতিক দুৰ্যোগ সাহাৰ্য্য পুঁজিৰ শিতানত ২০০৩-২০০৪ বিত্তীয় বৰ্ষত ৪৪০৬ লাখ টকা সাহাৰ্য্য পোৱা হৈছে।

(চ) বৰপেটা জিলাত এইবাৰ বানত কোনো গাওঁ বা চৰ-চাপৰি সম্পূৰ্ণভাবে ধ্বংসপ্ৰাপ্ত হোৱা নাই।

## বিষয় ঃ গাওঁ পঞ্চায়ত সমবায় সমিতিৰ নিৰ্ব্বাচন।

**শ্ৰী বুবুল দসে সুধিছে ঃ**

* ১০৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ জিলাত বৰ্তমান মুঠ কিমানখন গাওঁ পঞ্চায়ত সমবায় সমিতিৰ নিৰ্বাচন অনুস্থিত হ'ল? (নিৰ্বাচিত সভাপতি, উপ-সভাপতি সকলৰ নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) এই গাওঁ পঞ্চায়ত সমবায় সমিতিৰ কিমানখন নিৰ্বাচন অনুস্থিত কৰিবলৈ বাকী থাকিল। (নামৰ তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) বৰ্তমান চৰকাৰে মৰিগাওঁ জিলাৰ গাওঁ পঞ্চায়ত সমবায় সমিতিৰ যি তদৰ্থ সমিতি গঠন কৰি দিছে তাৰ তালিকা সদনৰ মেজত দাখিল কৰিবনে?

(ঘ) পূব উত্তৰ খোলা তেতেলিয়া সমবায় সমিতিৰ নিৰ্বাচন অনুস্থিত নকৰি তদৰ্থ সমিতি নিয়োগ কৰাটো সঁচানে? তদৰ্থ সমিতিৰ চৰকাৰী Notification ৰ কপি দাখিল কৰিবনে?

(ঙ) তদৰ্থ সমিতিৰ কাৰ্য্যকাল অন্ত হলেই পূব উত্তৰ খোলা তেতেলিয়া সমবায় সমিতিৰ নিৰ্বাচন অনুস্থিত কৰাৰ প্ৰতিশ্ৰুতি দিবনে?

**শ্ৰী মিচবাহুল ইচলাম লস্কৰ (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মৰিগাওঁ জিলাত মুঠ ২৮ খন গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ভিতৰত ১৪ খনৰ নিৰ্বাচন অনুস্থিত হৈছে। (নিৰ্বাচিত সভাপতি, উপ-সভাপতি

সকলৰ নামৰ তালিকা পৰিশিষ্ট '১' ত গাঁঠি দিয়া হ'ল) (See Annexure-V)

৫ খন সমবায় সমিতিৰ কাৰ্য্যকাল ১ বছৰ বাকী থকাৰ বাবে আইনৰ ধাৰা অনুসৰি নিৰ্বাচন অনুস্থিত কৰিবলৈ বাকী আছে, কিন্তু বছেৰেকীয়া সাধাৰণ সভা আইনমতে অনুস্থিত হয়।

(খ) ৯ খন সমবায় সমিতিৰ নিৰ্বাচন অনুস্থিত কৰিবলৈ বাকী থাকিল। ইয়াৰে ৩ খনৰ কাৰ্য্যকাল ৬ মাহৰ বাবে বৃদ্ধি কৰাৰ বিপৰীতে ৫ খনৰ তদৰ্থ সমিতি গঠন কৰি দিয়া হয়। ১ খন সমবায় সমিতিৰ নিৰ্বাচন মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্ম্মে স্থগিত ৰখা হয়। (নামৰ তালিকা পৰিশিষ্ট '২' ত গাঁঠি দিয়া হ'ল।) (See Annexure-VI)

(গ) তদৰ্থ সমিতি গঠন কৰি দিয়া ৫ খন সমবায় সমিতিৰ নামৰ তালিকা পৰিশিষ্ট '৩' ত গাঁঠি দিয়া হ'ল) (See Annexure-VII)

(ঘ) সময়মতে নিৰ্বাচন অনুস্থিত নোহোৱাত তদৰ্থ সমিতি গঠন কৰাটো সঁচা। মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ মৰ্ম্মে ২-৬-২০০৩ তাৰিখৰ মেনো নং GPSS. 39/2000/199 যোগেদি গঠন কৰা তদৰ্থ সমিতি সমবায় সমিতি খনৰ দায়িত্বত আছে। (প্ৰতিলিপি পৰিশিষ্ট '৪' ত গাঁঠি দিয়া হ'ল। (See Annexure-VIII)

(ঙ) অসম সমবায় আইন আৰু গাওঁ পঞ্চায়ত সমবায় সমিতিৰ উপবিধি অনুসৰি সমবায় সমিতি খনৰ নিৰ্বাচন নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত অনুস্থিত কৰিব লাগিব।

## বিষয় ঃ একচনা মাটি।

**শ্ৰী পানীৰাম ৰাভাই সুধিছে ঃ**

* ১০৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আমভেৰ গাওঁৰ ফিলিন্দ্ৰ মাৰাকে উক্ত গাওঁৰে দাগ নং ১০, ১৪, ১৫, ১৯, ২০ আৰু ৩২ ৰ একচনা মাটি তেওঁৰ নামত নামজাৰি কৰিবলৈ চিঠি নং ১১, ৭৯ত ১৮/৬/০৩ দিনা সোণাপুৰ চক্ৰ বিষয়াৰ ওচৰত আবেদন দিয়া বিষয়ত চৰকাৰে অৱগতনে?

(খ) যদি অৱগত, তেন্তে নামজাৰি কৰা হৈছেনে?

(গ) যদি হোৱা নাই, কিয়?

(ঘ) কেতিয়া হব?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰশ্ন নুঠে।

(খ) উপায়ুক্তই দিয়া তথ্যমতে জনা গৈছে যে উক্ত মাটি উত্তৰাধিকাৰী সুত্ৰে নামজাৰি হৈছে?

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

## বিষয় ঃ সমবায় সমিতিৰ সংখ্যা।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

* ১০৭। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বৰ্ত্তমান কিমানখন সমবায় সমিতি আছে?

(খ) এই সমবায় সমিতি সমূহলৈ চৰকাৰে কি কি সামগ্ৰী যোগান ধৰে?

(গ) এই সমবায় সমিতি সমূহৰ কিমানখন সমিতি লাভৰ ঘৰত থাকিবলৈ সক্ষম হৈছে আৰু কিমান খনে লোকচান ভৰি আছে।

(ঘ) এই সমবায় সমিতি সমূহৰ কিমানখনত সম্প্ৰতি নিৰ্বাচন অনুস্থিত কৰা হ'ল আৰু কিমানখন তদৰ্থ ভিত্তিত চলাই থকা হৈছে?

**শ্ৰী মিচবাহুল ইচলাম লস্কৰ (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনত বিভিন্ন পৰ্য্যায়ৰ সৰ্ব্বমুঠ ৮৩০৩ খন সমবায় সমিতি আছে।

(খ) গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহলৈ চৰকাৰৰ তৰফৰ পৰা হিতাধিকাৰীৰ সংখ্যা অনুযায়ী বিভিন্ন চৰকাৰী আঁচনিৰ অধীনত যেনে অনুপূৰ্ণা আৰু অন্ত্যোদয়া, দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা হিতাধিকাৰীৰ বাবে প্ৰয়োজনীয় চাউল আৰু কেৰাচিন তেলৰ আবন্টন দিয়ে।

(গ) উক্ত ৮৩০৩ খন সমবায় ভিতৰত গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সংখ্যা ৭০৭ খন। লাভৰ ঘৰত থাকিবলৈ সক্ষম হোৱা গাওঁ পঞ্চায়ত সমবায় সমিতিৰ সংখ্যা ২৪৯ খন আৰু লোকচান ভৰিব লগা সমিতিৰ সংখ্যা ৪৫৮ খন।

(ঘ) সম্পূৰ্ণ ৮৩০৩ খন সমবায় সমিতিৰ তথ্য দিবলৈ যথেষ্ঠ সময়ৰ দৰকাৰ। সেয়েহে কেৱল গাওঁ পঞ্চায়ত সমবায় সমিতিৰ তথ্য দাখিল কৰা হ'ল। সৰ্বমুঠ ৭০৭ খন গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ভিতৰত ৪৫৮ খন নিৰ্বাচিত সমিতিৰ দ্বাৰা পৰিচালিত। ১০০ খন সমবায় সমিতিয়ে সমবায় আইন অনুসৰি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত সাধাৰণ সভা পাতিব নোৱাৰাৰ বাবে ৫০ খনত বিভাগীয় বিষয়াৰ দ্বাৰা আৰু ৫০ খনত সভ্যৰ দ্বাৰা তদৰ্থ সমিতি গঠন কৰি দিয়া হৈছে। ৭১ খন সমিতিক সমবায় আইনৰ ৯২ ধাৰাৰ অধীনত সময় বঢ়াই দিয়া হৈছে আৰু ৭০ খন সমিতিয়ে বিভিন্ন কাৰণ বশতঃ সময়মতে বাৰ্ষিক সাধাৰণ সভা পাতিব নোৱাৰাত সমবায় আইন অনুযায়ী ব্যৱস্থা লোৱাৰ দিহা কৰা হৈছে। ৮ খন সমবায় সমিতিৰ ক্ষেত্ৰত আদালতত গোচৰ চলি থকাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন পাতিব পৰা হোৱা নাই।

## বিষয় ঃ চৰকাৰী ভূমি।

### শ্ৰী ৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

* ১০৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীৰ ভিতৰত মুঠ কিমান পৰিমাণৰ চৰকাৰী ভূমি আছে?

(খ) যোৱা পাঁচ বছৰত এই চৰকাৰী ভূমি কোনবোৰ অনুষ্ঠান বা ব্যক্তিক আৱন্টন দিয়া হৈছে?

(গ) চৰকাৰী ভূমি আৱন্টন ক্ষেত্ৰত সময়ে সময়ে দুৰ্নীতিৰ অভিযোগ উঠাটো সঁচানে? যদি সঁচা, ইয়াৰ তদন্ত হৈছেনে?

(ঘ) গুৱহাটী মহানগৰীত মাটি বেচা-কিনাৰ ক্ষেত্ৰত চৰকাৰৰ নিয়ন্ত্ৰণ আছেনে? এই মাটিৰ মূল্য নিৰ্ণয়ৰ ক্ষেত্ৰত চৰকাৰৰ কোনো নীতি আছেনে?

(ঙ) যদি আছে, এই নীতি সফল প্ৰয়োগৰ বাবে চৰকাৰে কেনে পদক্ষেপ গ্ৰহণ কৰি আহিছে?

**শ্ৰী মেথিয়াচ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গুৱাহাটী মহানগৰীৰ ভিতৰত মুঠ ৮০ হেজাৰ ৫০০ বিঘা চৰকাৰী মাটি আছে ।

(খ) যোৱা ৫ বছৰত গুৱাহাটী মহানগৰীত চৰকাৰী ভূমি আৱন্টন/পট্টন পোৱা অনুস্থান ও ব্যক্তিৰ তালিকা লগত দিয়া হল।

(গ) চৰকাৰ জ্ঞাত নহয়। নিৰ্দিষ্ট অভিযোগ থাকিলে তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰা হয়।

(ঘ) নাই। পট্টা মাটি বেচা-কিনাৰ আবেদনৰ ওপৰত সংশ্লীষ্ট চক্ৰ বিষয়াই দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত উপায়ুক্ত প্ৰমাণিত হলে উপায়ুক্তই অনুমতি প্ৰদান কৰে। বিক্ৰি কৰিব খোজা মাটিৰ মূল্য নিৰ্ণয়ৰ বাবে উপায়ুক্ত সকলৰ নিৰ্দেশ দিয়া আছে।

(ঙ) নীতি নাই। প্ৰকৃত বজাৰ মূল্যতকৈ কম দামত আৰু উপায়ুক্তৰ অনুমতি নোহোৱাকৈ মাটি বিক্ৰি নকৰিবলৈ সময়ে সময়ে নিৰ্দ্দেশনা দিয়া আছে।

**Sub : Fund of C.R.F. or F.D.R.**

**Shri Karendra Basumatary asked :**

* 109. Will the Minister of Revenue be pleased to state :

(a) Whether the Government is aware of the flood and erosion of Rowta river at Tikritola and Lamabari T.E. as well as many people being of flood affected due to change of course of river Rowta under Mazbat Constituency?

(b) If so, what steps are being taken for rehabilitation of the affected people?

(c) Is Mazbat Constituency deprived of fund allocation under C.R.F. or F.D.R.?

(d) If so, will funds under C.R.F. or F.D.R. be considered?

**Shri Methias Tudu (Minister of Revenue) replied :**

(a) Yes, Rowta river caused erosion at Tikritola and flooded 20 Nos., of villages including Lamabari. The river breached

a bundh and changed its course. The new course of the river have not displaced any family from their home but damaged crops of the flooded area.

(b) No family has been displaced. The question of rehabilitation does not arise.

(c) No.

(d) Funds will be considered if the works qualify to be funded under C.R.F.

**বিষয় ঃ কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা মঞ্জুৰীৰ পৰিমাণ।**

**শ্ৰী গুণীন হাজৰিকাই সুধিছে ঃ**

* ১১০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০২-২০০৩ বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা বাননিয়ন্ত্ৰণৰ বাবে কোন শিতানত কিমান টকা মঞ্জুৰী হৈছিল?

(খ) কিমান টকা ক'ত ক'ত খৰচ হ'ল?

(গ) ব্ৰহ্মপুত্ৰ বৰ্ডে নিজাববীয়াকৈ পোৱা ধন ক'ত ক'ত খৰচ কৰিছে?

**শ্ৰী নুৰজামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০২-২০০৩ বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰে বান নিয়ন্ত্ৰণৰ বাবে তলত উল্লেখিত ধৰণে টকা মঞ্জুৰী দিছিল।

| শিতালৰ নাম | টকাৰ পৰিমাণ |
|---|---|
| 1. 4552-NEC(Non Lapsable Central pool of Resources) | Rs. 2657.00 lakhs |
| 2. 4711-C.O. on FC (Additional Central Assistance) | Rs. 150.00 lakhs |
| 3. 4711-CO on FC (Joint River Commission) | Rs. 26.33 lakhs |
| 4. 4552-NEC (NEC Schemes) | Rs. 100.00 lakhs |

(খ) ২০০২-২০০৩ বৰ্ষত উপৰোক্ত শিতানত মঞ্জুৰী হোৱা টকাৰ ভিতৰত

কেৱল "4552-NEC(Non Lapsable Central pool of Resources)"

শিতানত ২০০৩-২০০৪ বৰ্ষত জুলাই মাহলৈকে ১৯.০০ কোটি টকা পোৱা হৈছে আৰু ইয়াৰ খৰচৰ সবিশেষ পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰা হৈছে। (See Annexure-IX)

(গ) ব্ৰহ্মপুত্ৰ বোৰ্ডে নিজাববীয়াকৈ খৰচ কৰা টকাৰ সবিশেষ পৰিশিষ্ট 'খ'ত সন্নিবিষ্ট কৰা হৈছে। (ব্ৰহ্মপুত্ৰ বোৰ্ডে দিয়া তথ্য অনুসৰি) (See Annexure-X)

## বিষয় ঃ ভূমি ৰাজহ।

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ১১১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰে ভূমি ৰাজহৰ পৰা ২০০২-০৩ বিত্তীয় বৰ্ষত কিমান টকা সংগ্ৰহ কৰিছিল?

(খ) ৰাজ্যখনত চৰকাৰী ভূমি বে-দখল কৰাৰ পৰিমাণ কিমান?

(গ) বে-দখলকাৰীৰ পৰা চৰকাৰী ভূমি মুক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(ঘ) যদিহে কৰিছে, ব্যৱস্থা সমূহ কি কি?

**শ্ৰী মেথিয়াচ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্য চৰকাৰে ২০০২-২০০৩ ইং বিত্তীয় বৰ্ষত চলিত বৰ্ষত আৰু বকেয়া ভূমি ৰাজহ হিচাপে মুঠ ১২,৭৯,৬৮,৬৬৯ (বাৰ কোটি উনাশী লাখ, আঠষষ্ঠী হেজাৰ, ছয় শ উনসত্তৰ টকা) সংগ্ৰহ কৰিছিল।

(খ) ৩,৩০,৭৯৮ (তিনি লাখ ত্ৰিশ হেজাৰ সাতশ আঠানব্বৈ) বিঘা ২ কঠা ১৫ $\frac{১}{২}$ লেচা।

(গ) অসম ভূমি ৰাজহ অধিনিয়ম ১৮৮৬ ৰ দফা ১৮ৰ উপ দফা (২) মতে, বেদখলকাৰীৰ পৰা চৰকাৰী ভূমি মুক্ত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ সময়ে সময়ে কৰি থকা হয়।

(ঘ) উত্তৰ (গ) অংশত দিয়া হৈছে। ইয়াৰ উপৰিও চৰকাৰে জিলা উপায়ুক্তত আৰু মহকুমাধিপতি সকলক ইতিমধ্যে অসম ভূমি ৰাজহ অধিনিয়ম ১৮৮৬ ত সন্নিবিষ্ট, সংশ্লিষ্ট ধাৰা অনুযায়ী সকলো ধৰণৰ বেদখল যেনে - পথ আৰু সংৰক্ষিত ভূমিৰ পৰা উচ্ছেদ কৰিবৰ বাবে সময়ে সময়ে নিৰ্দ্দেশনা দিয়া হৈছে।

## বিষয় ঃ নদী সংযোগ আঁচনি

**শ্ৰী সৰ্বানন্দ সোনোৱালে সুধিছে ঃ**

* ১১২। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কেন্দ্ৰীয় চৰকাৰৰ নদী সংযোগ আঁচনিত অসমৰ জলসম্পদ ৰাজ্যৰ বাহিৰলৈ উলিয়াই নিয়াৰ ক্ষেত্ৰত অসম চৰকাৰৰ স্থিতি কি?

(খ) সদ্য প্লাবিত অসমৰ বানপানীত ৰাজ্যখনৰ ক্ষয় ক্ষতিৰ পৰিমাণ কিমান আৰু বান বিধ্বস্ত জনসাধাৰণক ৰাজ্য চৰকাৰে কেনে ধৰণে সাহাৰ্য্য আগবঢ়াইছে?

(গ) সদ্য প্লাবিত বানপানীত ক্ষতিগ্ৰস্ত হোৱা মৰাণ সমষ্টিৰ ৰিং বান্ধ সমূহ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে কিবা পৰিকল্পনা গ্ৰহণ কৰিছে নেকি?

**শ্ৰী নুৰজামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কেন্দ্ৰীয় চৰকাৰৰ নদী সংযোগ আঁচনিৰ সন্দৰ্ভত বিভিন্ন দিশ অধ্যয়ন কৰি পৰামৰ্শ আগবঢ়াবলৈ অসম চৰকাৰে এখন উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰি দিছে।

(খ) ৰাজহ বিভাগৰ ২২/৭/০৩ তাৰিখৰ Flood Bulletin ৰ পৰা পোৱা তথ্যমতে সদ্য প্লাবিত বানপানীত অসমৰ মুঠ ২২ খন জিলা ক্ষতিগ্ৰস্ত হৈছে। উক্তFlood Bulletin ত উল্লেখ থকা মতে ক্ষয় ক্ষতিৰ পৰিমান এনে ধৰনৰ -

| | | |
|---|---|---|
| গাওঁৰ সংখ্যা | = | ৪৯৬২ খন |
| জন সংখ্যা | = | ৫২,৩৫,০৯২ জন |
| প্লাৱিত মাটি কালিৰ পৰিমাণ | = | ৬,৭৯,৫৮১ হে’ৰ |
| খেতিৰ পথাৰ | = | ২,১৩,১৮৪ হে’ৰ |

| | | |
|---|---|---|
| মানৱ জীৱন হানি | = | ২৭ জন |
| আৱাস গৃহ | = | ৪,৬৬০ টা |

ৰাজ্য চৰকাৰে বান বিধ্বস্ত জনসাধাৰনক তলত দিয়া ধৰনে সাহাৰ্য্য আগবঢ়াইছে।

| | | |
|---|---|---|
| সাহাৰ্য্য শিবিৰ | = | ৪৪৭ টা |
| চাউল বিতৰন | = | ৪৫,৮৮০ কুইন্টল |
| দাইল „ | = | ২,৯০৪ „ |
| নিমখ „ | = | ১,২৬৭ „ |
| চিৰা „ | = | ৫৫ „ |

(গ) সদ্য প্লাৱিত বানপানীত মৰান সমষ্টিৰ অন্তৰ্গত বগীবিল অঞ্চলত থকা চাউলখোৱা ৰিং বান্ধটো দুবৃত্তই কাটি ক্ষতিগ্ৰস্ত কৰে। এই ক্ষতিগ্ৰস্ত বান্ধটোৰ পুনঃনিৰ্মানৰ বাবে F.D.R. শিতানত আঁচনি প্ৰস্তুত কৰা হৈছে।

**Sub : Number of City Buses.**

**Shri Hemanta Talukder asked :**

* 113. Will be Minister of Transport be pleased to State :

(a) What steps have been taken up for plying of adequate numbers of City Buses by creating a circular route from Kacharighat via. Nepali Mandir-Lalganesh, Power House Ganeshquri to Kachari ghat?

(b) When it would be come into force?

**Shri Anjan Dutta (Minister of Transport) replied :**

(a) At present there is no such proposal for creating a circular City Bus Service on the routes in question.

(b) If public demand is received for creating of circular City Bus services in greater Guwahati. The same will be examined and if found viable necessary action will be taken in accordance with the provision of Law.

## বিষয় ঃ বেদখলৰ ঘটনা।

**শ্ৰী ৰাজু চাহুয়ে সুধিছে ঃ**

* ১১৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ সীমামূৰীয়া জিলা কেইখনত চুবুৰীয়া ৰাজ্যৰ পৰা কোনো বেদখলৰ ঘটনা সংঘটিত হৈছে নেকি?

(খ) যদি হৈছে, পৰিস্থিতি চম্ভালিবলৈ চৰকাৰে কেনেধৰণৰ ব্যৱস্থা হাতত লৈছে?

(গ) তিনিচুকীয়া জিলাৰ কোনো অঞ্চলত অৰুণাচল প্ৰদেশৰ সৈতে সংলগ্ন সীমাত অসমৰ মাটিৰ ওপৰত অৰুণাচলৰ মাটিৰ দাবী কৰি কোনো ব্যক্তি বিশেষে বেদখল কৰাৰ কোনো তথ্য চৰকাৰৰ হাতত আছে নেকি?

(ঘ) যদি আছে, তেন্তে অসমৰ অন্যান্য ঠাইতো এনেধৰণৰ বেদখলৰ ঘটনা সমূহৰ ওপৰত চৰকাৰে লোৱা ব্যৱস্থাৱলী সম্পৰ্কে বিস্তৃতভাবে তথ্য সহিত দাখিল কৰিবনে?

**শ্ৰী মেথিয়াচ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হৈছে।

(খ) চুবুৰীয়া ৰাজ্যৰ মুৰবী/ভূমি অধিবৰ্ত্তা আৰু উপায়ুক্ত পৰ্য্যায়লৈ আলোচনা কৰি সীমা বিবাদ নিস্পত্তি কৰিবলৈ চেষ্টা অব্যাহত আছে।

(গ) এনে তথ্য চৰকাৰৰ হাতত নাই।

(ঘ) অসম অৰুণাচল সীমাত থকা আন জিলাতো অৰুণাচলৰ ব্যক্তি বিশেষে অসমৰ মাটি দাবী কৰাৰ তথ্য চৰকাৰৰ হাতত নাই।

## বিষয় ঃ ৰিং বান্ধ নিৰ্মাণ।

**শ্ৰী দিলদাৰ ৰেজ্জাই সুধিছে ঃ**

* ১১৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ বহৰি বাঘবৰ মথাউৰি গড়লা Retirement Bund টোৰ নিৰ্মাণ সম্পূৰ্ণ হৈছেনে?

(খ) বৰ্ত্তমান বছৰৰ বানপানীয়ে উক্ত ৰিটায়াৰমেন্ট বান্ধৰ যথেষ্ট ক্ষতিসাধন কৰাৰ বিষয়ে চৰকাৰ অৱগতনে?

(গ) Retirement Bund টোৰ ক্ষতিগ্ৰস্ত অংশ জৰুৰীভাৱে মেৰামতি/পুনৰ নিৰ্মাণৰ ব্যৱস্থা লবনে?

**শ্ৰী নুৰ জামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) উক্ত Retirement বান্ধটোৰ নিৰ্মাণ কাৰ্য্য প্ৰায় সম্পূৰ্ণ কৰা হৈছে।

(খ) হয়, অৱগত।

(গ) ক্ষতিগ্ৰস্ত অংশবিলাক জৰুৰীভাবে মেৰামতি/পুনৰ নিৰ্মাণৰ বিহিত ব্যৱস্থা কৰি থকা হৈছে।

## বিষয় ঃ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহ।

**ডঃ জয়নাথ শৰ্ম্মাই সুধিছে ঃ**

* ১১৬। মাননীয় ক্ৰীড়া বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে?

(খ) উক্ত ক্ৰীড়া সমাৰোহৰ বাবে স্থান ক'ত নিৰ্ণয় কৰা হৈছে?

(গ) উক্ত ক্ৰীড়া সমাৰোহৰ বাবে অনুমানিক কিমান ধন ব্যয় হব? উক্ত ধন কোন কোন উৎসৰ পৰা সংগ্ৰহ কৰা হব বা আহৰণ কৰা হব?

**শ্ৰী ৰবীন বৰদলৈ (অসমৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ভাৰতীয় অলিম্পিক সন্থাৰ নীতি নিয়ম আৰু নিৰ্দ্দেশাৱলী মতে যথা বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(খ) মূল স্থান ভাৰতীয় অলিম্পিক সন্থাৰ চুক্তি মৰ্মে গুৱাহাটীত নিৰ্ণয় কৰা হৈছে।

(গ) উক্ত ক্ৰীড়া প্ৰতিযোগিতাৰ বাবে সদ্যহতে প্ৰায় ১২৫.০০ কোটি টকাৰ এখন বাজেট তৈয়াৰ কৰা হৈছে। উক্ত টকা তলত উল্লেখ কৰা উৎস সমূহৰ পৰা সংগ্ৰহ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

(১) D O N E R

(২) ভাৰত চৰকাৰৰ পৰিকল্পনা আয়োগ।

(৩) ভাৰত চৰকাৰৰ ক্ৰীড়া মন্ত্ৰনালয়।

(৪) উত্তৰ পুৱ পৰিষদ।

(৫) ৰাজ্যিক পৰিকল্পনা শিতান।

**বিষয় ঃ Circle Officer আৰু SOৰ Posting**

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

* ১১৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২-৪-০৩ৰ তৰাচিহ্নিত প্ৰশ্ন নং ৩৫৫ (Dৰ উত্তৰৰ ভিত্তিত ধুবুৰীত S.O. Posting দিয়াৰ কেনে ব্যৱস্থা কৰ্মচাৰী বিভাগে কৰিছে বা কাক Posting দিছে?

(খ) ধুবুৰী জিলাৰ কোন কোন চাৰ্কোলত Regular Circle Officer নাই?

(গ) Regular Circle অফিচাৰ Posting দিয়াৰ ব্যৱস্থা কেতিয়ালৈ কৰা হব?

(ঘ) অসমৰ কোন কোন Circleত Regular Circle অফিচাৰ নাই? (জিলাভিত্তিক তথ্য দিব)

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসম অসামৰিক সেৱাৰ বিষয়া শ্ৰী আজাদ আলি শ্বেখক ধুবুৰী জিলাৰ বন্দোৱস্তি প্ৰাধিকাৰী (S.O.) হিচাবে নিযুক্তি দিয়া হৈছে।

(খ) ধুবুৰী জিলাৰ দক্ষিণ শালমাৰা, চাপৰ, আগমণি আৰু মানকাছাৰ ৰাজহ চক্ৰত নিয়মীয়া (Regular.) চক্ৰবিষয়া নাই।

(গ) প্ৰয়োজন পূৰণ কৰি অসামৰিক সেৱাৰ বিষয়া কৰ্মচাৰী বিভাগৰ দ্বাৰা প্ৰেৰণ কৰাৰ লগে লগে অসমৰ বিভিন্ন ৰাজহ চক্ৰৰ খালি পদসমূহ পূৰণ কৰাৰ ব্যৱস্থা লোৱা হব।

(ঘ) নিয়মীয়া চক্ৰবিষয়া নথকা চক্ৰসমূহৰ জিলাভিত্তিক তালিকা এখন তলত দিয়া হ'ল।

| **জিলা নিয়মীয়া** | **চক্ৰবিষয়াবিহীন ৰাজহ চক্ৰ** |
|---|---|
| (১) গোৱালপাৰা | (ক) বালিজাৰা (খ) মাটিয়া (গ) দুধনৈ |

| | |
|---|---|
| (২) বঙাইগাওঁ | (ক) লক্ষীপুৰ |
| (৩) ধুবুৰী | (ক) চাউথ-শালমাৰা (খ) চাপৰ<br>(গ) আগমণি (ঘ) মানকাছাৰ |
| (৪) কোকৰাঝাৰ | (ক) গোসাইগাওঁ (খ) ভাউৰাগুৰী<br>(গ) দটোমা |
| (৫) নলবাৰী | (ক) পশ্চিম নলবাৰী (খ) টিহু (গ) ঘগ্রাপাৰ<br>(ঘ) তামোলপুৰ (ঙ) বাস্কা (চ) বৰমা |
| (৬) দৰং | (ক) মঙ্গলদৈ (খ) ওদালগুৰি<br>(গ) খৈৰাবাৰী |
| (৭) লক্ষীমপুৰ | (ক) ঢকুৱাখানা |
| (৮) ধেমাজী | (ক) জোনাই |
| (৯) তিনিচুকীয়া | (ক) শদিয়া |
| (১০) কৰিমগঞ্জ | (ক) কৰিমগঞ্জ |
| (১১) কাছাৰ | (ক) উদাৰবন্দ |
| (১২) হাইলাকান্দি | (ক) কাটলিচেৰা। |

**Sub : Improvement of E & D Embankment.**

**Shri Bimolangshu Roy asked :**

* 118. Will the Minister of Water Resources be pleased to state:

(a) What steps, so far, Govt. has taken to execute the work of sanctioned Schemes for improvement of E & D Embankment from Uttar Krishnapur to Annapurnaghat in the locality?

(b) What is the reason for unusual delay of execution by the contractors? Is the Govt. aware that the safety & security of entire Silchar town is dependant upon this protection work?

(c) Will the Govt. take urgent steps for providing fund for execution of the work?

(d) If so, when? If not, why?

(e) What fund has been provided for flood control work in Brahmaputra Valley and Barak Valley seperately this year?

(f) Will the Govt. name schematic provision of the fund in this financial year?

**Shri Nurjamal Sarkar (Hon'ble Water Resources Minister) replied :**

(a) The Water Resources Deptt. has been taking up all positive steps to execute the sanctioned scheme "Improvement of flood embankment along L/B of river Barak from Uttar Krishnapur to Tarapur (ch. 16780-17250 m and 19946-22740 m)".

(b) The delay is due to non-release of fund by Govt. of India against this ongoing scheme during the last 2 years of 9th plan and till date as this is a Central Sector Seheme.

Yes, the Govt. is aware that the safety and security of entire Silchar Town is dependant upon this protection work.

(c) govt. of Assam has taken all initiatives and efforts for allotment of fund from Govt. of India for execution of the work.

(d) As stated against (C).

(e) The fund provided for the floor control work in Water Resources Deptt. is both Brahmaputra & Barak Valley seperately in this financial year is furnished below :

| Head of account | Fund Provided in Brahmaputra Valley | Fund Provided in Barak Valley |
|---|---|---|
| 1) 2711 M & R | 243.75 (L) | 36.25 (L) |
| 2) 2245 FDR | 467.21 (L) | —— |
| 3) 4552 NLCPR (Allocation this year) | 1683.00 (L) | 217.00 (L) |
| **Total** | **2303.96 (L)** | **253.25 (L)** |

(f) The schematic provision of fund under different head of accounts operated under Water Resources Deptt. for this financial years is furnished below -

| Head of account | Budget provision of fund |
|---|---|
| i) 2711 FC | Rs. 566.85 (L) |
| ii) 4711 Co. on FC | Rs. 800.00 (L) |
| iii) 4711 Co. on FC IV C.S.S. | Rs. 4650.00 (L) |
| iv) 4552 NEC Scheme | Rs. 453.75 (L) |
| v) 4552 NEC area (NLCPR) | Rs. 3703.00 (L) |

**বিষয় ঃ গৃহহীন আৰু ভূমিহীন লোকৰ সংখ্যা।**

**শ্ৰী ৰাজীৱ লোচন পেগুয়ে সুধিছে ঃ**

* ১১৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আজিৰ তাৰিখলৈকে অসমত কিমান মানুহ গড়া খহনীয়াৰ ফলত গৃহহীন আৰু ভূমিহীন হৈছে?

(খ) মাজুলীত গৃহহীন আৰু ভূমিহীন পৰিয়াল কিমান?

(গ) মাজুলীৰ এই মানুহবোৰক পুনৰ সংস্থাপনৰ কি ব্যৱস্থা এতিয়ালৈকে লৈছে?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) উপাযুক্ত সমূহৰ পৰা পোৱা তথ্যমতে আজিৰ তাৰিখলৈ অসমত ২৩,২৮৪টা পৰিয়াল গড়খহনীয়াৰ ফলত গৃহহীন আৰু ভূমিহীন হৈছে।

(খ) মাজুলী মহকুমাধিপতিৰ পৰা পোৱা তথ্যমতে ৩৫টা পৰিয়াল এই বছৰৰ বানপানী আৰু গড়খহনীয়াত গৃহহীন আৰু ভূমিহীন হৈছে।

(গ) ভূমিহীন আৰু গৃহহীন পৰিয়াল সমূহৰ পুনৰ সংস্থাপনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**বিষয় ঃ মাটিৰ পট্টা।**

**শ্ৰী ৰঞ্জিত দত্তই সুধিছে ঃ**

* ১২০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এতিয়ালৈকে অসমত কিমানজন চাহ মজদুৰ, প্ৰাক্তন চাহ মজদুৰ আৰু আদিবাসী লোকক চৰকাৰে মাটিৰ পট্টা দিছে?

(খ) বিশ্বনাথ মহকুমাৰ বিশ্বনাথ আৰু বিহালী সমষ্টিৰ কিমানজন চাহ মজদুৰ, প্ৰাক্তন চাহ মজদুৰ আৰু আদিবাসী লোকক মাটিৰ পট্টা দিয়া হৈছে? (সমষ্টি ভিত্তিত তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) যদি চাহ মজদুৰ, প্ৰাক্তন চাহ মজদুৰ আৰু আদিবাসী লোকক মাটিৰ পট্টা দিয়া হোৱা নাই তেন্তে এই প্ৰক্ৰিয়া কেতিয়াৰ পৰা আৰম্ভ কৰিব?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) এতিয়ালৈকে অসমত ৯৩,১২৭ জন চাহ মজদুৰ আৰু আদিবাসী লোকক ৯১,৮৪০.৪৮ একৰ চৰকাৰী মাটিৰ আবন্টন আৰু পট্টন দিয়া হৈছে।

(খ) বিশ্বনাথ মহকুমাৰ অন্তৰ্গত বিহালী সমষ্টিৰ ২০৭ জন চাহ মজদুৰ, প্ৰাক্তন চাহ মজদুৰ আৰু আদিবাসী লোকক ৬৯৬ বিঘা ৩ কঠা ১৪ লেচা আৰু বিশ্বনাথ সমষ্টিৰ ১৭৭ জন চাহ মজদুৰ, প্ৰাক্তন চাহ মজদুৰ আৰু আদিবাসী লোকক ৬১১ বিঘা ২ কঠা ১৪ লেচা মাটিৰ পট্টা দিয়া হৈছে। সদনৰ মজিয়াত তালিকা দাখিল কৰা হ'ল।

(গ) প্ৰশ্ন নুঠে।

## Sub : Patharkandi F.C. Sub-Division.

**Shri Manilal Gowala asked :**

* 121. Will the Minister of Water Resources be pleased to state:

(a) Whether the Govt. have received plan & estimates to repair the breaches of F.C. embankments occurred in 2002 under Patharkandi F.C. Sub-Division of Karimganj F.C.Division?

(b) If so, why the Government have not taken steps to repair the breaches although steps for repairing of breaches have been taken elsewhere?

(c) Would the Government sanction adequate amount to repair those breaches shortly?

**Shri Nurjamal Sarkar (Water Resources Minister) replied :**

(a) Yes, Water Resources Deptt. has received plan and estimate for repairing of breaches occurred during the flood of 2002.

(b) The Water Resources Deptt. will take up the repair of breaches after receipt of sanction of the F.D.R. schemes from Revenue Deptt.

(c) Sanction from Revenue Deptt. to the 4 (four) Nos. of F.D.R. schemes is awaited.

## বিষয় ঃ Ad-hoc কমিটি।

**শ্রী ছিদ্দিক আহমেদে সুধিছে ঃ**

* ১২২। মাননীয় সমবায় বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলায় কতটি Co-operative Society তে Ad-hoc কমিটি দেওয়া হয়েছে এবং Co-operative Society গুলির নাম কি কি?

(খ) কি কারণে Ad-hoc কমিটি দেওয়া হয়েছে? Ad-hoc কমিটি গুলির মিয়াদ কতদিন থাকবে?

(গ) জাত-কাপন Co-operative Society তে Election হওয়ার-২ দিন পূর্বে একটি order দিয়ে Election বন্ধ করে দেওয়ার কারন কি? জাত কাপন Co-operative Society তে Ad-hoc Committee দেওয়া হয়েছে কি?

(ঘ) যদি দেওয়া হয়েছে Election দেওয়ার কারন কি?

**শ্রী মিসবাহুল ইসলাম লস্কৰ (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কৰিমগঞ্জ জিলাত ১৪ গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি, ১খন পাইকাৰী গ্ৰাহক সমবায় সমিতি, ১খন মীন সমবায় সমিতি আৰু ১খন মহিলা সমবায় সমিতিত তদৰ্থ কমিটি গঠন কৰি দিয়া হৈছে। সমিতিৰ নামৰ তালিকা পৰিশিষ্ট "ক"ত দিয়া হল।

(খ) মুখ্যত সমবায় আইন অনুসৰি নিৰ্দ্ধাৰিত সময় সীমাৰ ভিতৰত সাধাৰণ সভা নপতাৰ কাৰণে তদৰ্থ কমিটি গঠন কৰি দিয়া হৈছে। তদৰ্থ কমিটিৰ ম্যাদ পৰিশিষ্ট "ক"ত উল্লেখ কৰা হল। (See Annexure-X)

(গ) জাত কাপন সমবায় সমিতিত সাধাৰণ সভা/নিৰ্বাচন যোৱা ইং ২৯-৫-২০০৩ তাৰিখত স্থিৰ কৰা হৈছিল যদিও তদৰ্থ কমিটিৰ সভাপতিয়ে সেই তাৰিখত সভা অনুস্থিত কৰাৰ পৰিবৰ্ত্তে পুনৰ সময় বিচাৰে। নিৰ্দ্দিষ্ট দিনৰ ভিতৰত সভাখন অনুস্থিত কৰিব নোৱাৰাৰ বাবে তদৰ্থ কমিটি খন অসম সমবায় আইনৰ ধাৰামতে ভংগ কৰি দিয়া হয়।

জাত কাপন সমবায় সমিতিত তদৰ্থ কমিটি দিয়া হৈছে।

(ঘ) অসম সমবায় আইন ১৯৪৯ ৩২(৬) ধাৰামতে পঞ্জীয়কে গঠন কৰি দিয়া তদৰ্থ কমিটি গঠন হোৱাৰ ৯০ দিনৰ ভিতৰত সাধাৰণ সভা পতাটো বাধ্যতামূলক। সেই মৰ্ম্মে ৩/৭/২০০৩ তাৰিখত গঠিত হোৱা তদৰ্থ কমিটিয়ে বিধিমতে সাধাৰণ সভা পাতিব লাগিব।

**বিষয় ঃ বহুমুখী মহিলা সমবায় সমিতি।**

**শ্ৰী বুবুল দাসে সুধিছে ঃ**

* ১২৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ জিলাত মুঠ কিমানখন গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ বহুমুখী মহিলা

সমবায় সমিতি আছে? প্ৰতিখন গাওঁ পঞ্চায়ত বহুমুখী মহিলা সমিতিৰ সভানেত্ৰীও সম্পাদিকাৰ নামৰ তালিকা (বিগত ২ বছৰ কাৰ্য্যকালৰ) দাখিল কৰিবনে?

(খ) বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালত পতা পঞ্চায়ত নিৰ্বাচনত ভাগ লবলৈ বহুমুখী মহিলা সমিতিৰ সভানেত্ৰী/সম্পাদিকাই পদ ইস্তফা দিছিল নেকি? যদি দিছিল কোন কোন বহুমুখী মহিলা সমিতিৰ সম্পাদিকাই পদ ইস্তফা দিছিল? তেওঁলোকৰ নামৰ তালিকা দাখিল কৰিব।

(গ) সম্পাদিকাৰ পদ ইস্তফা দি গাওঁ পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থী হিচাবে ভাগ লোৱা সকলৰ পদ ইস্তফা গ্ৰহণ কৰি দায়িত্বৰ পৰা অব্যাহতি দিয়া হলনে?

(ঘ) যদি দায়িত্বৰ পৰা অব্যাহতি দিয়া নাই, কিয় দিয়া নাই?

**শ্ৰী মিস্‌বাহুল ইসলাম (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মৰিগাওঁ জিলাত মুঠ ৮৫ খন গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ বহুমুখী মহিলা সমবায় সমিতি আছে। (সভানেত্ৰীও সম্পাদিকাৰ নামৰ তালিকা পৰিশিষ্ট "১"ত সদনৰ মেজত ৰখা হল)

(খ) বহুমুখী মহিলা সমবায় সমিতিৰ উপবিধি অনুসৰি ইস্তফা পত্ৰ কাৰ্য্যকৰী সমিতিৰ আগতহে দাখিল কৰিব লাগে আৰু ইস্তফা গ্ৰহণ কৰণৰ অধিকাৰো কাৰ্য্যকৰী সমিতিৰ ওপৰতেই ন্যস্ত। চৰকাৰ এই বিষয়ত অৱগত নহয়।

(গ) বিষয়টো যিহেতু কাৰ্য্যকৰী সমিতিৰ আওতাত পৰে গতিকে মন্তব্য দিব পৰা নাযায়।

(ঘ) মন্তব্য নিস্প্ৰয়োজন।

## বিষয় ঃ ৰূপিত মাটি।

**শ্ৰী পানীৰাম ৰাভাই সুধিছে ঃ**

* ১২৪। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ কামৰূপ জিলাৰ ৰামপুৰ মৌজাৰ অন্তৰ্গত তেজপুৰ গাওঁৰ

শ্ৰীযুত ৰমণী কান্ত কলিতাই তেওঁৰ ৰূপিত মাটি, পুখুৰীৰ মাটি আৰু গছ-গছনি থকা মাটি ৰেল বিভাগে ৰেল লাইন সম্প্ৰসাৰণৰ নামত অধিগ্ৰহণ কৰা মাটিৰ বাবদ ক্ষতিপূৰণ পাবৰ বাবে কৰা আবেদন সম্পৰ্কে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, ক্ষতিপূৰণ দিয়া ব্যৱস্থা কৰিছেনে?

(গ) যদি কৰিছে কেতিয়া দিয়া হ'ব?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মৃত বিনন্দি কলিতাৰ পুত্ৰ শ্ৰী ৰমনী কান্ত কলিতাই ভূমি অধিগ্ৰহণৰ ক্ষতিপূৰণ বিচাৰি দিয়া আবেদন সম্পৰ্কত জ্ঞাত নহয়। কিন্তু শ্ৰী ৰমণী কলিতাই অতিৰিক্ত ক্ষতি পূৰণৰ কাৰণে জিলা উপায়ুক্তৰ ওচৰত আবেদন কৰা সম্পৰ্কত চৰকাৰ জ্ঞাত।

(খ) নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত ৰেফাৰেন্স গোচৰ নিদিয়াত এই আবেদন গ্ৰহণযোগ্য নহয়।

(গ) প্ৰশ্ন নুঠে।

## বিষয় ঃ ক্ৰীড়া উন্নয়ণৰ আঁচনি।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

* ১২৫। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত খেলা-ধূলাৰ উন্নয়ণৰ বাবে চৰকাৰে চলিত বিত্তীয় বছৰত কি কি আঁচনি ৰূপায়ন কৰি আছে?

(খ) চলিত বিত্তীয় বছৰত ৰাজ্যখনৰ খেলা-ধূলাৰ উন্নয়ণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক কিবা আৰ্থিক অনুদান দিছে নে?

(গ) যদি দিছে, ইয়াৰ পৰিমান কিমান?

(ঘ) চলিত বিত্তীয় বছৰত চৰকাৰে ৰাজ্যখনৰ কিমানটা খেল অনুষ্ঠানলৈ খেলৰ সামগ্ৰী যোগান ধৰিলে? (অনুগ্ৰহ কৰি নাম ঠিকনা দিব)

**শ্রী ৰবীন বৰদলৈ (ক্রীড়া আৰু যুৱ কল্যাণ বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনত খেলা-ধুলাৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে ক্রীড়া বিভাগৰ জৰিয়তে তলত উল্লেখিত আঁচনি কেইটা ৰূপায়ণ কৰি থকা হৈছে।

(১) জিলা আৰু ৰাজ্যিক ভিত্তীয় খেলা-ধূলাৰ প্রতিযোগীতাৰ ব্যৱস্থা কৰা হৈছে।

(২) ভাৰতীয় স্কুল ক্রীড়া প্রতিযোগিতাত (National School Games) ৰাজ্যিক দলৰ অংশ গ্রহণ।

(৩) বিভিন্ন অনুষ্ঠানলৈ ক্রীড়া সামগ্রী (Sports Goods) বিতৰণ।

(৪) বিভিন্ন খেলৰ প্রতিযোগিতাৰ অর্থে অনুষ্ঠান, প্রতিস্থান আৰু চাৰিওটা স্বায়িত্ব শাসিত পৰিষদলৈ আর্থিক অনুদান আগবঢ়োৱা।

(খ) এতিয়ালৈকে আর্থিক অনুদান পোৱা হোৱা নাই।

(গ) প্রশ্ন নুঠে।

(ঘ) চলিত বিত্তীয় বর্ষত ১৫/৭/০৩ লৈ ৫৯ টা খেল অনুষ্ঠানলৈ খেলৰ সামগ্রী যোগান ধৰা হৈছে। তালিকা সন্নিবিষ্ট কৰা হ'ল। (See Annexure-XI)

**বিষয় ঃ বুঢ়ী দিহিং নদীৰ বান্ধ নির্মাণ।**

**শ্রী ৰামেশ্বৰ তেলীয়ে সুধিছে ঃ**

* ১২৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) জকাই, দিহিংহোলা অঞ্চলত বুঢ়ী দিহিং নদীৰ বান্ধ নির্মাণৰ বাবে কেন্দ্রীয় চৰকাৰে বিত্তীয় অনুমোদন দিয়া কথাটো চৰকাৰৰ অৱগতনে? যদি অৱগত, মুঠ কিমান টকা কেন্দ্রই অনুমোদন জনাইছিল?

(খ) কেন্দ্রীয় অনুমোদিত ধনৰ ত্রিশ শতাংশ ধন মোকলাই দিয়াৰ পাছত বাকী সত্তৰ শতাংশ ধন জলসংম্পদ বিভাগে Utilization Certificate দাখিল কৰিব নোৱাৰাৰ বাবে আজি পর্য্যন্ত বন্ধ হৈ থকা কথাটো সত্যনে?

(গ) যদি সত্য এই সন্দৰ্ভত বিভাগীয় তদন্ত হবনে? যদি হয়, কিমান দিনৰ ভিতৰত হব?

**শ্ৰী নুৰ জামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত নহয়।

(খ) সত্য নহয়।

(গ) (খ)ৰ উত্তৰৰ পৰিপ্ৰেক্ষিতত প্ৰশ্ন নুঠে।

## Sub : Brahmaputra Board.

**Shri Karendra Basumatary asked :**

* 127. Will the Minister of Water Resources be pleased to state :

(a) Whether the Government is aware that the Brahmaputra Board conducted survey on river like Rowta, Dhanshri, Pagla, Pasnoi of Mazbat L.A.C. causing eresion in 2002?

(b) If so, the progress made to sanction fund for the flood affected at Tikritola, Lamabari T.E., Basti Lands etc.?

**Shri Nurjamal Sarkar (Water Resources Minister) replied :**

As per information received from Brahmaputra Board.

(a) Brahmaputra Board not carried out any survey works on rivers like Rowta, Pagla, Pasnoi individually of Mazbat L.A.C. causing erosion in the year 2002. However Board has carried out survey, Investigation for preparation of Master Plan of Dhansiri North. Brahmaputra Board has formulated draft Master Plan of Dhansiri (N) Sub Basin covering catchment area of 955.96 Sq. K.M. The master plan envisages short term and long term measures for flood moderation, drainage and erosion problem caused by the river Dhansiri (N) alongwith other beneficial measures like pisciculture, irrigation in the sub-basin.

(b) Information not available with Brahmaputra Board.

**বিষয় ঃ সমবায় সমিতি লিমিটেডৰ সংখ্যা।**

**শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

* ১২৮। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বৰ্ত্তমান কিমানখন সমবায় সমিতি লিমিটেড আছে?

(খ) নগাওঁ হল চেল কঞ্জুমাৰ্ৰ্চ ক'অপাৰেটিভ নামৰ সমবায় অনুস্থানটিৰ নিৰ্বাচন প্ৰক্ৰিয়া বন্ধ কৰি ৰখা হৈছে নেকি?

(গ) যদিহে বন্ধ কৰি ৰখা হৈছে, অনুগ্ৰহ কৰি কাৰণ সমূহ জনাবনে?

(ঘ) বৰ্ত্তমান এই অনুষ্ঠানটি পৰিচালনা কাৰ দ্বাৰা কৰা হৈছে?

(ঙ) ২০০০-২০০১, ০১-০২ আৰু ০২-০৩ বিত্তীয় বৰ্ষত উক্ত সমবায়খনে কিমান টকাৰ লাভ অথবা লোকচান কৰিছিল?

(চ) উক্ত সমবায় সমিতিখনৰ নিৰ্বাচন কেতিয়াকৈ অনুস্থিত কৰা হব?

**শ্ৰী মিস্‌বাহুল ইসলাম লস্কৰ (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনত বৰ্ত্তমান মুঠ ৮৩০৩ খন সমবায় সমিতি আছে।

(খ) বন্ধ কৰি ৰখা হোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

(ঘ) অনুষ্ঠানটি চৰকাৰৰ দ্বাৰা নিয়োজিত তদৰ্থ কমিটিৰ দ্বাৰা পৰিচালিত হৈ আছে।

(ঙ) সমবায়খনৰ লাভ লোকচানৰ হিচাব তলত দিয়া হ'ল -

২০০০-০১ মুঠ ১,৫৯,০১১.৪৭ টকা লোকচান
২০০১-০২ মুঠ ৮২,৫৭৯.০০ টকা লাভ
২০০২-০৩ মুঠ ২,২৩,১৪৭.০০ টকা লাভ

(চ) উক্ত সমবায় সমিতি খনৰ সাধাৰণ সভা ১০-০৭-২০০৩ তাৰিখৰ নিৰ্দ্দেশমৰ্মে ৯০ দিনৰ ভিতৰত অনুস্থিত কৰিব লাগিব।

## Sub : City Buses on Route No. 13.

**Shri Hemanta Talukder asked :**

* 129. Will the Minister of Transport be pleased to state :

When regular and timely running of adequate numbers of City buses on Route No. 13 will be ensured?

**Shri Anjan Dutta (Minister of Transport) replied :**

Approximately 20 numbers of Mini City Buses are regularly plying on route No.13. Considering the demand 20 Nos. of City Buses on that road are not fully adequate. But the road condition does not permit plying of more buses on that road. Therefore arrangement is made for plying 10 seater Truckker Vehicles on that road for benefit of the commutters.

## বিষয় ঃ মাটিৰ পট্টা।

**শ্ৰী সৰ্বানন্দ সোনোৱালে সুধিছে ঃ**

* ১৩০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) স্বাধীনতাৰ ৫৫ বছৰ পৰ্য্যন্ত অসমৰ ভূমিপুত্ৰ সকলে মাটিৰ ম্যাদী পট্টা নোপাৱাৰ কাৰণ কি আৰু এই সম্পৰ্কত বৰ্ত্তমান চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে সবিশেষ জনাবনে?

(খ) অসমত ক্ষুদ্ৰ চাহ খেতিয়ক সকলক মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত বৰ্ত্তমান চৰকাৰে কেনে ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) চাহ বাগিচা খুলিবৰ বাবে চৰকাৰে লীজত দিয়া মাটি সাধাৰণ ম্যাদী মাটিলৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(ঘ) অসম চিকিৎসা মহাবিদ্যালয়ৰ বেদখলীকৃত মাটি বেদখল মুক্ত কৰাৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(ঙ) অসমৰ চাহ বাগিচাৰ মাটি মালিক পক্ষই খণ্ড বিখণ্ড কৰি বিক্ৰি কৰাৰ ক্ষেত্ৰত চৰকাৰে অনুমোদন প্ৰদান কৰিছে নেকি আৰু যদি অনুমোদন

জনোৱা নাই, চাহ বাগিচাৰ মালিক পক্ষই কৰা এনে কাৰ্য্যত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী মেথিয়াচ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত ১৮৮৬ চনৰ অসম ভূমি আৰু ৰাজহ আইন অনুসৰি আৰু উক্ত আইনৰ আধাৰত দিয়া চৰকাৰী নিৰ্দ্দেশ অনুযায়ী অসমত বাস কৰা ভাৰতীয় নাগৰিকক মাটিৰ পট্টা দি থকা হৈছে। "ভূমি পুত্ৰ" বুলি ভূমি সম্পৰ্কীয় আইনত কোনো সংজ্ঞা নাই।

(খ) ১৯৯৮ চনৰ ভূমি নীতি মতে ক্ষুদ্ৰ চাহ খেতিৰ বাবে ব্যক্তিগত ভাবে সৰ্ব্বোচ্চ ৪ হেক্টৰ আৰু পঞ্জীয়ন ভূক্ত সমবায় সমিটিলৈ সভ্যৰ সংখ্যা অনুপাতে উক্ত হাৰত মাটি আৱন্টন/পট্টনৰ ব্যৱস্থা আছে।

(গ) বৃটিচ চৰকাৰৰ দিনত চাহ খেতি কৰিবলৈ বিভিন্ন গ্ৰান্ট ৰুলৰ জৰিয়তে মাটি লীজত দিয়ৰ প্ৰথা আছিল। এই গ্ৰান্ট সমূহৰ লীজৰ ম্যাদ ইতিমধ্যে সমাপ্ত হৈছে। যিবোৰ গ্ৰান্টৰ মাটি এতিয়াও চাহ খেতিৰ বাবে ব্যৱহাৰ হৈ আছে সেইবোৰ মাটি চাহ ম্যাদী পট্টালৈ আৰু যিবোৰ মাটি চাহ খেতি হিচাবে ব্যৱহাৰ হোৱা নাই সেইবোৰ সাধাৰণ খেৰাজ ম্যাদী পট্টালৈ ৰূপান্তৰ কৰিবালৈ নিৰ্দ্দেশ দিয়া হৈছে।

(ঘ) যোৱা ৮-৪-২০০৩ তাৰিখে অবৈধ ভাবে অসম চিকিৎসা মহাবিদ্যালয়ৰ মাটি বেদখল কৰি থকা লোক সকলক উচ্ছেদ কৰা হৈছে বুলি উপায়ুক্তই জনাইছে।

(ঙ) তেনে কোনো অনুমতি চৰকাৰৰ পৰা দিয়াৰ তথ্য সদ্যহতে চৰকাৰৰ হাতত নাই। তেনে তথ্য উপায়ুক্ত সকলৰ হাতত থাকিলে চৰকাকক শীঘ্ৰে জনবলৈ কোৱা হৈছে।

## বিষয় ঃ টিপুক চাহ বাগিচা।

**শ্ৰী ৰাজু চাহুয়ে সুধিছে ঃ**

* ১৩১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডুমডুমাৰ ওচৰত থকা টিপুক চাহ বাগিচাখন কোন কোম্পানীৰ হয়?

(খ) উক্ত চাহ বাগিচাখন বিক্রি হৈছে নেকি?

(গ) যদি বিক্রি হৈছে, কেইবাৰ হৈছে?

(ঘ) বিক্রিৰ আগতে চৰকাৰৰ অনুমতি লৈছিল নে?

(ঙ) চৰকাৰে বিক্রিৰ বাবে কিমান টকা ৰাজহ হেৰুৱাব লগা হৈছে?

**শ্ৰী মেথিয়াচ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ভূমিলেখ্য নথিমতে টিপুক চাহ বাগিছাখন এৰিয়াবাৰ (ARIABAR) চাহ কোম্পানীৰ হয়।

(খ) উক্ত চাহ বাগিছা অন্য কোনো চাহ কোম্পানীক বিক্রি কৰা বুলি পোৱা এক অভিযোগ সংশ্লিষ্ট উপায়ুক্তৰ পৰ্য্যায়ত পৰীক্ষা কৰি থকা হৈছে।

(গ) উক্ত বাগিছাখনে জিলা প্ৰশাসনৰ অজ্ঞাতে (Darjeeling Plantation India Limited)ক হস্তান্তৰ কৰিছিল আৰু DPIL এৱাৰেন টি লিমিটিড (Warren Tea Limited)ক হস্তান্তৰ কৰিছিল বুলি জনা যায়।

(ঘ) পূৰ্বতে অনুমতি লোৱা নাছিল। এতিয়া তেওঁলোকে যুটীয়া ভাৱে অনুমতিৰ বাবে তিনচুকীয়াৰ উপায়ুক্তক আবেদন জনাইছে আৰু তেওঁলোকৰ আবেদন উপায়ুক্তৰ কাৰ্য্যলয়ত বিবেচনাধীন হৈ আছে।

(ঙ) চৰকাৰে ৰাজহ হেৰুৱাব লগা হোৱা নাই কিয়নো উভয় বাগিছা পক্ষই জিলা কৰ্ত্তৃপক্ষক বিক্ৰীৰ অনুমতিৰ আবেদন জনাইছে আৰু সেই অনুমোদন হলে হস্তান্তৰ পঞ্জীয়নৰ ব্যৱস্থা কৰা হব।

## বিষয় ঃ মহামায়া মন্দিৰ পৰিচালনা কমিটি।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

* ১৩২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চিঠি নং RRO 29/69/163 dt. 6-4-2000 মতে মহামায়া মন্দিৰ (বগৰীবাৰী)ৰ ৭ জনীয়া পৰিচালনা কমিটিখন গঠন কৰা হ'লনে?

(খ) ৬-৪-২০০০ৰ নিৰ্দ্দেশনাৰ বিপৰীতে ৩১ জনীয়া .... কমিটি এখন গঠন কৰি ১১-১২-০২ তাৰিখে উপায়ুক্ত ধুবুৰীয়ে অনুমোদন দিলে, তাৰ বিৰুদ্ধে হাইকোৰ্টত কেছ হ'ল - বৰ্ত্তমান উক্ত কমিটিখন suspension ত আছে সঁচানে?

(গ) (i) মন্দিৰটোৰ তহবিল কিমান দিনৰ পৰা audit কৰা হোৱা নাই আৰু last audit কোন চনত হৈছে?

(ii) Last audit ৰ সময়ত তহবিলত কিমান টকা আছিল আৰু বৰ্ত্তমান কিমান টকা আছে?

**শ্ৰী মেথিয়াছ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হল। উপায়ুক্তই চৰকাৰৰ নিৰ্দ্দেশ আৰু এই সংক্ৰান্তত হোৱা ৰাজহুৱা সভাৰ সিদ্ধান্তৰ সৈতে সঙ্গতি ৰাখি উক্ত কমিটিখন গঠন কৰে।

(খ) সঁচা।

(গ) (i) ১৯৯৯ চনৰ পৰা audit কৰা হোৱা নাই। শেহতীয়াভাৱে যোৱা ২০-১০-২০০০ তাৰিখে ১৯৭৫ চনৰ পৰা ১৯৯৮ চনৰ বাবে audit আৰম্ভ কৰি ৯-২-২০০১ ত শেষ কৰা হয়।

(ii) শেষত audit ৰ সময়ত (১৯৯৮ চনত) মহামায়া ধামৰ সাধাৰণ তহবিলত মুঠ ৮৯৫০.৮৭ টকা আৰু বিল্ডিং তহবিলত মুঠ ১০,২৩,৮৬৭.৩৩ টকা জমা আছিল। চলিত বছৰৰ জুলাই মাহৰ ৩০ তাৰিখৰ হিচাপ অনুসৰি ধামৰ তহবিলত মুঠ ১২,৭২,৩০০.৪৭ টকা জমা আছে।

## Sub : Plan and estimates for re-construction.

**Shri Manilal Gowala asked :**

* 133. Will the Minister of Revenue be pleased to state :

(a) Whether the Government has received plan & estimate for the reconstructions of the Dilapidating Circle Office Building of Patharkandi Circle, Karimganj district?

(b) If so, whether the sanction has been accorded in consistance with the assurance given in the last Assembly Session?

**Shri Methius Tudu (Minister of Revenue) replied :**

(a) Yes.

(b) There is no budget provision to accommodate the estimate

as received from P.W. Department. However the scheme can be considered under CRF as damages have been caused by floods for which the Deputy Commissioner has been instructed to submit scheme.

## বিষয় ঃ চরকারী ভূমিত বসবাস।

**শ্রী চিদ্দিক আহমেদে জিজ্ঞাসা করেছেন ঃ**

* ১৩৪। মাননীয় রাজহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলার নিলাম বাজার সার্কেলের অধিনে এরালিগুলও বিনোদিনী গাওঁ পঞ্চায়েত অঞ্চলে কত বিঘা সরকারী খাঁশ জমিতে বিনা পাট্টায় মানুষ বসবাস করে আছেন? কত বৎসর থেকে বসবাস করছেন?

(খ) বসবাসকারী মানুসের সরকারী পট্টাও খাজনা লওয়ার ব্যৱস্থা করা হয়েছে কি? যদি হয়েছে, কত ইংরেজী থেকে লওয়া হবে?

**শ্রী মেথিয়াচ টুডু (রাজহ বিভাগের মন্ত্রী)য়ে উত্তর দিয়েছেন ঃ**

(ক) করিমগঞ্জ জিলার বিনোদনী গ্রাম পঞ্চায়েতের অন্তর্গত বিনোদিনী গ্রামে ৬৫০ বিঘা চিলিং চরকারী জমিতে ১৫০ টা পরিবার বিনা পাট্টায় বাসবাস করে আছেন। এরালিগুল নামে কোনো গ্রাম পঞ্চায়েত নেই। বান্দরকোনা গ্রাম পঞ্চায়েতের অন্তর্গত এরালিগুল গ্রামে ১৪৪৫ বিঘা চিলিং চরকারী জমিতে ৫৫০ টি পরিবার বিনা পট্টাই বসবাস করে থাকার প্রতিবেদন মর্মে জানা যায়। এই লোকগোল কত বৎসর থেকে বসবাস করে আছেন, স্বজমিনে উপায়ুক্তই তদন্ত করার পরে জানাইবেন।

(খ) ব্যাবস্থা করা হয়েছেনা। ভূমিনীতি মর্মে ব্যবস্থা গ্রহণ করা হবে।

## বিষয় ঃ বুঢ়ী দিহিং নদীৰ গড়াখহনীয়া ৰোধ।

**শ্ৰী ৰামেশ্বৰ তেলীয়ে সুধিছে ঃ**

* ১৩৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) দুলিয়াজান সমষ্টিৰ অন্তৰ্গত ২নং মৌমাৰী গাঁৱৰ ওচৰত বুঢ়ী দিহিং নদীৰ গড়াখহনীয়া ৰোধৰ বাবে দিয়া বান্ধৰ একেবাৰে কামৰ পৰা বন বিভাগে আৱন্টন দিয়া বালি মহলদাৰে উঠাই লৈ যোৱাটো চৰকাৰৰ অৱগতনে?

(খ) এইদৰে বালি উঠাই লৈ যোৱাৰ ফলত বান্ধটোৰ গাঠনিত বিজুতি ঘটি অদূৰ ভবিষ্যতে এক বৃহৎ অঞ্চল বুঢ়ী দিহিং নদীৰ কবলত পৰাতো নিশ্চিত, এই সন্দৰ্ভত বিভাগে শীঘ্ৰেই বিহিত ব্যৱস্থা গ্ৰহণ কৰিবনে?

(গ) নদী বান্ধৰ এক নিৰ্দিষ্ট দূৰত্বৰ পৰাহে ভৱিষ্যতে বালি উঠোৱা কাৰ্য সম্পাদন কৰাৰ ক্ষেত্ৰত বিভাগে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) ২নং মৌমাৰী গাঁৱৰ নিঃচিহ্ন প্ৰায় বান্ধৰ পুৰ্ণনিৰ্মাণৰ কাম চৰকাৰে গ্ৰহণ কৰিবনে?

**শ্ৰী নুৰ জামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বুঢ়ীদিহিং নদীৰ বান্ধৰ সংৰক্ষিত অঞ্চলৰ বাহিৰৰ পৰাহে বন বিভাগে বালি উঠোৱাৰ বাবে মহলদাৰক আৱন্টন দিয়াটো অৱগত।

(খ) সংৰক্ষিত অঞ্চলৰ বাহিৰৰ পৰা বালি উঠোৱা কাৰ্য্যৰ দ্বাৰা বান্ধৰ কোনো ক্ষয় ক্ষতিৰ আশংকা নাই। গতিকে, বিভাগে বিহিত ব্যৱস্থা গ্ৰহণ কৰাৰ এতিয়ালৈ প্ৰয়োজন হোৱা নাই।

(গ) জলসম্পদ বিভাগে নিদিষ্ট নীতি নিয়মৰ মাজেদি সংৰক্ষিত অঞ্চলৰ বাহিৰৰ পৰাহে বালি উঠোৱা অনুমতি প্ৰদান কৰে।

(ঘ) বিষদ অনুসন্ধান ও জৰীপৰ অন্তত বান্ধৰ পুনঃ নিৰ্মানৰ বিবেচনা কৰা হ'ব।

## বিষয় ঃ গৰাখহনীয়া আৰু বানপানী প্ৰতিৰোধ।

**শ্ৰী বুবুল দাসে সুধিছে ঃ**

* ১৩৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মৰিগাওঁ জিলাৰ মৰিগাওঁ বাননিয়ন্ত্ৰণ সংমণ্ডলৰ অধীনত ২০০১-০২, ২০০২-০৩ বিত্তীয় বৰ্ষত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধ আৰু বানপানী প্ৰতিৰোধৰ বাবে ৰূপায়ণ কৰা আঁচনি সমূহ কি কি? (আঁচনিৰ নাম ধাৰ্য্য কৰা ধনৰ পৰিমাণ ঠিকাদাৰৰ নাম, ঠিকনা ও বৰ্ত্তমানলৈকে খৰছ কৰা ধনৰ প্ৰগতিৰ খতিয়ান দাখিল কৰিব)

(খ) এই আঁচনি সমূহৰ সৰহ সংখ্যকেই আসোঁৱাহ পূৰ্ণ বুলি উঠা অভিযোগ সত্যনে?

(গ) এই আঁচনি সমূহ ৰূপায়ণত ব্যাপক ভাৱে চৰকাৰী ধনৰ অপ-ব্যৱহাৰ হোৱাটো সঁচানে?

(ঘ) চৰকাৰৰ উজ্জ্বল ভাৱমূৰ্ত্তিৰ প্ৰতি লক্ষ্য ৰাখি উক্ত আঁচনি সমূহ ৰূপায়ণৰ ক্ষেত্ৰত ৰাজহুৱা ভাৱে উত্থাপন হোৱা দুৰ্নীতিৰ সদন সমিতিৰ জৰিয়তে তদন্ত কৰোৱাৰ ব্যৱস্থা লবনে?

**শ্ৰী নুৰ জামাল সৰকাৰ (জলসম্পদ বিভাগত মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মৰিগাওঁ জিলাৰ মৰিগাওঁ বাননিয়ন্ত্ৰণ সংমণ্ডলৰ অধীনত ২০০১-০২, ২০০২-০৩ বিত্তীয় বৰ্ষত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ৰাজহ বিভাগৰ অনুমোদন সাপেক্ষে F.D.R. শিতানত ৭ খন আঁচনি ৰূপায়ন কৰা হয়। আঁচনি সমূহৰ নাম পৰিশিষ্ট 'ক'ত সদনৰ মেজত দাখিল কৰা হ'ল।

(ঠিকাদাৰ সকলৰ নাম ঠিকনা আৰু খৰছ কৰা ধনৰ পৰিমান পৰিশিষ্ট 'খ'ত উল্লেখ কৰা হ'ল)

উক্ত দুয়োটা বৰ্ষত বানপানী প্ৰতিৰোধৰ বাবে কোনো আঁচনি মৰিগাওঁ বাননিয়ন্ত্ৰণ সংমণ্ডলে হাতত লোৱা নাই।

(খ) উক্ত অভিযোগ ভিত্তিহীন।

(গ) উক্ত অভিযোগ সঁচা নহয়।

(ঘ) (খ) আৰু (গ) ৰ উত্তৰৰ পৰিপেক্ষিতত প্ৰশ্ন নুঠে।

## বিষয় ঃ বানপানীত ভঙা মথাউৰী আৰু গড়াখহনীয়াৰ সংখ্যা।

**শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ**

* ১৩৭। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বানপানীত ব্ৰহ্মপুত্ৰকে ধৰি ৰাজ্যখনৰ নদী সমূহত থকা কিমানটা মথাউৰী ভাগিল, কিমানটা গড়াখহনীয়া হ'ল?

(খ) এইবোৰ মেৰামতি কৰিবলৈ চৰকাৰে প্ৰাৰম্ভিক ব্যৱস্থা লৈছেনে?

(গ) এইবোৰ মেৰামতি কৰিবলৈ চৰকাৰক কিমান টকাৰ প্ৰয়োজন হব?

(ঘ) এনে মেৰামতিৰ কামৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান বিচৰা হৈছেনে?

**শ্ৰী নুৰ জামাল সৰকাৰ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মুঠ ২১ টা মথাউৰি ২৯ অংশত ভাগিছে আৰু ১৭৯ টা অংশ গড়াখহনীয়াৰ কবলত পৰিছে।

(খ) হয়, লোৱা হৈছে।

(গ) প্ৰায় ২৪৬.৫২ কৌটি টকাৰ প্ৰয়োজন হ'ব।

(ঘ) এতিয়ালৈ এই বিভাগত কোনো তথ্য প্ৰাপ্ত হোৱা নাই।

## বিষয় ঃ অইল ইণ্ডিয়াৰ মাটি অধিগ্ৰহণ।

**শ্ৰী ৰাজু চাহুয়ে সুধিছে ঃ**

* ১৩৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অইল ইণ্ডিয়া, তেল আৰু প্ৰাকৃতিক গেছে অসমত কোন কোন জিলাত তেলৰ খনন কাৰ্য্যৰ বাবদ কিমান মাটি লৈছে? (জিলা ভিত্তিত)

(খ) উক্ত ব্যৱসায়িক মাটিৰ বাবদ কিমান ৰাজহ চৰকাৰে প্ৰতিস্থান দুটাৰ পৰা আদায় কৰিছে?

(গ) বিঘাই প্ৰতি চৰকাৰে কিমান টকা কৰ ধাৰ্য্য কৰিছে?

**শ্ৰী মেথিয়াচ টুডু (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ বৰাক উপত্যকাৰ কাছাৰ, হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাত মুঠ ৫৬৮ বিঘা ৬ কঠা ৬ ছটাক মাটি অইল ইণ্ডিয়া আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগে অধিগ্ৰহণ কৰিছে বুলি সংশ্লিষ্ট উপায়ুক্ত সকলে জনাইছে।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ লক্ষীমপুৰ, যোৰহাট, নগাওঁ, কোকৰাঝাৰ, ডিব্ৰুগড়, শিৱসাগৰ আৰু বঙ্গাইগাওঁ জিলাত মুঠ অধিগৃহীত মাটিৰ পৰিমাণ ৫৩৯২ বিঘা ২ কঠা ৭ লেছা বুলি সংশ্লিষ্ট উপায়ুক্ত সকলে জনাইছে। (জিলা ভিত্তিক তথ্য লগত গাঠি দিয়া হ'ল) (See Annexure-XII) ধেমাজি জিলাৰ উপায়ুক্তৰ পৰা তথ্য পোৱা হোৱা নাই।

বাকীবোৰ জিলাৰ উপায়ুক্ত সকলে অইল ইণ্ডিয়া আৰু তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ বাবে কোনো মাটি অধিগ্ৰহণ হোৱা নাই বুলি প্ৰতিবেদন পঠাইছে।

(খ) উক্ত প্ৰতিস্থান দুটিৰ পৰা ৰাজ্য চৰকাৰে ৰাজহ হিচাবে মুঠ ৫,৭২,৪০,৭৯১.৪৭ টকা আদায় কৰিছে।

(গ) বিঘা প্ৰতি ৰাজহৰ নিৰ্দ্দিষ্ট পৰিমাণ এতিয়াও সম্পূৰ্ণভাবে কাৰ্য্যকৰী হোৱাকৈ ধাৰ্য্য কৰা হোৱা নাই।

এই ৰাজহ সকলো স্থানতে সম পৰিমাণৰ নহয়। মাটিৰ শ্ৰেণী আৰু অৱস্থিতি অনুসাৰে ৰাজহৰ পৰিমাণ ধাৰ্য্য কৰা হয়।

**বিষয় ঃ সমবায়ৰ অংশীদাৰ।**

**শ্ৰী হেমন্ত তালুকদাৰে সুধিছে ঃ**

* ১৩৯। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমবায়ৰ আয় আৰু ব্যয়ৰ খতিয়ান আগৰ পৰা প্ৰতি বছৰে বছৰে শেষ হৈছিল ফলত সমবায়ৰ অংশীদাৰ সকল অতি সহজ আৰু সকলোৰে হিচাপ-নিকাচ বোৰ পাইছিল, কিন্তু বৰ্ত্তমান ১ বছৰৰ সলনি সমবায়ৰ কাৰ্য্যকাল ৩ বছৰ হোৱাত সমবায়ৰ অংশীদাৰ সকলৰ নিকা হিচাপ-নিকাচ লোৱাৰ যথেষ্ঠ অসুবিধা হোৱাটো চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগত, তেনেহলে সমবায়ৰ কাৰ্য্যকাল ৩ (তিনি) বছৰৰ সলনি ১ বছৰ কৰিবৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে?

(গ) যদি লৈছে, কেতিয়ালৈ কাৰ্য্যকৰী হব?

**শ্ৰী মিসবাহুল ইসলাম লস্কৰ (সমবায় বিভাগৰ স্বতন্ত্ৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসুবিধা হোৱাৰ প্ৰশ্ন নুঠে। কাৰণ সমবায় সমিতি সমূহৰ পৰিচালনা সমিতিৰ কাৰ্য্যকাল ১৯৯৭ চনৰ পৰা তিনিবছৰীয়া কৰা হৈছে যদিও পূৰ্বৰ দৰেই প্ৰতি বছৰে অংশীদাৰ সকলৰ সাধাৰণ সভা একোবাৰ অনুষ্ঠিত হয়। ইয়াত সমবায় সমিতি এখনৰ প্ৰতিবছৰৰ কাম কাজৰ খতিয়ান, ব্যৱসায়িক হিচাপ-নিকাচ, আয়-ব্যয়, লাভ-লোকচান আৰু বছৰটোৰ কাৰ্য্যপন্থা সম্পৰ্কে বিতংভাবে আলোচনা কৰি সাধাৰণ সভাৰ অনুমোদন লোৱা হয় আৰু সেই মৰ্ম্মে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰা হয়।

গতিকে কাৰ্য্যকৰী সমিতিৰ কাৰ্য্যকাল তিনিবছৰীয়া হোৱাত সমবায়ৰ অংশীদাৰ সকলে বাৰ্ষিক হিচাপ-নিকাচ নোপোৱা কথাটো সত্য নহয়।

(খ) বৰ্ত্তমান পৰিচালনা সমিতিৰ কাৰ্য্যকাল এবছৰীয়া কৰাৰ কোনো প্ৰস্তাৱ চৰকাৰৰ হাতত নাই।

(গ) প্ৰশ্ন নুঠে।

**Sub : Collection of land revenue.**

**Shri Monilal Gowala asked :**

* 140. Will the Minister of Revenue be pleased to state :

(a) Whether the Government knows that the land revenue of certain tea gardens is not collected due to non-renewal of grant of lease in spite of application made by the managements?

(b) Lease of many tea gardens in Karimganj District have been renewed?

(c) The reason for non-renewal of some tea garends may be stated?

**Shri Methius Tudu (Minister of Revenue) replied :**

(a) Government has not received any such reports from any Deputy Commissioners. Payment of land revenue is not related to renewal of Grants of conversion of Grants as by virtue of Rule 45 framed under Assam Land and Revenue Regulation the grants are permanently heritable. Their rights to inherit the land is not extinguishable so long as they pay the assessed land revenue as required under Section 63 of the AIRR. Otherwise there is provision to take punitive action against the grantee under Section 70 of AIRR.

(b) No lease has been renewed to any tea garden in Karimganj District till date.

(c) As re-settlement operation in the district is not yet completed.

## ZERO HOUR MATTER

**Mr. Speaker :** Question hour is over. I have received as many as 5 Zero Hour Notices for today from the following Hon'ble Members.

1. Sri Hitendra Nath Goswami
   Sri Phani Bhusan Choudhury
   Sri Jagadish Bhuyan
   Dr. Zoii Nath Sarma
2. Sri Hitendra Nath Goswami
   Dr. Zoii Nath Sarma
   Sri Phani Bhusan Choudhury
   Sri Jagadish Bhuyan
3. Sri Gunin Hazarika
4. Sri Pabindra Deka
5. Sri Hitendra Nath Goswami

As per rules, I have selected 3 Zero Hours forraising before the House to-day.

Now, I call upon the Hon'ble Member, Sri Pabindra Nath Deka to use his Zero Hour Motion which was published in "AJI" dated 04.08.2003 under the caption :

"পেটৰ দায়ত আত্মঘাতী হৈছে পলিটেক্সৰ কৰ্মচাৰী"

* **শ্ৰী পবীন্দ্ৰ কুমাৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজিৰ কাকতত প্ৰকাশিত এটি বাতৰি সম্পৰ্কে সদনৰ মনোযোগে আকৰ্ষন কৰিব বিচাৰিছে।

* Speech not corrected

বাতৰিটো হৈছে 'পেটৰ দায়ত আত্মঘাটি হবলৈ ধৰিছে পলিটেক্সৰ কৰ্ম্মচাৰী'। আমাৰ ৰাজ্যখনত থকা ৪৮ টাৰ অধিক নিগমৰ অৱস্থা নাইকিয়া হৈছে। কিছুমান নিগমৰ মৃত্যু ঘন্টা বাজিচে আন কিছুমান স্মশান যাত্ৰা আৰম্ভ হৈছে। কিছুমান অক্সিজেন চেলত আছে। ৪, ৫ বছৰ ধৰি সদনৰ অধিবেশনত ইয়াৰ আলোচনা হৈছে। মই মাননীয় সদনত অসমৰ ৰাজহুৱা খণ্ডৰ নিগম নিকায়ৰ ৪৯০০০ হেজাৰ জন কৰ্ম্মচাৰীৰ উল্লেখ কৰি মাননীয় উদ্যোগ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো। আগৰ অধিবেশনত মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰীয়ে উদ্যোগ নিগম নিকায় পুনৰ সঞ্জীৱীত কৰাৰ কথা কৈছিল। কিন্তু কোনবোৰ সঞ্জীৱীত কৰা হৈছে। ৪৯০০০ হেজাৰ কৰ্ম্মচাৰীৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। সেই অৱস্থাৰ উন্নতি কৰিব লাগিব। তেওঁ কৈছিলে কিছুমান সঞ্জীৱীত কৰিব পৰা যাব আন কিছুমান সঞ্জীৱীত হোৱাৰ আশা নাই। তেখেতে বিষয়টো চাব লাগে। নগাওঁত থকা অসম পলিটেক্স লিমিটেড ধ্বংসৰ মুখলৈ গতি কৰিছে। ইয়াৰ ৫০০ জন কৰ্ম্মচাৰীৰ অৱস্থা আত্মহত্যাৰ বাহিৰে গত্যন্তৰ নোহোৱাৰ অৱস্থা হৈছে। ৰাজ্যত থকা মৃতুমুখী নিগম নিকায় সমূহৰ পুনৰ উজীৱীত কৰাৰ ব্যৱস্থা লব লাগে, সদনৰ অধিবেশনতে এই সম্পৰ্কে সিদ্ধান্ত লোৱাৰ বাবে মই মাননীয় উদ্যোগ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। অসম পলিটেক্স লিমিটেডটো পুনৰ উদ্জীৱীত কৰি ইয়াৰ লগত জৰিত ৫০০ কৰ্মচাৰীক মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰিবলৈ ইয়াৰ লগত বিধায়ককো জৰিত কৰিলে ভাল হয়। বাতৰি কাকতত ওলাইছে এই নিগমটো 'মহাবীৰ জৈন' নামৰ এজনক দি ব্যক্তিগত খণ্ডলৈ নিব। মাননীয় অধ্যক্ষ মহোদয়, 'নাথকুচীৰ' সুতা মিলটোও ব্যক্তিগতকৰন কৰা হৈছিল কিন্তু এই মিলৰ চকা দুদিনমান ঘূৰিয়েই বন্ধ হৈ গল। তাৰ ফলত ৬০০ কৰ্ম্মচাৰীৰ অৱস্থা নাইকীয়া হল। গোটেই বিষয়টো অনিশ্চয়তাৰ মুখলৈ গতি কৰিলে। অসমৰ যিবিলাক ৰাজহুৱা খণ্ডৰ উদ্যোগ নিগম আছে সেই সকলোবো পুনৰ সঞ্জীৱীত কৰাৰ কাৰণে মই উদ্যোগ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**Mr. Speaker :** Hon'ble Minister, Industries.

* **শ্ৰী ভূবনেশ্বৰ কলিতা (উদ্যোগ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ক্ষণ, কালত এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিছে। যোৱা অধিবেশনটো এই বিষয়টো উত্থাপন কৰিছিল। ইতিমধ্যে অসম পলিটেক্সকে ধৰি ৪৯ টা

* Speech not corrected

ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু প্ৰতিষ্ঠান কেইটাৰ যি কেইটা মৃতপ্ৰায় হৈছে সেই কেইটা পুনৰজীৱিত কৰাৰ কাৰণে কমিটি কৰি দিয়া হৈছিল। আকৌ ২৪ আগষ্ট ২০০২ তাৰিখে কাৰ্য্যক্ৰমনিকা অনুসৰি চৰকাৰী বিভাগ সমূহলৈ প্ৰেৰণ কৰা হৈছিল। আৰু বিধায়ক সকলকো দিয়া হৈছিল। ৪৯ টা ৰাহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ যিকেইটা লাভজনক অৱস্থাত আছে তাত ৰিকমেণ্ডেচন দিয়া হৈছিল। পুনৰজীৱিত কৰাৰ কাৰণে যি কেইটা একেবাৰে বেয়া অৱস্থাত আছে বা বন্ধ হৈ গৈছে বিভিন্ন ব্যৱস্থা গ্ৰহণৰ কাৰণে বিভিন্ন বিভাগলৈ প্ৰেৰণ কৰা হৈছিল। এতিয়ালৈকে ১২টা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান পুনৰ জীৱিত হোৱাৰ পথত চলি আছে। অশোক কাগজকলে উৎপাদন আৰম্ভ কৰিছে। ৱৰ্কিং কেপিতেলৰ সমস্যা আছে। অশোক কাগজ কল অসম চুক্তিত আছে। পুনৰ জীৱিত কৰাৰ কাৰণে বিহৃতি ব্যৱস্থা গ্ৰহণ কৰা হৈছে। পৰিবহন নিগমৰ বিষয়ে আলোচনা হৈছে। ওৱেৰ হাউচিং কৰপৰেচন, মাৰ্কেটিং কৰপৰেচনক ব্যৱসায় দিয়াৰ কাৰণে ১২ টা পুনৰ জীৱিত কৰাৰ কাৰণে আগবাঢ়ি আহিছে। কিছুমান ব্যক্তিগত খণ্ডত দিব লগা হৈছে। চলাব নোৱাৰাৰ কাৰণে পুনৰ লিজত দিয়া হৈছে। অসম চিনটে'ক ব্যক্তিগত খণ্ডত দিয়া হৈছে চলাব নোৱাৰাৰ কাৰণে পুনৰ লিজত দিয়া হৈছে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত বাজেটত টকা নথকাৰ কাৰণে পুনৰ জীৱিত কৰাত অসুবিধা হৈছে। এচিয়ান দেভেলপমেন্ট বেংকক সাহায্য আগবঢ়াবৰ কাৰণে যোগাযোগ কৰিছো। কিছু ক্ষেত্ৰত সফল আৰু কিছু ক্ষেত্ৰত ফলপ্ৰসূ হোৱা নাই। ৰাজহুৱা প্ৰতিষ্ঠান বছৰ বছৰ ধৰি যদি লোকচান হৈ থাকে তেন্তে বন্ধ হৈ যাব। যি ধৰণে ১২ টা ৰাজহুৱা খণ্ডৰ ক্ষেত্ৰত সফলতা লাভ কৰিছো তেনেদৰে অন্যান্য বিলাকৰ ক্ষেত্ৰতো কিছু সফলতা লাভ কৰিম।

**Mr. Speaker :** I now call upon Hon'ble Member Shri Gunin Hazarika to raise his Zero Hour Motion which was published in Dainik Janasadharan dated 5-8-03 under the Caption "আলফাৰ ধন দাবীৰ অভিযান জোৰদাৰ কৰাৰ বাবেই ডুমডুমাত ৩ জনক হত্যা।"

* **শ্ৰী গুনীন হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, দৈনিক জনসাধাৰণ কাগজত এটা বাতৰি উলাইছে আলফাৰ ধন দাবীৰ অভিজান জোৰদাৰ কৰাৰ বাবেই ডুমডুমাত ৩ জনক হত্যা। উজনিত ৫৯ কোটি টকাৰ সংগ্ৰহৰ লক্ষ্য। ৰাজ্যত

* Speech not corrected

ধন দাবীৰ আৰম্ভ হোৱা আলফা প্ৰতিষ্ঠা হোৱাৰ লগে লগে হয়। এই অৱস্থাটোৰ অৱসান আমাৰ চৰকাৰৰ দিনত হৈছিল। এই ধন সংগ্ৰহৰ অভিজানৰ লগে লগে ব্যৱসায়ী জনসাধাৰণ আকৌ ক্ষতিগ্ৰস্ত হৈছে। উগ্ৰপন্থী মোকাবিলা কৰাৰ ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি ভঙ্গী কি? উগ্ৰপন্থীৰ ক্ষেত্ৰত লেনিয়েন ভিউ লব লাগে নে নাই এই সম্পৰ্কত স্পষ্ট নিৰ্দ্দেশ নাই। উগ্ৰপন্থীৰ ক্ষেত্ৰত কেনে ধৰণৰ ব্যৱস্থা লব লাগে সেই ধৰণে লোৱা নাই। ৰাতিলৈ মানুহ ঘুৰিব পাৰিছে মাটিৰ দাম বাঢ়িছে ইত্যাদি কথা কৈছে। শান্তি প্ৰতিষ্ঠাৰ ক্ষেত্ৰত উগ্ৰপন্থীৰ লগত মোকাবিলা কৰিব সেই বিষয়ে গৃহ মন্ত্ৰীয়ে জনাব বুলি আশা ৰাখিলো।

* **শ্ৰী ৰকিবুল হুচেইন (ৰাজ্যিক মন্ত্ৰী)** ঃ যোৱা ৩ আগষ্ট তাৰিখে সন্ধিয়া ৭ (সাত) বজাত দুজন সন্দেহযুক্ত আলফা উগ্ৰপন্থী ডুমডুমা থানাৰ অন্তৰ্গত দৈহাজান চাহবাগানৰ ১৫নং লাইনৰ সমীপবৰ্ত্তী ব্যৱসায়ী মহিমা সিঙৰ দোকান ঘৰলৈ আহি নিৰ্বিচাৰে গুলী চলাই উক্ত মহিমা সিঙ (বয়স ৭০ বছৰ) আৰু তেখেতৰ পুত্ৰদ্বয় বদন সিঙ আৰু শৈলেন্দ্ৰ সিংক নিহত কৰে। ঘটনাৰ সংবাদ পাই ততাতৈয়াকৈ আৰক্ষী বিষয়াসকল আৰু সশস্ত্ৰ বাহিনী ঘটনাস্থলীত উপস্থিত হয় আৰু উগ্ৰপন্থীক আটক কৰিবৰ বাবে প্ৰচেষ্টা চলায়।

জানিব পৰা যায় যে ঘটনাৰ প্ৰায় দহদিন মানৰ আগতে ওচৰৰে দৈহা বালিজান গাওঁৰ শ্ৰীবিনোদ নেওঁগ আৰু মনো মৰাণ নামৰ লোক দুজনে নিহত বদন সিঙৰ ওচৰলৈ আহি আলফাৰ এখন দাবীপত্ৰ দেখুৱাই ৫০ হাজাৰ টকা দাবী কৰিছিল। উল্লেখযোগ্য যে বদন সিঙে দুয়োজন লোককে চিনি পাইছিল কিন্তু তেওঁ এই চিঠি বা টকাৰ দাবীৰ বিষয়ে আৰক্ষীকো নজনালেই, নিজৰ পত্নীৰ বাহিৰে পৰিয়ালৰ আন কাকো নজনালে। মহিমা সিঙ আৰু শৈলেন্দ্ৰ সিঙে এই বিষয়ে একা গম নাপালে।

আৰক্ষীয়ে তদন্ত চলাই এতিয়ালৈকে ঘটনাত ব্যৱহৃত মটৰ চাইকেলখন উদ্ধাৰ কৰিছে আৰু ধনন্ত মৰাণ আৰু গুণকান্ত মৰাণ নামৰ দুজন লোকক আটক কৰিছে। মনো মৰাণ আৰু বিনোদ নেওঁগ পলাতক অৱস্থাত আছে।

চলিত বছৰত এতিয়ালৈকে তিনিচুকীয়া জিলাত আলফাৰ দ্বাৰা চাৰিটা অপহৰণৰ ঘটনা সংঘটিত হৈছে। আনহাতে এন,এচ,চি,এন,এ এজন লোকক (পবিত্ৰ হাজাৰী) অপহৰণ কৰি পাচত হত্যা কৰে।

আনহাতে এই সময়ছোৱাত মাৰ্ঘেৰিটা থানা এলেকাৰ ডিবক আৰু মাৰ্ঘেৰিটা চাহ বাগানত আলফাই দাবীপত্ৰ দিয়াৰ কথা আৰক্ষীয়ে জানিবলৈ পায়। ডুমডুমাৰ হিন্দুস্থান লিভাৰৰ পৰাও আলফাই ধন দাবী কৰিছিল।

যোৱা ৩০ জুলাই তাৰিখে আৰক্ষীয়ে তিনি নং কাকজান গাওঁত (ডুমডুমা থানা) বুলন্ত মৰাণ নামৰ এজন আলফাৰ সদস্যক গ্ৰেপ্তাৰ কৰে। তেওঁৰ হাতৰ পৰা আৰক্ষীয়ে আলফাৰ কেইবাখনো দাবীপত্ৰ উদ্ধাৰ কৰে আৰু আলফাৰ ধন সংগ্ৰহ অভিযানৰ অন্য বিছু তথ্য সংগ্ৰহ কৰে। ইয়াৰ পৰা দেখা যায় যে আলফাৰ কিছুমান দলে চাহ বাগানৰ উপৰিও ভিতৰুৱা অঞ্চলৰ সৰু ডাঙৰ ব্যৱসায়ী সকলৰ পৰা ১০ হাজাৰৰ পৰা ২/৩ লাখ পৰ্য্যন্ত টকা দাবী কৰিছিল। তেওঁলোকৰ সৰহভাগেই এই বিষয়ে আৰক্ষীক জনোৱা নাছিল।

অৰুণাচল আৰু ম্যানমাৰৰ শিবিৰ সমূহৰ পৰা আলফাই তিনিচুকীয়া জিলাত বিভিন্ন সময়ত ভালেমান কুটাঘাটমূলক কাৰ্য্যকলাপ চলাই আহিছে। নিৰপত্তা বাহিনীৰ ওপৰতও কেইবাটাও আক্ৰমণ সংঘটিত হৈছে। আনহাতে আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়েও অহৰহ অভিযান চলাই চলিত বছৰত সেই অঞ্চলত ৫ জন আলফা উগ্ৰপন্থীক নিহত আৰু ৩৪ জনক আটক কৰে।

যোৱা দুবছৰে ম্যানমাৰৰ আলফাৰ শিবিৰ সমূহত আৰ্থিক সংকটে দেখা দিয়াৰ পৰিপ্ৰেক্ষিতত যোৱা কেইবামাহো ধৰি আলফাই উজনী অসমত ধন সংগ্ৰহৰ প্ৰচেষ্টা চলাই আছে। কিছু কুটঘাতমূলক কাৰ্য্য আৰু হত্যাকাণ্ড সংঘটিত কৰি সাধাৰণ মানুহৰ মাজত ত্ৰাসৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছে। চৰ্কাৰে ইতিমধ্যে এনে ধন সংগ্ৰহ

**Mr. Speaker** : I now, call upon the Hon'ble Members, Shri Hitendra Nath Goswami, Dr Zoii Nath Sarma, Shri Phani Bhusan Choudhury and Shri Jagadish Bhuyan to raise their Zero Hour Motion which was published in 'Amar Asom' dated 2-8-2003 under the captions -

"খলুৱা প্ৰাৰ্থীৰ যোগ্যতা নাই
ৰেলৰে ব'ৰ্ডৰ অধ্যক্ষৰ আজৱ দাবী"।

Now, Dr. Zoii Nath Sarma to speak.

* Speech not corrected

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো কেন্দ্ৰীয় চৰকাৰৰেই হওক বা ৰাজ্যিক চৰকাৰৰ হওক কিন্তু অসম চৰকাৰৰ নিয়োগ বিভাগত এই কথাটো ওলাই আছে। বাতৰি কাকতত ওলাই আছে যে ১ লাখ দৰ্খাস্ত আছুয়ে দাহ কৰিছে, এই দৰ্খাস্ত বিলাক অসমৰ বাহিৰৰ পৰা আহিছে। এই ১ লাখ দৰ্খাস্ত যদি নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে অহা নাই তেতিয়াহলে কেনেকৈ এই ১ লাখ দৰ্খাস্ত কেনেকৈ ৰেইলওৱে বিভাগত আহিলে সেই বিষয়ে তদন্ত হব লাগে যদি এই দৰ্খাস্ত বিলাক নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে আহিছে তেতিয়াহলে এই ১ লাখ মানুহ অসমৰ বাহিৰৰ পৰা আহি কেনেকৈ তেওঁলোকৰ দৰ্খাস্ত বা নাম ৰেজিষ্টাৰ কৰিলে সেইটো চিন্তা কৰিবলগীয়া। আছুয়ে মোভমেন্ট কৰাৰ পিচতহে এই বিষয়টো চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে কিন্তু তাৰ আগতে কিয় চৰকাৰৰ ফালৰ পৰা একশ্যন লোৱা নহ'ল? গতিকে এই দৰ্খাস্ত বিলাক যদি নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে গৈছে সেইটো সংশিষ্ট অঠোৰিটিয়ে চাব লাগিছিল এই বিষয়টো এটা অতি গুৰুত্বপূৰ্ণ বিষয়, মই আশাকৰো মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়টোৰ সন্ধান লব। ইয়াৰ পাচত আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত হোৱা এম,অ',ইউৰ আন্দাৰষ্টেন্দিং মতে এটা চুক্তি হৈছিল আৰু সেই মতে প্ৰায় তিনিহাজাৰ পোষ্ট এবোলিচ কৰিছে। তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীৰ কিছু পোষ্ট ওলাব এই ক্ষেত্ৰতো যদি অসমৰ বাহিৰৰ মানুহে এই পোষ্ট বিলাকত নিযুক্তি লৈ যায় আৰু অসমৰ স্থানীয় থলুৱা নিবনুৱাই নিযুক্তিৰ পৰা বঞ্চিত হয় তেতিয়াহলে ইয়াৰ স্থানীয় যুবকে নিশ্চয় ক্ষুব্ধ হব। অৱশ্যে এই ১ লাখ দৰ্খাস্ত অসমৰ বাহিৰৰ মানুহৰ পৰা অহা কথাটো কেন্দ্ৰীয় চৰকাৰৰ বিভাগ হলেও আমি সমৰ্থন কৰিব নোৱাৰো আৰু আমাৰ ৰাইজেও সমৰ্থন নকৰে। এই ক্ষেত্ৰত বিভিন্ন মহলত যি প্ৰতিক্ৰিয়া হৈছে সেইটোয়ো আমি বাধা দি ৰাখিব নোৱাৰো। এতিয়া এই ঘটনাৰ পিছত ইয়াৰ পৰিস্থিতিটো কেনেভাবে আগবাঢ়ি গৈ আছে সেইটো চাবলগীয়া হৈছে। এই ক্ষেত্ৰত এইটো মন কৰিব লগীয়া যে চৰকাৰে আজি কালি নিয়ম-নীতি বিলাক নমনা হৈছে আগতে যি কোনো চাকৰিৰ্দ্ধ নিযুক্তিৰ ক্ষেত্ৰত দৰ্খাস্ত কাৰীয়ে নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে আহিব লাগে আৰু সচিবালয়ত চাকৰিৰ নিযুক্তিৰ কাৰণে এ,পি,এচ,চিৰ জৰিয়তে আহিব লাগিছিল

* Speech not corrected

কিন্তু সময় যোৱাৰ লগে লগে এই নিয়ম বিলাক লাহে লাহে নাইকিয়া হৈ গৈছে। মাননীয় সদস্য প্ৰেম বৰা সদনত আছে মাননীয় প্ৰাক্তন সদস্য নগেন বৰুৱাৰ নেতৃত্বত এম্পলয়মেন্ট ৰিভিউ কমিটিৰ এটা ৰিপোৰ্টত উল্লেখ কৰা হৈছে যে শতকৰা ৮০ ভাগ লোক অসমৰ বাহিৰৰ পৰা অহা মানুহে এই নিযুক্তিৰ সুবিধা বিলাক লৈছে। মাননীয় সদস্য বৰা ডাঙৰীয়াও এজন কমিটিৰ সদস্য আছিল। এম্পলয়মেন্ট ৰিভিউ কমিটিয়ে চালি-জাৰি চাই ৰিপোৰ্ট চাবমিট কৰিছিল তাত লিখা হৈছিল শতকৰা ৮০ ভাগ মানুহ অসমৰ বাহিৰৰ লোক। এতিয়া এই ১ লাখ দৰ্খাস্ত বাহিৰৰ পৰা আহিছে কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ কোনো ৰিএকশ্যন দেখা নাই। মোৰ ভাতৃপ্ৰতীম মন্ত্ৰী গৰীকীয়ে দম্ভ কৰি কৈছিল যে এনে ধৰণৰ ব্যৱস্থা হব দিয়া নহব কিন্তু বাস্তবত সেইটো বাধা দিব পাৰিলে নে নাই? মূল প্ৰশ্নটো হ'ল অসমৰ লৰাই অসমত চাকৰি পাব লাগে। সিদিনা এই বিষয়ত উত্থাপন হওতে মই মনে মনে আছিলো চিপাঝাৰত নাপালেও অন্তত জালুকবাৰীয়ে পাওক কিন্তু জলুকবাৰীতো নহ'ল কিন্তু আচৰিত কথা তেওঁৰ ওচৰতে কামাখ্যা গেটৰ ওচৰত ঘটনাটো হ'ল। চৰকাৰৰ হাতত এই ক্ষেত্ৰত ব্যৱস্থা লবলৈ ক্ষমতা নাই নেকি? ৰেইলওৱে জেনেৰেল মেনেজাৰলৈ এখন চিঠি লিখিছে বুলি জানিব পাৰিছো কিন্তু এখন চিঠি লিখিলেই চৰকাৰৰ দায়িত্ব শেষ নহয়, অসমৰ থলুৱা মানুহ যিখিনিক চাকৰি দিব পৰা নাই গতিকেই অসমত কেন্দ্ৰীয় চৰকাৰৰ যদি কোনো বিভাগত চাকৰি ওলাই সেই চাকৰিত অসমৰ মানুহে অগ্ৰাধিকাৰ পাওক, অসমৰ মানুহক অগ্ৰাধিকাৰ দিয়া হওক। কিয়নো আমি জানিব পৰা মতে অসম আন্দোলন প্ৰথম অৱস্থাত আৰম্ভ হৈছিল এই সমস্যাটোকে লৈ, তেতিয়াৰেপৰাই থলুৱা মানুহ বিলাক চাকৰিৰ পৰা বঞ্চিত হৈ আহিছে। পিচলৈ অসম আন্দোলন বৃহৎ আকাৰলৈ ৰূপান্তৰীত হ'ল। আজি ভালেমান দিনৰে পৰা কেন্দ্ৰীয় বিভাগৰ কিছুমান অফিচ অসমলৈ আহিবলৈ আৰম্ভ কৰিছে, এই অফিচ বিলাকত অসমৰ মানুহে নিযুক্তি পোৱা নাই। অন্ততপক্ষে তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীত অসমৰ থলুৱা মানুহ খিনিয়ে নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পাব লাগে। এইবিলাক ক্ষেত্ৰত চৰকাৰে চকু দিছে নে নাই। চৰকাৰৰ এই ক্ষেত্ৰত যিখিনি ক্ষমতা আছে সেই ক্ষমতা প্ৰয়োগ কৰি থলুৱা মানুহ খিনিক নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা আৰম্ভ কৰিব লাগে।

---

* Speech not corrected

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, এটা কথাৰ প্ৰতি চৰকাৰৰ একচন বিচাৰিছো। কেন্দ্ৰীয় চৰকাৰৰ পৰা যিটো ব্যৱস্থা কৰি আছে তাৰ প্ৰতি আমাৰ চৰকাৰে ক্ষমতাৰ এক্সাৰ-চাইজ কৰিব লাগে। এতিয়া সমস্যা হৈছে ফেডাৰেল ষ্টেটাচৰ কথা আমি কৈছিলো। এতিয়া ৰেলওৱে নিজাকৈ বাজেট দাখিল কৰে। ১৯৯৬ চনৰ আগষ্ট মাহত ৰুল এটা কৰা হৈছিল। সেই আইনৰ ওপৰত ভিত্তি কৰি নিয়ম কৰিবলগীয়া হৈছে। সেই চাৰ্কুলাৰৰ ভিত্তিত দৰ্খাস্ত বিলাক এম্পলইমেন্ট এক্সচেঞ্জে ক্লিয়াৰ কৰিব লাগিব এই কথা বিলাক আমাৰ ফালৰ পৰা কৰিব লাগিব। আমাৰ মুখ্যমন্ত্ৰী মহোদয় আৰু উদ্যোগমন্ত্ৰী মাননীয় ভুবনেশ্বৰ কলিতা ডাঙৰীয়াৰ বিবৃতি পঢ়িছো। আমাৰ ইয়াত আটাইতকৈ ডাঙৰ সমস্যা হৈছে নিবনুৱা সমস্যা। উগ্ৰপন্থী সমস্যাতকৈয়ো গভীৰ। ফেডাৰেল ষ্টাকচাৰৰ কথা আহিছে। সকলো বিলাক ক্ষমতাৰ কথা। সকলোকে ক্ষমতা লাগে। আমাৰ ইয়াত দহ বছৰ পিচত নিবনুৱা সমস্যা আৰু যে কি হবগৈ ভাবিবলৈ ভয় লাগে। এতিয়া খেতি কৰা মানুহ কম। এই সমস্যা ইমান ভয়াবহ যে বিশ পচিশ হাজাৰ তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ ভিতৰত মাত্ৰ কেইটামানহে আমাৰ ইয়াত পাব পাৰিব। ৰেলওৱেৰ অধ্যক্ষই প্ৰশ্ন কাকতত কথা কৈছে। কিন্তু বিহাৰত কেনেকৈ পায় সেই কথা বহুতেই জানো। বিহাৰৰ শিক্ষা ব্যৱস্থা আৰু আমাৰ শিক্ষা ব্যৱস্থাৰ মাজত বহুত পাৰ্থক্য। গতিকে এতিয়া মিনিষ্টাৰে বিবৃতি দিয়াৰ লগতে আমাৰ সদনৰ পৰা এটা ভিউ যাব লাগে।

* **শ্ৰী বৃন্দাবন গোস্বামী ঃ** অধ্যক্ষ মহোদয়, এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিষয়। ভাৰতবৰ্ষৰ সংসদত গ্ৰহণ কৰা আইন মতে এই বিলাক কৰিছে। এতিয়া কেন্দ্ৰীয় চৰকাৰে ২৭২০ টা চতুৰ্থ শ্ৰেণীৰ চাকৰি ৰেলওৱেত দিবলৈ ওলাইছে আৰু ইয়াৰ ক্ষেত্ৰত আমাৰ ইয়াৰ থলুৱা লোকৰ নিযুক্তিৰ দাবীত যুৱমঞ্চৰ তৰফৰ পৰা ধৰ্ণা কাৰ্য্যসূচী গ্ৰহণ কৰিছিল। অধ্যক্ষ মহোদয় এই চাকৰি সমূহৰ কাৰণে প্ৰাৰ্থীৰ পৰা ৰেলওৱেৰ তৰফৰ পৰা ২৭ জুন তাৰিখতে আবেদন বিচাৰিছিল। কেৱল চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ চাকৰিৰ কাৰণেহে বিচৰা হৈছিল। প্ৰথম বাৰৰ পিচত আকৌ দ্বিতীয়বাৰৰ কাৰণে আবেদন বিচৰা এই প্ৰক্ৰিয়াত আমাৰ ল'ৰা ছোৱালীয়ে দুইবাৰ পোষ্টেল অৰ্ডাৰ ভৰিবলগীয়া হৈছে। আমাৰ ল'ৰাক নহয় বাহিৰৰ ল'ৰাক সুবিধা দিয়াৰ কাৰণেহে এই ব্যৱস্থা কৰা হৈছে। আজি কাগজত পোৱা মতে উত্তৰ পুব

---

* Speech not corrected

ৰেলপথত খালী হোৱা ২৭২০ টা চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ বাবে আবেদন পত্ৰ দাখিলৰ ক্ষেত্ৰত এই বিতৰ্কৰ সৃষ্টি হয়। যোৱা ২৮ জুনত উঃপুঃ সীঃ ৰেলপথ কতৃপক্ষই জাননী জাৰি কৰিছিল যে অঞ্চলটোৰ পৰা ২৭২০ টা চতুৰ্থ শ্ৰেণীৰ পদ পূৰণ কৰা হব। অষ্টম শ্ৰেণী উৰ্ত্তীণ হোৱা প্ৰাৰ্থীয়ে এই পদৰ কাৰণে আবেদন কৰিব পাৰিব। আবেদনৰ লগত চল্লিশ টকাৰ ইণ্ডিয়ান পোষ্টেল অৰ্ডাৰ গাঁঠি দিব লাগিব। আবেদন পত্ৰ গ্ৰহণ কৰাৰ শেষ দিন ২৮ জুলাই।

জাননী মতে আভিযান্ত্ৰিক বিভাগৰ চতুৰ্থ শ্ৰেণীৰ ট্ৰেকম্যান পদ, তিনিচুকীয়াত ৬৩৬ টা, লামডিঙত ৫৬৪ টা, ৰঙিয়াত ৩০২ টা, আলিপুৰ দুৱাৰত ৩৩৮ টা আৰু কৰিমগঞ্জত ৭৩৫ টা। খালাচী পদ লামডিঙৰ ২০ টা, মালিগাওঁত ১০ টা, আলিপুৰ দুৱাৰত ১৫ টা, ৰঙিয়াত ১৫ টা আৰু কৰিমগঞ্জত ১৫ টা পদ পূৰণ কৰা হব। ৭০ টা সহায়কাৰী পদো পূৰণ কৰা হব।

আবেদন দাখিলৰ তিনিটা দিন পাৰ হোৱাৰ পিচত আবেদন পত্ৰত পৃষ্ঠাত প্ৰাৰ্থীৰ নাম নিদি দ্বিতীয় পৃষ্ঠাত প্ৰাৰ্থীৰ নাম দিয়া বাবে আবেদন পত্ৰ বাতিল কৰা হয়। ইয়াৰ পিচত আৰু দুবাৰ আবেদন পত্ৰ বাতিল কৰি নতুন আবেদন পত্ৰ জাৰি কৰা হয়। অসমৰ বাহিৰৰ প্ৰাৰ্থীৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বাৰে বাৰে আবেদন পত্ৰ সলনি কৰা হৈছে বুলি সন্দেহ কৰা হৈছে। এনেদৰে আবেদন পত্ৰ সলনি কৰাৰ ফলত বহুতো প্ৰাৰ্থীয়ে দুবাৰ তিনিবাৰকৈ একেটা পদৰ বাবে আবেদন কৰি ইণ্ডিয়ান পোষ্টেল অৰ্ডাৰৰ নামত ১৬০ টকা পৰ্য্যন্ত ভৰিব লগীয়া হৈছে। আকৌ আবেদন সলনি কৰাৰ ফলত বহুতো অসমীয়া প্ৰাৰ্থীৰ আবেদন বাতিল হোৱাৰ সম্ভাৱনাই দেখা দিছে।

১৮৮৫ চনৰ আগলৈকে ভাৰতত ৰেলপথৰ নামত কলকতা, মুম্বাই আৰু চেন্নাইৰ আশে পাশে কেইমাইল মানহে আছিল। ১৮৫৮ ৰ স্বাধীনতাৰ প্ৰথম যুদ্ধৰ পিচত ভাৰত চৰকাৰে ৰেলপথৰ প্ৰয়োজনীয়তাৰ কথা উপলব্ধি কৰিলে। ১৮৭১ চনৰ ভিতৰত ভাৰতৰ প্ৰত্যেকখন প্ৰদেশকে আৰু প্ৰতিটো জাহাজঘাটকে সংযোগ কৰি ৰেলপথ খোলা হয়।

বৰ্ত্তমান ভাৰতবৰ্ষৰ ৰেলওয়েৰ ক্ষেত্ৰতেই নিয়োগৰ প্ৰাধান্যতা সৰ্ব্বাধিক বেছি। অথচ আমাৰ অঞ্চলৰ ল'ৰা ছোৱালী নিযুক্তিৰ ক্ষেত্ৰত এই ক্ষেত্ৰত

* Speech not corrected

শতাংশ নিচেই কম। অসমত প্ৰথমতে ১৮৮৫ চনত দুটা চুটি ৰেলপথ তৈয়াৰ কৰা হৈছিল। ১৮৯৭ চনৰ ভূমিকম্পৰ পিচত থেৰিয়াঘাট-কোম্পানীগঞ্জ ৰেলপথ বন্ধ কৰি দিয়া হয়। ১৮৯৫ চনত অন্য এটা ব্যক্তিগত কোম্পানীয়ে তেজপুৰ বালিপাৰা ৰেলপথ মুকলি কৰিছিল। স্বাধীনতাৰ পিচত নিয়োগৰ ক্ষেত্ৰত কিছু সলনি হলেও আমাৰ অঞ্চলৰ নিযুক্তি ৰেলওৱে খণ্ডত সীমিত। ১৯৫১ চনৰ ১৪ এপ্ৰিলত ভাৰতৰ ৰেলপথবোৰক ছটা মণ্ডলত ভাগ কৰা হয়। কিন্তু দেশৰ আন অংশৰ লোকে যিদৰে ৰেলওৱে শিতানত নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ লৈ আছে আমাৰ অঞ্চলৰ লোকে সেইভাবে সুবিধা পোৱা নাই। এতিয়া আমাৰ এই অঞ্চলৰ চাকৰি প্ৰাৰ্থীৰ নিযুক্তি ক্ষেত্ৰত চৰকাৰৰ পৰা লব লগীয়া যিকোনো বিষয়েই আমাৰ ঐক্যমতত হব। আমাৰ অসম বিধান সভাৰ পৰা ঐক্যমত হিচাপে সংশ্লিষ্ট মন্ত্ৰীলৈ এই বিষয়ত যোগাযোগ কৰাৰ কাৰণে আমি ঐক্যমতত থাকিম। যদি সেই মতে কাম নহয় আমাৰ ফালৰ পৰা উত্তৰ পূব ৰেলওৱেৰ নিযুক্তিৰ ক্ষেত্ৰত আইনগত ভাবে হস্তক্ষেপ কৰক। ধন্যবাদ।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা (ৰাজ্যিক পৰিকল্পনা আৰু কৃষি মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কবলগীয়া কথাখিনিকেই মাননীয় সদস্যসকলে কৈ যোৱা কাৰণে মই তেখেতসকললৈ ধন্যবাদ নিদি নোৱাৰিলো। মই মন্ত্ৰী হিচাপে এটা সমষ্টিৰ বিধায়ক হিচাবে অসমৰ যুৱ সমাজৰ প্ৰতিনিধি হিচাপে মই নিজকে ভাবি সেইমতে কাম কৰিবলৈ বিচাৰো। আজি এই সদনত মাননীয় সদস্য বৃন্দাবন গোস্বামী ডাঙৰীয়া আৰু ডঃ জয়নাথ শৰ্মা ডাঙৰীয়াই এই কথা উল্লেখ কৰিছে। অসমৰ নতুন প্ৰজন্মৰ কাৰণে এই কথাবিলাক চিন্তা কৰিবলগীয়া হৈছে। এই বিষয়ত যদি আমি আৰু ছমাহ আগতে ব্যৱস্থা লব পাৰিলোহেতেন তেনেহলে সদৌ অসম ছাত্ৰ সন্থাই ফৰ্ম দলিয়াই দিয়াৰ নিচিনা ঘটনা ঘটিবলৈ নাপালেহেতেন। এতিয়াও যিখিনি ব্যৱস্থা লব খোজা হৈছে যি পত্ৰ লিখা হৈছে বিৰোধী দলপতিৰ কাৰণে এই কথাখিনি পত্ৰত লিখা হৈছে। আমাৰ সদনত মাননীয় সদস্য শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ পদৰ ক্ষেত্ৰত অসমৰ থলুৱাৰ কথা কৈছে। আমাৰ থলুৱা লোকৰ নিযুক্তিৰে কাৰণেই এই কথা বিলাকৰ অৱতাৰণা হৈছে।

---

* Speech not corrected

আমি অসম আৰু অসমীয়া বুলি কওঁতে এটা ব্যাপক দৃষ্টি ভঙ্গীৰে চাইছোঁ। যি অসমত বাস কৰিছে নেপালি, বিহাৰী যিয়েই নহওক যি সকলে অসমৰ মাটিক নিজৰ বুলি ভাবিছে এই সকলোকে মই অসমীয়া বুলি ব্যাপক দৃষ্টি-ভঙ্গীৰে চাইছো। থলুৱা বুলি কওঁতে নিকৃষ্ট ভাবে কোৱা নাই, মাথোন তাৰ এটা ব্যৱস্থা লব লাগে বুলি কৈছিলোঁ। নীতিশ কুমাৰ ডাঙৰীয়াৰ কথাটো সদনত পবিন্দ্ৰ ডেকাই উত্থাপন কৰিছিল। ৰেলৱেত যিটো সমস্যা হৈছে উত্তৰ গুৱাহাটীৰ আই আই টিতো সেই একেই সমস্যা হৈছে। চিকিৰিউটি গাৰ্ডো বাহিৰৰ পৰা আহিব ধৰিছে। এমপ্লইমেন্ট ৰিভিউ কমিটিত এই কথাটো উল্লেখ কৰা হৈছিল। কিন্তু আমাৰ ৰাজ্য চৰকাৰৰ পৰিধি কিমান, সেই মতে নিশ্চয় বিচাৰ কৰিব। কোনোবা এটা প্ৰতিষ্ঠানত যদি এমপ্লইমেন্ট একচেঞ্জৰ পৰা নামটো নিদিয়াকৈ নিয়োগ দিয়া হয় তেন্তে তাৰ বাবে ফাইন হয় মাত্ৰ এটকা। এই বিষয়ত সংসদৰ পৰা এটা ব্যৱস্থা লব লাগিব।

অধ্যক্ষ মহোদয়, নিয়োগ মন্ত্ৰীয়ে নিশ্চয় এই বিষয়ত উত্তৰ দিব, মই আপোনাক অনুৰোধ কৰিছোঁ। হিতেন গোস্বামী ডাঙৰীয়াই এতিয়া কৈছে যে মন্ত্ৰীয়ে ব্যক্তিগত বুলি কব নোৱাৰে। কিন্তু তথাপি ও এটা কথা নকলে মোৰ ভুল হব। ৰাজ্যিক চৰকাৰে একো কৰিব নোৱাৰে আৰু একো কৰিব নোৱাৰে বুলিয়েই আই আই টি, ৰেল বিভাগত বাহিৰৰ হেজাৰ হেজাৰ মানুহে ইয়াত নিয়োগ পাব, অসমৰ পৰীক্ষা কেন্দ্ৰবোৰ বাহিৰত হব আৰু প্ৰশ্ন কাকত লিক হব তৃতীয় আৰু চতুৰ্থ শ্ৰেণীত অসমৰ শতকৰা এক ভাগ লোকে নিযুক্তি পাব কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিষ্ঠান সমূহত নিযুক্তিৰ বাবে বাধ্য কৰিব লাগিব আমি আলোচনা কৰাত নিশ্চয় বাধা নাথাকিব।

এই খিনি কৈয়েই মই মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৪ মাহৰ আগতে যিটো কথা কৈছিল আজি যিটো কথা কৈছে তাৰ লগত নিমিলে। কেন্দ্ৰত যি দলৰে চৰকাৰ নাথাকক কিয় সকলোৱে অসমক ধাননী পথাৰ হিচাবে ব্যৱহাৰ কৰি আছে। চেন্টেল স্কুলৰ ইন্টাৰভিউ কলিকতাত হয় যাৰ কাৰণে আমাৰ শিক্ষক সকলে বিজ্ঞাপন দিয়া গমেই নেপায়। এই বিষয়ত সকলো দলৰে ৰিএকশ্যন হব লাগে। এইটো হাউচৰ বাহিৰলৈ লৈ যাব

* Speech not corrected

নোৱাৰিনে? মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত এই বিষয়টো সদনৰ বাহিৰলৈ আনিব পাৰিব লাগে। মোৰ মনত আছে বেংকৰ শাখা এটা উঠাই নিওতে আপোনাৰ ৰিএকশ্যন হৈছিল। কিন্তু ইয়াত ৰিএকশ্যন হলেই নহব কেন্দ্ৰীয় চৰকাৰক সজোৰে জনাব পাৰিব লাগিব। অসমৰ উত্তৰ পূৰ্বাঞ্চলৰ লৰাই হাতত বন্দুক ললে বেয়া পালে কি হব, তাৰ কাৰণবোৰ চাব লাগিব। সেই কাৰণে কৈছো যে আপোনাৰ নেতৃত্বত সৰ্বদলীয় বৈঠক হব লাগে আৰু মুখ্যমন্ত্ৰী মহোদয়ে বিষয়টো টেক আপ কৰিব লাগিব। সদনৰ মজিয়াত উত্থাপন কৰিব লাগিব।

* **শ্ৰী বিমলাংশু ৰয় ঃ** অধ্যক্ষ মহোদয়, আজি এটা গুৰুত্বপূৰ্ণ বিষয় আলোচনা হৈছে। অসমৰ স্বাৰ্থত আমি ৰাজনীতি কৰিব বিছৰা নাই। এতিয়া বি,জে,পি চৰকাৰৰ নেতৃত্বত এই কথাটো হৈছে। অসমৰ স্বাৰ্থত মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক কৈছোঁ যে এমপ্লইমেন্ট ৰিভিউ কমিটীৰ কথাটো উত্থাপন কৰিব লাগিছিল। এইটো কথা ঠিক যে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ সদায় নতুন মানুহ দিব লাগে মই ইতিমধ্যে কেন্দ্ৰীয় মন্ত্ৰী বিজয়া চক্ৰবৰ্ত্তীক কথাটো কৈছো। বি,জে,পিৰ ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়াই এটা বেলেগ ধৰণৰ কথা কৈছে। আমাৰ সকলোৰে স্বাৰ্থত আমি একমত হব লাগিব। শ্ৰীহিতেন গোস্বামী ডাঙৰীয়াই কৈছে যে তিনচুকীয়া, লামডিং, গুৱাহাটীত খালি পোষ্ট আছে। এইবিলাক স্থানীয় মানুহৰে পূৰাব লাগে। এন এফ ৰেলৱেৰ যিটো অৱস্থা অসমত হৈ আছে সেইটো একদম সঁচা কথা। চেন্ট্ৰেল স্কুলত সদায় আমাৰ লৰা-ছোৱালীক অস্থায়ী ভাবে নিয়োগ দিয়ে। স্থায়ী পদ বহুত পৰি আছে। এই বিষয়ে আমি ইয়াত আপত্তি কৰিলেই নহয়। এই বিষয়ে বিধান সভাত ৰিজলুচন লব লাগে বুলি মই ভাবোঁ।

* **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কে সকলোৱে ঐক্যমত পোষণ কৰাতো সুখৰ কথা আৰু এইটো অসম বিধান সভাত এটা যুগান্তকাৰী ঘটনা ঘটিছে। এই কথাতো প্ৰতিবাৰেই উত্থাপন কৰা হৈছে। ইয়াত কোনো উগ্ৰ জাতীয়তাবাদৰ কথা নাই। ১৯৫৫ আৰু ১৯৬৭ চনত পশ্চিমবঙ্গ আৰু বিহাৰত এই দাবী উত্থাপন কৰা হৈছিল। আমাৰ মাননীয় মন্ত্ৰী হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই এই সম্পৰ্কত কৈ গৈছে। ৰাইজৰ প্ৰতিনিধি হিচাবে এইটো যাতে কৰা হয় তাৰ কাৰণে আমি সকলোৱে গুৰুত্ব দিব লাগে।

---

* Speech not corrected

* **শ্রীভূবনেশ্বৰ কলিতা (উদ্যোগ মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি যিটো বিষয় আলোচনা কৰা হৈছে এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। এই ক্ষেত্ৰত আমি সকলোৱে ঐক্যমত পোষণ কৰিছো। এই কিছু কথা সংযোজন কৰিব বিচাৰিছো। থাৰ্ড গ্ৰেড আৰু গ্ৰেড ফোৰৰ প্ৰাৰ্থী নাই বুলি যিটো কথা কৈছে সেইটো হাস্যকৰ কথা কৈছে। সেইটো কথা আহিব নেলাগে। অকল হিন্দুস্থান লিভাৰতেই অসমৰ ৯০ শতাংশ লৰা-ছোৱালীয়ে কাম কৰি আছে। আমাৰ অসমৰ এই উপযুক্ত যোগ্যতা সম্পন্ন লৰা-ছোৱালী বিলাকে অকল থাৰ্ড গ্ৰেড ফোৰতেই কাম কৰি থকা নাই তেওঁলোকে বিষয়া পৰ্য্যায়তো কাম কৰি আছে। হিন্দুস্থান লিভাৰৰ নিচিনা এটা বৃহৎ প্ৰতিস্থানত অসমৰ সৰহ সংখ্যক ৯০ শতাংশ লৰা-ছোৱালীয়ে যদি থাৰ্ড গ্ৰেড, গ্ৰেড ফোৰৰ লগতে বিষয়া আৰু অন্য বিভিন্ন পদত কাম কৰিব পাৰে তেতিয়াহলে অন্য প্ৰতিস্থানত কাম কৰিব নোৱাৰিব কিয়? সেই উদ্যোগত পৰিচালনাৰ ক্ষেত্ৰতো অসমৰ মানুহে বিষয়া হিচাবে কাম কৰি আছে। এনেকুৱা কিছুমান উদ্যোগ আছে য'ত কাৰিকৰী পৰ্য্যায়ৰ পদতেই হওক বা বিষয়া পৰ্য্যায়ৰ পদতেই হওক বা শ্ৰমিক পৰ্য্যায়ৰ পদতেই হওক তাত ১০০ শতাংশ থলুৱা লোকে সফলতাৰে কাম কৰি আছে। এটা সময় আছিল কিছুমান পদৰ ক্ষেত্ৰত আমাৰ উপযুক্ত অৰ্হতা সম্পন্ন প্ৰাৰ্থী নাছিল। এতিয়া অসমত উপযুক্ত প্ৰশিক্ষণপ্ৰাপ্ত অৰ্হতা সম্পন্ন প্ৰাৰ্থী বহুত ওলাইছে। সেই প্ৰাৰ্থী সকলৰ মাজৰ পৰাই কিছুমানৰ নিযুক্তি হৈ আছে। আমাৰ চৰকাৰৰ ফালৰ পৰা যি সকল নিবনুৱা লোকক প্ৰশিক্ষণ লোৱাৰ কাৰণে বাহিৰলৈ পঠিয়াইছে সেই লোকসকলৰ বেছি ভাগেই তাত থাকি গৈছে। খুব কম সংখ্যক লোকেহে ঘূৰি আহিছে। বেচিভাগ লোকৰেই তাত নিয়োগ হৈছে। গতিকে আগৰ সেই পৰিস্থিতি আজি নাই। এই বিষয়টোৰ ক্ষেত্ৰত কোনো দল বা কাৰো মাজতেই পাৰ্থক্য থাকিব নেলাগে। এই ক্ষেত্ৰত আমি সকলোৱে একমত প্ৰকাশ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** বিষয়টো অতি গুৰুত্বপূৰ্ণ আৰু মোৰ ফালৰ পৰা সদনত যিটো চেন্টিমেন্ট প্ৰকাশ কৰা হৈছে সেইটো যাতে কাৰ্য্যকৰী কৰা হয় আৰু তাৰ কাৰণে দলপতি সকলৰ লগত যদি আলোচনা কৰিবলগীয়া হয় আলোচনা কৰিম।

* **শ্রীপ্রদ্যুৎ বৰদলৈ (ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে এটা কথা কব বিচাৰিছো। আমাৰ অসমৰ এজন

---

* Speech not corrected

বন্য জৈব্য বৈচিত্ৰবিদ আৰু বনজ সম্পদৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা ৰবীন বেনাৰ্জীৰ আজি মৃত্যু হয়। তেখেতৰ মৃত্যুত আমাৰ অপূৰণীয় ক্ষতি হৈছে। মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ আত্মাৰ সদ্গতিৰ কাৰণে সদনত এটা শোক প্ৰস্তাৱ গ্ৰহণ কৰিব লাগে।

## NO CONFIDENCE MOTION

**Mr. Speaker :** I have received a notice of No Confidence Motion submitted by the Hon Members :

1. Sri Brindaban Goswami,
2. Sri Bimonalangshu Roy,
3. Sri Sushil Dutta,
4. Sri Rameswar Teli,
5. Sri Hitendra Nath Goswami,
6. Sri Dharamsing Teron,
7. Sri Dr. Zoii Nath Sarma,
8. Sri Dilip Kumar Saikia,
9. Sri Gunin Hazarika,
10. Sri Pabin Gogoi,
11. Sri Mission Ranjan Das,
12. Sri Dinesh Ch. Sarkar,
13. Sri Parimal Sukla Baidya,
14. Sri Joseph Toppo and
15. Sri Phani Bhusan Choudhury,

against the Hon'ble Chief Minister of Assam Sri Tarun Gogoi and his Ministry.

I have found, the Motion is in order :

The Motion is that -

"This Houses expresses its No Confidence on Shri Tarun Gogoi, Hon'ble Chief Minister of Assam and his Ministry

* Speech not corrected

for their lackluster performance and failure to provide an efficient, corruption free and transparent administration in the State."

I now, request the Members who are in favour of leave being granted to rise in their places.

I find that more than 1/10th of the total number of members of the House have risen in their seats.

Now, the leave is granted for the motion and the motion will be taken up on a day to be fixed for discusstion in consultation with the Business Advisory Committee.

I also request all the the Hon'ble Members of the Business Advisory Committee to meet at 1.30 or as soon as the House is over at the Conference Room of my office Chamber today.

## CALL ATTENTION NOTICE

**Mr. Speaker :** Now, Item No.2. I now call upon the Hon'ble Member Dr. Zoii Nath Sarma to call the attention of the Minister, Public Works Department under Rule 54 of the Rules of Procedure and conduct of Business in Assam Legislative Assembly to the news item appearing in the "Amar Asom" dated 21st July, 2003 under the caption - "পেট্ৰল-ডিজেলত গড়কাপ্তানীৰ কৰ"।

* **ডঃ জয়নাথ শৰ্ম্মা :** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মই মাননীয় মন্ত্ৰী মহোদয়ক নটিচ দিছো আৰু তেখেতে নিশ্চয় এই বিষয়টো অৱগত হৈছে। এতিয়া বাতৰি কাকতত যিটো কথা ওলাইছে সেইটো হৈছে আমাৰ ৰাজ্যখনৰ ৰাষ্টা-ঘাট আৰু দলং মেৰামতি কৰিবৰ কাৰণে গড় কপ্তানী বিভাগে পেট্ৰোল আৰু ডিজেলৰ ওপৰত এটা কৰ লগাবলৈ লৈছে। মাননীয় মন্ত্ৰীৰ চেয়াৰমেনশ্বিপত এই সম্পৰ্কত এখন মিটিং হৈছে বুলি প্ৰকাশ পাইছে। এই কথাটো হয় নে নহয় হাউচক অৱগত কৰিব লাগে। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ৰাষ্টা-ঘাট

* Speech not corrected

মেৰামতি কৰিবৰ কাৰণে ডিজেল আৰু পেট্ৰোলৰ ওপৰত ১ টকাকৈ অতিৰিক্ত কৰ লগাইছে। এতিয়া আকৌ প্ৰতি লিটাৰ পেট্ৰোল আৰু ডিজেলত যদি আকৌ ৫০ পইচাকৈ কৰ লগোৱা হয় তেতিয়াহলে অসমৰ মানুহৰ ওপৰত এইটো অতিৰিক্ত বোজা হব। ৰাষ্টা-ঘাট ভাল কৰিব লাগে সেইটো হয়। কিন্তু আমাৰ এপ্ৰোচটো কি? মাননীয় অধ্যক্ষ মহোদয়, এই বিষয় বিলাক এৰাই চলিব লাগে। অসম বিধান সভাৰ সকলো দলৰ সদস্যক লৈ এখন ৰোড কমিটি আছিল। সেই কমিটিৰ মিটিং বছৰত এবাৰ বা দুবাৰ হয়। সেই মিটিংত বিভিন্ন দলৰ সদস্য সকলে বাজেটত যিটো টকা ধাৰ্য্য কৰা হয়.তাৰ ওপৰত ভিত্তি কৰি ক'ত ক'ত কিমান ৰাষ্টা ঘাট বনাব পাৰি, দলং বনাব পাৰি, মেৰামতি কৰিব পাৰি এই কথা বিলাক আলোচনা কৰে। আগতে ৰোড কমিটিৰ সভাত এই কথা বিলাক আলোচনা কৰাটো এটা পৰম্পৰা আছিল। পি,এ,চি বা এষ্টিমেট কমিটিত এই কথা বিলাক আলোচনা কৰা হয়। পাৰ্লিয়ামেন্টৰী এফেয়াৰ্চৰ অধীনত আগতে এনেকুৱা ধৰণৰ কিছুমান কথা আলোচনা কৰাৰ কাৰণে নটিফিকেচন দিয়া হৈছিল। কিন্তু আজি কালি নটিফিকেচন ননাই হ'ল। গতিকে এনেকুৱা ধৰণৰ বিষয় বিলাক বিধান সভাৰ মজিয়াত আলোচনা কৰিবলৈ সুবিধা পোৱা নাযায়। আমি আগতীয়াভাবে চৰকাৰক পৰামৰ্শ দিলে চৰকাৰে গ্ৰহণ কৰিব পাৰে।

আমি যদি কিছুমান কথাৰ পৰামৰ্শ দিও সেইবিলাক আপোনালোকৰ চৰকাৰে গ্ৰহণ কৰিব পাৰে। এতিয়া আপোনালোকৰ চৰকাৰৰ নীতি হ'ল, ৰাইজৰ ওপৰত কৰ বহুওৱা। ৰাইজৰ ওপৰত কৰ যিমান বেছি হয় হওঁক। বৰ্ত্তমান আপোনালোকৰ অধিকাংশ সদস্য সদনত আছে, আপোনালোকে পাচ কৰাই লৈ যাব পাৰে। এতিয়া আমাৰ যিমান টকা ৰাষ্টাৰ নামত লাগে সিমান টকা চৰকাৰে বাজেটত ধৰিছেনে নাই। এনেবোৰ বিষয়ত বাৰে বাৰে সদনত আলোচনা হয় কিন্তু সিদ্ধান্ত নহয়। সদনত কোনো সদস্যই কিবা প্ৰশ্ন সুধিলে কয় "পুঁজি সাপেক্ষে সিদ্ধান্ত লোৱা হ'ব।" হাউচত কিছুমান এচুৰেঞ্চ আছে, এইটো তাৰে এটা এচুৰেঞ্চ। যদি হাউচত দিয়া প্ৰতিশ্ৰুতি মন্ত্ৰীয়ে নাৰাখে তেতিয়া সদনৰ অধিকাৰ ভঙ্গ কৰা হয়। কিন্তু চৰকাৰৰ টকা নাই কাৰণে ৰাষ্টা হোৱা নাই। এতিয়া পি,এম,জি,এচ,ওৱাই আঁচনিৰ অধীনত গাৱৰ ৰাষ্টা বিলাক পকী কৰিবলৈ

* Speech not corrected

দিয়া হৈছে। কিন্তু ৰাষ্টা বাছনি কোনে কৰিছে মই নাজানো, যিবিলাক ৰাষ্টা লোৱা প্ৰয়োজনীয় আছিল, সেই বিলাক ৰাষ্টা নলৈ, কোনোবা ভিতৰুৱা অঞ্চলৰ ৰাষ্টা বাছনি কৰি লৈছে, যিটো ৰাষ্টাৰ কোনো গুৰুত্ব নাই। অধ্যক্ষ মহোদয়, মই এটা উদাহৰণ দিব খুজিছো, ছিপাঝাৰত এটা ৰাষ্টা সদায় বানপানী উঠে কাৰণে ৩৬ লাখ টকাৰ এষ্টিমেটত দুই ফুট ওখ কৰিবলৈ দিছিলো কিন্তু কোনে কৰিলে নাজানো সেই ৰাষ্টাটোত হেভি গ্ৰেভেলিং বুলি শিল পেলাবলৈ আৰম্ভ কৰে। সেই দৰে ছিপাঝাৰ গৰুখুটি ৰাষ্টাটো ১ কিঃমিঃ ৰাষ্টা পকী কৰিবলৈ ললে, সেই ৰাষ্টাটোত গৰুখুটি অঞ্চলত মানুহ বেছি আছে আৰু সেই অঞ্চলক মানুহৰ আহ-যাহ বেছি। কিন্তু সেই ঠাইত কাম নকৰি, মানুহৰ চলাচল নথকা আন এটুকুৰা ঠাইত কাম কৰিবলৈ লৈছে। এইটো ঠিকাদাৰে ভুল কৰিছে নে মন্ত্ৰীৰ নিৰ্দ্দেশত কৰিছে নাজানো। এই বিষয়টো মন্ত্ৰীক অৱগত কৰিলো। আজি শাসকীয় দলৰ এজন বিধায়কে কৈছে, যে চৰকাৰে আমাৰ বিধায়ক সকলৰ কথাত গুৰুত্ব নিদিয়ে। এইটোৱে শুভ পৰম্পৰা আৰম্ভ নকৰে। অশুভ পৰম্পৰাহে আৰম্ভ কৰিব। আপোনালেকে টেক্স লগোৱাতকৈ ৰাষ্টা প্ৰাইভেট পাৰ্টিক গতাই দিয়ক। আপোনালোকে ৰাষ্ট্ৰীয় পথত টেক্স লগাবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ চিঠি লিখিছে। আমাৰ সদনত চিণ্ডিকেট সম্পৰ্কত কিমান আলোচনা হৈছে। এইটো চিণ্ডিকেটৰ অন্য এটা ৰূপ হ'ব। আমাক ৰাষ্টা লাগে, ৰাষ্টা ভাল অৱস্থাত ৰাখিবৰ বাবে চৰকাৰে পইচা দিব নোৱাৰে। ইয়াৰ অল্টাৰনেটিভ কি ব্যৱস্থা আছে। আপোনালোকে 'অল্টাৰনেটিভ ব্যৱস্থা হিচাপে ৰাইজৰ ওপৰত টে' লগাইছে। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পাৰ্লিয়ামেন্টৰী বিভাগৰ মন্ত্ৰীয়ে, বহি বহি দুই এটা কথা কৈ আছে। কিন্তু বহি কোৱা কথাৰ মূল্য নাই। অধ্যক্ষ মহোদয়, মই তেখেতক ক্ৰিটিচিজম নকৰো। তেখেতে ১০০ টকাৰ বস্তু ৩০০ টকাত কিনিলে, তাকো সম্পৰ্কীয় মানুহৰ পৰা কিনিলে। মই একো ধৰা নাই। অলপ ঘৰৰ কথা শুনিবই লাগিব।

**(ভইচ ঃ আপোনাৰ পুৰণা বন্ধু কাৰণে ৰেহাই দিছে নেকি)।**

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্যজনে এই কথাটো তথ্য সহকাৰে কৈছে নেকি? যদি তথ্যসহকাৰে কোৱা নাই, হাউচক মিছুলীড কৰাৰ বাবে, তেখেতৰ ওপৰত কি ব্যৱস্থা হ'ব।

* Speech not corrected

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** অধ্যক্ষ মহোদয়, মিছুলিড নকৰিলেই হ'ল। দোষ কৰিব আপোনালোকে, শাস্তি হব মোৰ।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** মিঃ শৰ্ম্মা আপুনি অলপ চমু কৰিব।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ৰোল ৫৪ৰ অধীনত ডিবেট হব নোৱাৰে। মাননীয় সদস্যজনে ডিবেট কৰি আছে।

* **ডঃ জয় নাথ শৰ্ম্মা ঃ** ডিবেট মই কৰা নাই, আপুনিহে কৰিছে। মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত এখন দলং কৰিব লাগে। এনে এখন দলং কৰিলে লগত সংলগ্ন ৰাষ্টা পদূলি বহল কৰাৰ সুবিধা আছে। আমাৰ ৫২ ৰাষ্টীয় ঘাই পথৰ মাজত এখন ট্ৰাক বেয়া হ্‌লে, ৰাষ্টাত জাম হৈ যায় মানুহ অহাযোৱা কৰিবলৈ ঘন্টা ঘন্টা বৈ থাকিব লগে। কিন্তু গুৱাহাটী - উত্তৰ গুৱাহাটী - কুৰুৱা সংলগ্ন কৰি এখন দলং কৰিব পাৰিলে বহুত সুবিধা হ'ব।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সদস্যজন চাবজেক্টৰ লাইনৰ বাহিৰত গৈছে।

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** এইটো আপোনাৰ চাবজেক্ট নহয়, আপুনি কিয় মাতি আছে। এইটো গড়কাপ্তানী মন্ত্ৰীৰহে চাবজেক্ট। এতিয়া আপোনালোকে ৫০ পইছাকৈ লগাবলৈ লৈছে। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ১.০০ টকা কৈ লৈছেই। গতিকে আপোনালোকে এই ৫০ পইছা কৰ লগোৱাৰ পৰিবৰ্ত্তে নতুন ৰাষ্টা বনোৱা, নতুন দলং বনোৱাৰ ব্যৱস্থা কৰক।

* **শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী, গড়কাপ্তানি বিভাগ) ঃ** সমগ্ৰ অসমত মুঠ ৪১,৩২৮.০০ কিঃমিঃ পথ আছে। ইয়াৰে ৮,৭২৩.০০ কিঃমিঃ পকী পথ, আৰু ৩২,৬০৫.০০ কিঃমিঃ কেচা পথ। সমগ্ৰ অসমত মুঠ ৫২১৩ খন কাঠৰ দলং আছে।

উক্ত পথ আৰু কাঠৰ দলং বিলাক সময়মতে আৰু উপযুক্ত ভাৱে মেৰামতি কৰাৰ আৱশ্যক। এই মেৰামত্তিৰ বাবে বছৰি এই বিভাগক সৰ্ব্ব ভাৰতীয় নৰ্মচ (Norms) মতে প্ৰায় ২২৫.০০ কোটি টকাৰ প্ৰয়োজন। কিন্তু উক্ত মেৰামতিৰ শিতানত এই বিভাগৰ বছৰি মঞ্জুৰী অতি কম আৰু পৰ্য্যাপ্ত পৰিমানৰ নহয়। যোৱা চাৰি বছৰৰ মেৰামতি শিতানৰ এই বিভাগৰ মঞ্জুৰী তলত দিয়া ধৰণৰ।

---

* Speech not corrected

| | | | |
|---|---|---|---|
| (ক) | ১৯৯৯-২০০০ | = | ২৪.৫০ কোটি টকা |
| (খ) | ২০০০-২০০১ | = | ২৪.৫০ কোটি টকা |
| (গ) | ২০০১-২০০২ | = | ২৪.০০ কোটি টকা |
| (ঘ) | ২০০২-২০০৩ | = | ২০.৯০ কোটি টকা |
| (ঙ) | ২০০৩-২০০৪ | = | ২০.৯০ কোটি টকা। |

উক্ত বাৰ্ষিক মঞ্জুৰিৰে সমগ্ৰ ৰাজ্যৰ পথ ও দলং সমূহ সময়মতে আৰু উপযুক্ত ভাৱে মেৰামতি কৰাটো এই বিভাগৰ কাৰণে সম্ভৱপৰ নহয়। সেয়েহে সমগ্ৰ ৰাজ্যৰ পথ ও দলং সমূহৰ অৱস্থা আশাকৰা ধৰণৰ নহয়, ফলত যাতায়তৰ ব্যৱস্থা প্ৰায়বোৰ ঠাইতে ব্যাঘাত প্ৰাপ্ত হৈ আছে।

উক্ত পথ ও দলং সমূহৰ উপযুক্ত আৰু নিয়মীয়া মেৰামতিৰ উদ্দেশ্য আগত ৰাখি চৰকাৰে যোৱা ২৩ জুন, ২০০৩ তাৰিখে আসাম ষ্টেট ৰ'ড ব'ৰ্ড (Assam State Road Board) নামেৰে এখন বৰ্ড গঠন কৰা হয়। এই ব'ৰ্ডৰ অধীনত উক্ত পথ ও দলং সমূহৰ নিয়মীয়া মেৰামতিৰ বাবে পুঁজি গঠনৰ সিদ্ধান্ত লোৱা হয়।

উক্ত সিদ্ধান্ত মৰ্মে তলত দিয়া ধৰণে পুঁজি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

| | | |
|---|---|---|
| (ক) | বিভাগীয় বাজেটৰ মেৰামতিৰ শিতানৰ পৰা | ৪৫.০০ কোটি টকা। |
| (খ) | ডিজেল আৰু পেট্ৰোলৰ ওপৰত আৰোপিত কৰ (৫০ পইচা প্ৰতি লিটাৰত) | ২০.৪৮ কোটি টকা। |
| (গ) | গুৱাহাটী মহানগৰীৰ ৰাস্তাৰ ওপৰত আৰোপিত Toll ৰ বাবদ - | ১১.৩৪ কোটি টকা। |

Light Vehicle ৰ বাবে ৫ টকা

Heavy Vehicle ৰ বাবে ৩০ টকা

(প্ৰতি খন গাড়ীৰ প্ৰৱেশৰ বাবে)

এই বিষয়টো এতিয়াও বিবেচনাধীন আৰু বিত্ত বিভাগৰ বিবেচনাৰ বাবে পঠিয়াবলৈ যো-জা কৰা হৈছে।

---

* Speech not corrected

এনে ধৰণৰ ৰ'ড ব'ৰ্ড বৰ্ত্তমান ভাৰতৰ বিভিন্ন ৰাজ্যত গঠন কৰা হৈছে। বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানেও এনে ৰ'ড ব'ৰ্ড থাকিলেহে ৰাজ্য সমূহৰ অৰ্থ সাহাৰ্য্য দিয়া হব বুলি কৈছে। তাৰোপৰি প্ৰধানমন্ত্ৰীৰ গ্ৰাম চড়ক যোজনা আঁচনি আৰু বিশ্ব বেংকৰ দ্বিতীয় পৰ্য্যায়ৰ (চেকেণ্ড ফেজ) কামৰ বাবে এনে ৰ'ড ব'ৰ্ড গঠন কৰাটো বাধ্যতামূলক (কমপালচৰি) কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, ফাষ্ট ফেজত ৰ'ড ব'ৰ্ড নাথাকিলে সাহাৰ্য্য নিদিয়ে। আমাৰ অসমৰ ব'ডবোৰ বেয়া। আমি বিশ্ব বেংকৰ পৰা সাহাৰ্য্য বিচাৰিছো।

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰ'ড ব'ৰ্ড গঠন কৰাটো বাধ্যতামূলক কৰিছে নেকি?

* **শ্ৰী শৰৎ বৰকটকী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৬-৭ জনীয়া বিষয়ালৈ এখন কমিটি গঠন কৰা হৈছে। চীফ চেক্ৰেটাৰী ভাইচ চেয়াৰমেন আৰু মন্ত্ৰী মহোদয়ক চেয়াৰমেন পতা হৈছে। এই প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ দিয়া হৈছে যদিও বৰ্ত্তমান এইটো বিবেচনাধীন হৈ আছে।

## MATTER UNDER RULE 301

**Mr. Speaker :** Now, Item No. 3, Hon'ble Member Shri Pabindra Deka to raise matter regarding under Rule 301 of the Rules of procedure and conduct of business in Assam Legislative Assembly to the news items appearing in the "Dainik Agradoot dated 8th July, 2003 under the Caption."

* **শ্ৰী পবীন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, দৈনিক অগ্ৰদূত কাকতৰ ৮ জুলাই ২০০৩ চন তাৰিখে প্ৰকাশিত ৩০১ আন্দাৰ বুলচ "গ্ৰামোন্নয়নত কেলেংকাৰি" শীৰ্ষক বাতৰিটো আমাৰ মাননীয় দাস ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটো আলোচনাৰ বাবে দাঙি ধৰা হৈছে, মইও অৱশ্যে ইয়াত ভাগ লৈছো। গ্ৰমোন্নয়নৰ কাম-কাজবো যথেষ্ট উন্নত হৈছে। ইতিমধ্যে বিভিন্ন ঠাইত চুৰবিলাকে সিন্ধি দিয়া কাম আৰম্ভ কৰিছে। সময় থাকোতে চাই সকলৰ ওপৰত ব্যৱস্থা লোৱা নাযায় তেতিয়া হলে ৰাইজে আশা কৰামতে কাম নহব। তাৰে উদাহৰণ স্বৰূপে

* Speech not corrected

মই কৈছো যে পাৱাৰ ডি চেন্ট্ৰেলাইজ কৰা হৈছে। ৰড, চিমেন্ট, টিং পাত আদিৰ এই কথাবোৰ আমি ইয়াত আলোচনা কৰিছো। দৈনিক অগ্ৰদূত কাকতত প্ৰকাশিত টিংপাত, চিমেন্ট আদিৰ নিচিনাকৈ লখিমপুৰ জিলা গ্ৰামোন্নয়ন অভিকৰণৰ ভিতৰ চৰাত চিমেন্টৰ নামত টিং পাতৰ নামত কোটি কোটি টকা লুট হৈছে। বিভাগটোৰ চিমেন্ট-চাউল যোগানৰ এক বহু লাখ টকীয়া কেলেংকাৰিৰ তথ্য পোহৰলৈ আহিছে। প্ৰাপ্ত তথ্য মতে চৰকাৰী নীতি নিয়ম বিসৰ্জন দি আৰু পঞ্চায়তৰ বিষয়ববীয়াসকলৰ স্থিতিক নস্যাত কৰি গ্ৰামোন্নয়ন বিভাগে ২০০০-২০০১, ২০০১-০২, ২০০২-০৩ বিত্তীয় বৰ্ষত ২৭১৪ মেট্ৰিক টন ০.৫৩ হাইগ্ৰেডৰ চিমেন্ট কোনো নিবিদা আহ্বান নকৰাকৈয়ে ঠিকাদাৰৰ পৰা যোগান লয়। এনেকৈয়ে গ্ৰমোন্নয়ন বিভাগত ঘটনাবোৰ ঘটিছে। এনে ঘটনা যাতে পুনৰাবৃত্তি নহয় আৰু ৰাইজৰ আশা আকাংখ্যা ধুলি সাত্ নহয় তাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, ট্ৰাকে ট্ৰাকে চাউল অসমলৈ আহে। প্ৰতিটো চাউলৰ বেগত ৫০ কিলোগ্ৰামকৈ থাকিব লাগে যদিও প্ৰকৃততে প্ৰতিটো বেগত ৪০-৫০ কিলোগ্ৰামহে চাউল থাকে। প্ৰতিটো বেগত ৫-১০ কিলোগ্ৰাম চাউল কম পোৱা যায়। ১০০ মেট্ৰিকটন চাউলৰ প্ৰতিটো বস্তাৰ পৰা ৫ ৰ পৰা ১০ কিলোগ্ৰাম চাউল কমিলে কিমান কমি যাব। যদি আমাৰ বনুৱাই লোড কৰোতে বা আনলোড কৰোতে ইমান চাউল কমিব নোৱাৰে। চাউল, চিমেন্ট যোগানৰ নামত সংঘটিত হোৱা কেলেংকাৰীবোৰ চি,বি,আইৰ দ্বাৰা তদন্ত কৰিবৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো।

* **শ্ৰী ৰিপুণ বৰা (মন্ত্ৰী, গ্ৰামোন্নয়ন বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৮-৭-২০০৩ তাৰিখে দৈনিক অগ্ৰদূত কাকতত প্ৰকাশিত বাতৰিটোৰ ওপৰত আমাৰ সন্মানীয় সদস্য শ্ৰী পবিন্দ্ৰ ডেকা ডাঙৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে সেই একেটা বিষয় অগ্ৰদূত, আজি আৰু দৈনিক জনসাধাৰণ বাতৰি কাকততো প্ৰকাশ পাইছে। এইটোৰ ওপৰত আমি সোনকালে ব্যৱস্থা লৈছো। তাৰ আগতে মই জনাব বিছাৰিছো যে বাতৰিটোত লিখা কথাখিনি সংবাদ দাতাজনে শুদ্ধ বাতৰি প্ৰকাশ কৰা নাই। ২০০০-০১, ২০০১-০২, ২০০২-

* Speech not corrected

০৩ বিত্তীয় বৰ্ষৰ কথা ইয়াত উল্লেখ কৰিছে। আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ পিচত মাননীয় মুখ্যমন্ত্ৰী শ্ৰী তৰুণ গগৈ ডাঙৰীয়াই কেন্দ্ৰীয় ক্ৰয় কৰা নাই। ই সম্পূৰ্ণৰূপে বন্ধ হৈ আছে। ডি আৰ ডি এ ত ডাইৰেক্ট কোনো সামগ্ৰী ক্ৰয় কৰিব নোৱাৰে। ২০০০-০১ চনত কিনা কথা আছিল। এইটো লক্ষীমপুৰত হৈছে। ২০০১ চনৰ পিচত আমি কোনো ধৰণৰ সামগ্ৰী ক্ৰয় কৰা নাই। কাৰণ পইচা হাতত নাথাকে।

পইচাবোৰ ভাগ কৰি দিয়া হৈছে। আঞ্চলিক গাওঁ পঞ্চায়ত আৰু জিলা পৰিষদলৈ পইচাবোৰ গুচি যায়। সেই পইচাৰে গাওঁ পঞ্চায়ত বা জিলা পৰিষদৰ কামবোৰ কৰা হয়। ৰদ, চিমেন্ট, টিং পাত আদি কিনা হয়। ভুল তথ্যৰ ওপৰত প্ৰকাশিত হোৱা বাতৰিটোৰ ওপৰত আমি ব্যৱস্থা লৈছো। লগে লগে লক্ষীমপুৰ জিলা উপায়ুক্তলৈ এখন চিঠি প্ৰেৰণ কৰা হৈছে। এই চিঠিখন মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে পঢ়ি দিয়া হৈছে।

Deputy Commissioner, Lakhimpur

**Sub : News Item.**

Sir,

I am directed to enclose herewith the paper clipping of the news item published in Aji/Janasadharan dated 6.7.2003. You are requested to enquire the matter and report the findings of your enquiry to the office. Further you are requested, if the allegations are found to be facts as reported to take necessary action on the officials/employees/persons concerned and intimate about the action taken in this regard to this office for apprisal to the Hon'ble Minister. Your report should reach within 15 days from the date of receipt of this letter.

এই চিঠিখনৰ ওপৰিওঁ মই বিভাগীয় মন্ত্ৰী হিচাবে আমাৰ কমিচনাৰক যোৱা ১৮ তাৰিখে নিৰ্দ্দেশ দিছো আৰু কৈছো যে,

**Commissioner, P & RD**

Enclosed herewith a number of paper clippings regarding anomalies in purchase of Cement, CI sheets, rods etc. under

DRDA, Lakhimpur which has created sharp reaction amongst the public. The matter was discussed at the first sitting of State Level Vigilance and Monitoring Committee held on 15th July, 2003. Accordingly, you are requested to depute one senior responsible Officer from our department to Lakhimpur to inquire into these allegations. Matter Most Urgent.

যোৱা ১৬ তাৰিখে ষ্টেট লেভেল ভিজিলেন্স এণ্ড মনিটৰিং কমিটিৰ এখন বৈঠক হয় আৰু তাত এই আটাইবিলাক কথা আলোচনা কৰা হয়। তাৰ পিচত ১৮ তাৰিখে কমিচনাৰক নিৰ্দেশ দিছো আৰু ইতিমধ্যে ইয়াৰ পৰা এটা বিষয়াৰ দল তালৈ যোৱাৰ ব্যৱস্থা কৰিছো।

অধ্যক্ষ মহোদয়, এই বাতৰিটোত আৰু এটা কথা প্ৰকাশ পাইছে যে হাইগ্ৰেড চিমেন্টৰ ওপৰিও বিভিন্ন ব্লকলৈ যিবিলাক চাউল নিয়া হৈছে সেইবিলাক জোখত কম আৰু নিম্ন মানৰ। এই ক্ষেত্ৰত আমি প্ৰত্যেক পঞ্চায়ত আৰু ব্লকৰ সংশ্লিষ্ট বিষয়া সকলক নিৰ্দেশ দিছো যে তেওঁলোকে যেতিয়া এফ,চি,আই, গুদামৰ পৰা চাউল উঠাই তেতিয়া চাউলবোৰ জুখিহে লব। ক'ৰবাত জোখত কম পালে সেইটো নলবলৈ কোৱা হৈছে। জোখত কম দিয়া চাউল যদি এফ,চি,আই,য়ে ঘুৰাই নলয় তেতিয়া লগে লগে সেই বিষয়টো সংশ্লিষ্ট জিলাৰ উপায়ুক্ত বা মহকুমাধিপতিক জনাবলৈ কোৱা হৈছে আৰু সেইমতে ব্যৱস্থা লবলৈ নিৰ্দেশ দিয়া হৈছে। যি ঠাইৰ পৰা চাউল লোৱা হয় তাত সকলোবোৰ কথা চোৱা চিতা কৰি চেটিচফাই হলেহে চাউল তুলিবলৈ কোৱা হৈছে। নিম্নমানৰ চাউল যোগান ধৰা বুলি এইটো আমি প্ৰথম অভিযোগ পাইছো। আমি যোৱা দুটা বছৰে ৰাজ্যখনত চাউল বিতৰণ কৰি আহিছো আৰু এতিয়াও নিম্ন মানৰ চাউল যোগান ধৰা বুলি কিবা অভিযোগ পালে সেইটো লগে লগে তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে আৰু এফ,চি,আই,ৰ পৰা চাউল উঠোৱা সময়ত আমাৰ যোগান বিভাগৰ বিষয়াক তাত ৰাখি জোখ মাফ আৰু কোৱালিটি আদি চোৱা চিতা কৰিহে উঠাবলৈ কোৱা হৈছে। তৎস্বত্বেও যদি ক'ৰবাত আৰু কিবা খেলি মেলি দেখা যায় তেতিয়া আমি বিভাগৰ ফালৰ পৰা লগে লগে তদন্ত কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিম। মই আশা ৰাখিছো এই বিষয়টোত মোৰ এই বক্তব্য খিনিয়ে সন্মানিত সদস্য সকলক সন্তুষ্ট কৰিব পাৰিব।

* Speech not corrected

# LAYING OF STATEMENT AND INTRODUCTION OF GOVERNMENT BILL

**Mr. Speaker :** I now call upon Hon'ble Minister, Dr. Barman to lay the Statement under Rule 69 (I) of the Rules of Procedure and conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate legislation by ordinance.

* **Dr. Bhumidhar Barman (Minister, H & FW) :** I beg leave to lay the Statement under Rule 69(I) of the Rules of Procedure and conduct of Business in Assam Legislative Assembly explaining the circumstances which had necessitated immediate legislation by ordinance.

* **Sri Hitendra Nath Goswami :** অধ্যক্ষ মহোদয়, পইন্ট অৱ অৰ্ডাৰ, যোৱা পৰহি আমাৰ বিধান সভাৰ প্ৰথম দিনা এই অৰ্ডিনেন্সৰ কপি আমাক দিছে। আজি বিধান সভাত তেখেতে যিটো কৰিছে without cabinet approval আপুনি অনুমতি দিলে এই বিলখনৰ সম্পৰ্কত মই কেইটামান কথা কব খুজিছো।

মই সিদিনাওঁ কৈছো আৰু এতিয়াও কৈছো গভৰ্ণৰ ডাঙৰীয়াই আজি যিটো ষ্টেটমেন্ট দিছে তাত কৈছে যে -

Any departure from this method will render Ordinance invalid in the eye of Law. He was under pressure from the Commissioner and Secretary to Hon'ble Chief Minister.

এই বিষয়ত গভৰ্ণৰে এচেন্ট দিছে ২৭ জুনত। কিন্তু ২৩ জুলাইত গেজেট পাবলিকেচন কিয় কৰিব লগা হল। অৰ্ডিনেন্স খন ইমানেই যদি জৰুৰী আছিল ২৭ জুনত চহী কৰা বস্তু এটা ২৩ জুলাইতহে কিয় গেজেট নটিফিকেচন কৰা হ'ল। গেজেট নোটিফিকেচন হোৱাৰ পিচতহে বাইজে কথাটো জানিব পাৰিলে। Ordinance by themselves are not very welcome specially so when the date (for Session of the House) is very clear. It is not only clear but is also near. In such cases, unless there are very special reasons, ordinance should be avoided. বিধান সভা

* Speech not corrected

আহ্বানৰ নোটিচ ৫ জুলাই তাৰিখে কৰা হৈছে। এই অৰ্ডিনেঞ্চ খন ২৭ জুলাইত পাবলিচ হৈছে। গতিকে এই কথা বিলাক আমি অলপ জানিব খুজিছো। এই কথা বিলাক ভবিষ্যতে আমাৰ আৱশ্যক হব।

অধ্যক্ষ মহোদয়, মই দুটা কথাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। প্ৰথমটো হ'ল - ২৭ জুনত যি খন অধ্যাদেশত গভৰ্ণৰে চহী কৰিবলৈ পঠোৱা হৈছিল - তেওঁ চহী কৰাৰ আগতে বিষয়টো কেবিনেটত এপ্ৰুভ হোৱা নাছিল আৰু সেই কাৰণে তেখেতে সেইখন ঘুৰাই পঠাইছিল। তাৰ পিচত গেজেট নোটিফিকেচন সময়ত কথাটো ধৰা পৰিল। এইটো পোষ্ট ফে'" হিচাবে অতি জৰুৰী বিষয় হিচাবে ধৰি লৈ কেবিনেট মিটিং নপতাকৈ কেবিনেট মন্ত্ৰী সকলৰ ঘৰে ঘৰে পঠিয়াই তেওঁলোকৰ চহী লৈ কামটো কৰা হলে পাৰপাচটো ফুলফিল হল হেতেন। এই কথাটো যেতিয়া ধৰা পৰিল তেতিয়া মুখ্যমন্ত্ৰী মহোদয়ে এই অধ্যাদেশ দিয়াৰ পক্ষপাতি নাছিল। আমি গভৰ্ণৰ ডাঙৰীয়াৰ কথা সদনত আলোচনা কৰিব নোৱাৰো। আপোনালোকে এইটো ভুল কৰিছে। এইটো কিমান জাষ্টিফাই হৈছে সেইটো সন্দেহ জনক। গতিকে প্ৰশাসনীয় বেমেজালিখিনি যদি সংশোধন নকৰে তেনেহলে এনে ঘটনা ভবিষ্যতে পুনৰ ঘটিব আৰু আমাৰ পলিটিকেল লিডাৰশ্বিপৰ গুৰুত্ব নাথাকিব। এই কথাটোত আমি দেখিছো যে I would invite the attention of the Government to see that there is real emergency or urgency justifing the issue of a ordinance. অৰ্ডিনেন্স জাৰি কৰিবলৈ ইচ্ছা কৰিলেই কৰিব নোৱাৰে। গভৰ্ণমেন্টৰ এডভাইচ মতেহে কৰিব পাৰে। এইটো নকৰিলে special reason । আমি দেখিছো এই বিষয়টোত লেজিচলেটিভ ডিপাৰ্টমেন্টৰ লগতো সমন্বয়ৰ অভাৱ হৈছে। লেজিচলেটিভ ডিপাৰ্টমেন্টে এইটো ৰিমাৰ্ক দিছে যে অনাৰেবল চীফ মিনিষ্টাৰৰ কমিচনাৰৰ প্ৰেচাৰটহে কৰা হৈছে।

माননীয় অধ্যক্ষ মহোদয়, এই গোটেই কামটো এজন বিষয়াই কৰিছে, যাৰ বাবে চৰকাৰখনে আজি হাঁহিয়াতৰ পাত্ৰ হবলগীয়া হৈছে। সেই কাৰণে আমি নীতি নিয়ম পালন কৰাৰ ক্ষেত্ৰত সকলোৱে স্পষ্ট হব লাগে। আমাক বিষয়া সকলে নীতি নিয়ম পালনৰ ক্ষেত্ৰত সহায় কৰে। কাৰণ আমি বহুত নিয়ম নীতি নাজানো। কিন্তু এই নীতি নিয়ম পালনৰ ক্ষেত্ৰত যদি বিষয়া সকলে আমাক

* Speech not corrected

ভূল পথে পৰিচালিত কৰে তেন্তে এইটো বৰ সাংঘাতিত কথা। আৰু এই ক্ষেত্ৰত যদি বিষয়া জন মুখ্যমন্ত্ৰীৰ আয়ুক্ত সচিব হয় তেন্তে ই আৰু বেছি বিপদজনক। গতিকে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লব? অধ্যক্ষ মহোদয়, আজি যিটো ষ্টেটমেন্ট দিছে সেইটো আমাৰ নতুন ৰাজ্যপালে সন্মতি দিছে ২৭-৬-২০০৩ তাৰিখে। কিন্তু সেইটো নহয়। মোৰ হাতত থকা তথ্য মতে ৰাজ্যপাল মহোদয়ে ফাইনেল সন্মতি দিছে ১৯ জুলাইত। ২৭ জুনত কৰা বুলি কৈছে যদিও মোৰ হাতত থকা তথ্য মতে ১৯ জুলাইত ফাইনেল এচেন্ট দিছে। গতিকে ইয়াৰে কোনটো সত্য? যদি এই কামটো মুখ্যমন্ত্ৰীৰ আয়ুক্ত সচিবে কৰিছে তেন্তে আৰু সৰ্ব্বনাশ হব। এতিয়া লেজিচলেটিভ ডিপাৰ্টমেন্টে ভুলটো আঙুলিয়াই দিয়াৰ বাবে সেই বিষয়াজনৰ ওপৰতে একচন হব। গতিকে অধ্যক্ষ মহোদয়, আজি এই বিলখন উত্থাপন কৰাৰ আগেয়ে এই বিলখন অনাটো উচিত হয় নে নহয় চাব লাগে। আমাৰ দুই নম্বৰ কথাটো হ'ল, আমি আপোনাৰ পৰা এটা ৰুলিং বিচাৰিছো। এই বিষয়টো লৈ পাৰ্লিয়ামেন্টতো ডিবেট হৈছে। এই অৰ্ডিনেন্স বিল কৰাৰ সন্দৰ্ভত। আজি আমাৰ পাৰ্লিয়ামেন্টৰি এফিয়াৰ্চ বিভাগৰ মন্ত্ৰী আছে আৰু আমি তেখেতৰ এই বিষয়ে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এইটো অৰ্ডিনেন্সে চেপ্তাৰ ২৩ত আছে। ৫ জুলাইত অৰ্ডিনেন্স পাছ হৈ গৈছে আৰু এইখন ওলাইছে ২৩ জুলাইত। অধ্যক্ষ মহোদয়, কিবা স্পেচিয়েল ৰিজন থাকিব লাগিব। এই বিষয়াজনৰ ৬০ বছৰ পূৰ্ণ হৈছে ৩০ জুনত। দৰকাৰ হলে তেওঁক ৰিএমপ্লইমেন্ট কৰি ২ বছৰ বঢ়াই দিব পাৰিলেহেতেন। ইয়াৰোপৰি আসাম এডমিনিষ্ট্ৰেটিভ ট্ৰাইবুলেনত দুজন মেম্বাৰ আছে। তাত এমাহ দেৰি কৰিলেও কোনো কথা নাছিল। সেই মেম্বাৰ দুজনেই কাম চলাব পাৰিলেহেতেন কিন্তু এনেকুৱা কি স্পেচিয়েল ৰিজন হল যে ৫ জুলাইত বিধান সভাৰ অধিবেশন ঘোষণা কৰাৰ পিছত ২৩ জুলাইত কিয় এইখন পাব্লিচ কৰিবলগীয়া হল। সেই কাৰণে আমি আপোনাৰ পৰা ৰুলিং বিচাৰিছো। আসাম ডেমিনিষ্ট্ৰেটিভ ট্ৰাইবুনেলৰ অধ্যক্ষৰ বয়সৰ সীমা হৈছে ৬০ বছৰ। কিন্তু ইয়াত ভাৰতবৰ্ষৰ অন্যান্য ট্ৰিবিউনেল বা ৰেভিনিউ বোৰ্ডত ৬২ বছৰ আছে বুলি উদাহৰণ দিয়া হৈছে। এইটো কৰাত আমাৰ আপত্তি নাই। কিন্তু এইটো কৰিবৰ কাৰণে ইমান আৰ্জেন্সি হোৱা নাছিল। পাংতে ডাঙৰীয়াৰ বিৰুদ্ধে আমাৰ কোনো বিৰোধ নাই। তেওঁ নাথাকিলেও যে

* Speech not corrected

আসাম এডমিনিষ্ট্রেটিভ ট্ৰাইবুনেল নচলিব সেইটো আমি মানি লব নোৱাৰো। গতিকে অধ্যক্ষ মহোদয়, এই স্পেচিয়েল ৰিজনত অৰডিনেন্স আনোতে গোটেই কথাটো খেলিমেলি হৈছে গতিকে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা লব বা কি কৰা হব তাৰ বাবেহে আমি আপোনাৰ পৰা ৰুলিং বিচাৰিছো।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে আমাৰ মাননীয় সদস্য হিতেন গোস্বামী ডাঙৰীয়াই বক্তব্য ৰাখিছে, গতিকে মই আৰু দীঘলীয়া নকৰো। কথাটো হৈছে বিলখন যি ধৰণে আহিব লাগিছিল সেই ধৰনে অহা নাই। অধ্যক্ষ মহোদয়, এই গোটেই খিনি আজি এনেকুৱা এটা পৰ্য্যায়লৈ গৈছে যে মতা মহৰ যুজত বিৰিনাৰ মৰনৰ নিচিনা হৈছে। এই বিষয়ে লেজিচলেটিভ বিভাগৰ সচিবে টোকা এটা দিছে যে – I beg apology to his Excellency in giving wrong endorsement. I feel necessary to apprise His Excellency.

অধ্যক্ষ মহোদয়, যি কেইজন বিষয়াই মুখ্যমন্ত্ৰীক মিছলিট কৰিছে আৰু ৰাজ্যপাল মহোদয়ও মিচলিট কৰিছে সেই বিষয়া কেইজনৰ বিৰুদ্ধে ব্যৱস্থা লবনে নাই? কাৰণ আমি দেখিছো যে চৰকাৰী ইটো-সিটো বিভাগৰ মাজত সমন্বয়ৰ অভাৱ হৈছে, যাৰ কাৰণে আজি বিষয়া সকলে চৰকাৰখনক বিপথে পৰিচালিত কৰিবলৈ চেষ্টা কৰি আছে। এই গোটেই বিষয়টোৰ ওপৰত এটা তদন্ত হব লাগে আৰু দোষী বিষয়া সকলৰ ওপৰত ব্যৱস্থা লব লাগে। The views of Chief Minister Governor were not taken into consideration by the Governor as being the Constitutional Head of the State and thereby violated his authorities in total disregard to Chief Minister and his Council of Minister/ Cabinet. এই বিষয়টোৰ ওপৰত কেবিনেটৰ এপ্ৰোভেল লব লাগিছিল যদিও লোৱা নহ'ল। এই দোষনীয় কামটো কোনে কৰিলে? এইটো এটা সাংঘাটিক কথা। ইয়াত লেজিচলেটিভ ডিপাৰ্টমেন্টে কৈছে So far I know Govt. of Assam in the Judicial Deptt. i.e. The Administrative Deptt. has not appointed Shri M.K. Deka and not Such Post is created by the Administrative Department so far my Knowledge goes. যদি চৰকাৰৰ খনৰ মাজত এনেকুৱা বিশৃংখলতা চলি থাকে তেন্তে চৰকাৰে

* Speech not corrected

অসমৰ জলসাধাৰণৰ কি ভাল কাম কৰিব। অধ্যক্ষ মহোদয়, এইটো সঁচাকৈ অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। বহুত এ'সপাৰ্ট বিষয়া আছিল, তেওঁলোককো চেয়াৰমেন কৰি দিব পাৰিলেহেতেন। মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ এটা তদন্ত হব লাগে। আৰু যি সকল বিষয়া পোনপটিয়াকৈ এই বিষয়টোৰ লগত জৰিত তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা লব লাগে।

* **ডঃ জয়নাথ শৰ্ম্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, পইন্ট অৱ অৰ্ডাৰ চাব। অধ্যক্ষ মহোদয়, কালি এইখন অৰ্ডিনেঞ্চ দিছে আৰু আমি কালিয়েই ইয়াৰ ওপৰত ৰিজোলিচন এটা দিছিলো। যদি ৰিজোলেচনটো ডিফিট হোৱা নাই তেন্তে এই বিলখন কেনেকৈ আনিলে। যিহেতু সচিবৰ হাতত ৰিজোলেচন এটা পেণ্ডিং হৈ আছে সেই সময়ত এই বিলখন আনিব নালাগিছিল। বৰ্ত্তমান আমাৰ সচিব জনো নতুন, গতিকে মই ৰিজোলেচন খন দিওতে তেওঁৰ পৰা ৰচিড লৈ আহিছো।

* **শ্ৰী নীলমনি সেন ডেকা (ৰাজ্যিক বিত্ত মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, আমাৰ গোস্বামী ডাঙৰীয়াই বাৰে বাৰে এটা প্ৰভিজন পঢ়ি আছে আৰু সেই প্ৰভিজনটো বিসংগতি থকা কাৰণে মই পঢ়ি দিছো। ইয়াত কোৱা হৈছে - Art. 123. If an any time, except when both House of Parliament are in session, the President is satisfied that circumstances exist which render it necessary for him to take immediate action, he may promulgate such Orginance as the circumstances appear to him to require.

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী** ঃ অধ্যক্ষ মহোদয়, আমাৰ ডেকা ডাঙৰীয়াই যিটো পঢ়ি দিছে when the Parliament is inreccess। আমাৰ পাৰ্লিয়ামেন্ট দুই মাহৰ কাৰণে বন্ধ হৈ যায়। Such cercumstances must exist.

* **শ্ৰী নীলমনি সেন ডেকা (ৰাজ্যিক বিত্ত মন্ত্ৰী)** ঃ সাংবিধানিক নীতিৰ কিবা বিসংগতি হৈছে নেকি? Art.123. If at any time, except when both Houses of Parliament are in session, the President is satisfied that circumstance exist which render it necessary for him to take immediate action, he may promulgate such Ordinances as the circumstances appear to him to require.

---

* Speech not corrected

An Ordinance promulgated under this article shall have the same force and effect as an Act of Parliament, but every such Ordinance.

(a) shall be laid before both Hoses of Parliament and shall cease to operate at the expiration of six weeks from the reassembly of Parliament, or, If before the expiration of that period resolutions disapproving it are passed by both Houses, upon the passing of the second of those resolutions and

(b) may be widhdrawn at any time by the President.

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, এতিয়া যদি পাৰ্লিয়ামেন্ট নাথাকে তেনেহলে ৰাজ্যপালে যি কোনো সময়ত অৰ্ডিনেঞ্চ দিব পাৰে। কিন্তু অধ্যক্ষই বিধান সভাৰ দিন ঠিক কৰাৰ পিছত অৰ্ডিনেঞ্চ অনাতো কিমান সমিচিন? এই লৈ পাৰ্লিয়ামেন্টতও দিবেট হৈছে। অধিৱেশনৰ দিন ঘোষনা কৰাৰ পিছত নটিফিকেশ্বন খন পাব্লিছ্ নকৰি পিছত কৰিলেও হ'লহেতেন। এই ক্ষেত্ৰত মূখ্য মন্ত্ৰীয়েও আমাক সমৰ্থন কৰিছে।

* **শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মা ঃ** ৰাজ্যিক পৰিকল্পনা মন্ত্ৰী ঃ পইন্ট অৱ অৰ্ডাৰ চাৰ Nothing says that C.M. is doing right, now whether this assembly is empowered to disscuss regarding the order or the Government?

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** Governor at any time এতিয়া ৰাজ্যপালে কিবা এটা কৰিলে।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ** চাৰ মোৰ এটা পইন্ট অৱ অৰ্ডাৰ আছে। মাননীয় সদস্য শ্ৰী গোস্বামী ডাঙৰীয়া নিজে এজন সংসদী পৰিক্ৰমা মন্ত্ৰীও আছিল তেখেতে বাৰে বাৰে এটা কথা কৈছে যে বিধান সভাৰ প্ৰক্ৰিয়া চলি থাকোতে অধ্যাদেশ জাৰি কৰিব পাৰেনে নোৱাৰে when session is very near যোৱা চৰকাৰৰ দিনত বিধান সভা ঘোষণা কৰাৰ পাছত অধ্যাদেশ জাৰি কৰিছিল তেতিয়া মই আপত্তি কৰিছিলো। তেনেকুৱা উদাহৰণ আছে।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় মন্ত্ৰী শ্ৰী হিমন্ত বিশ্ব শৰ্ম্মাই কৈছে যে মুখ্যমন্ত্ৰীৰ নোটিং আমি মানি লৈছো যদি সেইটো সঁচা হয় আজি যিটো ষ্টেমেন্ট দিছে তাত সঁচা কথা কিয় লিখা নাই ordinance should not be

---

* Speech not corrected

promudgamated এইটো কিমান তাৰিখৰ ১৯ জুলাইত কৈছে এই পাৰ্টিকুলাৰ বিষয়াজনে কি কাৰণে মিচগাইদ কৰিলে? সেই কাৰণে আপোনাৰ পৰা ৰুলিং বিছাৰিছো। সি যি হ'ল হ'ল মুখ্যমন্ত্ৰীয়ে যিটো নোট দিছিল সেইটো নপঠিয়াব পাৰিলে হেতেন, কেবিনেট এপ্ৰোভেল নোহোৱাকৈ কিয় কৰিলে, কেবিনেট এপ্ৰোভেল ৰাই চাৰ্কুলেচনও কৰিব পাৰিলেহেতেন। নিশ্চয় চি,এমৰ কমিচনাৰে বাধা দিছে চৰকাৰক এম্বাৰাচ কৰিবলৈ বিষয়াই এই কাম কিয় কৰিলে? বিধান সভাৰ দিন ঘোষণা কৰাৰ পাছত অধ্যাদেশ জাৰি কৰাটো অন্যায় হৈছে। এই ক্ষেত্ৰত আপোনাৰ ৰুলিং বিছাৰিছো।

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (সংসদী পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যয়দেশ সম্পৰ্কত বিধান সভাৰ ৰুলমতে সদস্য গৰাকীয়ে নোটিশ দিব পাৰে কিন্তু যিহেতু সেই নোটিশৰ ওপৰত আলোচনা হোৱা নাই গতিকে নোটিশখন গ্ৰাহ্য হোৱা নাই, কৰা হলে প্ৰথমে নোটিশখন আলোচনালৈ আহিব লাগিছিল। মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই কাউলৰ উদ্ধৃতি দিছে কিন্তু অধ্যাদেশৰও ক্লাচিফিকচেন আছে। ফিছকেল অধ্যাদেশ আৰু আদাৰ দেন ফিছকেল অধ্যাদেশ আদাৰদেৰ ফিছকেল অধ্যাদেশ হলে বেলেগ কথা। ই এই অধ্যাদেশত কোনো বিত্ত সন্নিবিষ্ট কথা নাই।

* **ডাঃ ভূমিধৰ বৰ্ম্মণ (স্বাস্থ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে নিশ্চয় আলোচনাৰ পিছত অনুভৱ কৰিছে যে প্ৰয়োজনীয়তাৰ ভিত্তিতহে এই অধ্যাদেশ জাৰি কৰা হৈছে এই অধ্যাদেশখন জৰুৰী আৰু ইয়াৰ প্ৰয়োজনীয়তা আছে। এই ন্যায়াধীকৰণটো হৈছে ৩ জন সদস্যৰে গঠিত তাৰে দুজন সদস্য আৰু এজন চেয়াৰমেন। সভাপতি নহলে সদস্য দুজনে ফাংচন কৰিব নোৱাৰে। মাননীয় সদস্য সকলে জানে যে কৰ্ম্মচাৰী সকলৰ ওজৰ আপত্তি সদায়ে থাকে গতিকে চেয়াৰমেন নহলে তাৰ ফাংচন বন্ধ হৈ থাকে। এজন সদস্য নহলেও নহয়, চেয়াৰমেন নাথাকিলে কাম অচল হৈ যাব। সেই কাৰণে ইয়াৰ আৰ্জেঞ্চিলৈ চাই অধ্যাদেশখন জাৰি কৰা হৈছে। গোস্বামী ডাঙৰীয়াই প্ৰচিদিউৰৰ কথা কৈছে সেইবালকত আমি গুৰুত্ব দিম। বিৰোধী পক্ষৰ বক্তব্য আমি বিৰোধিতাৰ কাৰণে কৰিছে বুলি আমি কেতিয়াও নাভাবো আমি গুৰুত্ব সহকাৰে বিবেচনা কৰো - সেই কাৰণে মই অনুৰোধ কৰিৰো। Bharat Narah, Minister, Parliamentary Affairs.

---

* Speech not corrected

(সদনত হুলস্থূল, বিৰোধী পক্ষৰ কেবাজনেও কবলৈ উঠে)

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** প্ৰচিদিউৰ লপেচলৈ আপোনালোক কিয় যায়?

* **শ্ৰী ভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অধ্যাদেশখন ৰিপ্লেচ কৰিবলৈ আলোনালোকেই অনুমতি দিছে আপোনাৰ নোটিশখন গ্ৰহণ কৰা নাই।

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** মোৰ নোটিশখনত যদি কিবা ভূল আছে অধ্যক্ষ মহোদয়ে মোক জনাওক নোটিশখন ৰিজেক্ট কৰা বুলি।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** অধ্যক্ষ মহোদয়, সংবিধানৰ ২১৩ অনুচ্ছেদৰ দফা (১)ৰ অধীনত ৰাজ্যপালে কোনো অধ্যাদেশ জাৰি কৰাৰ পাছত যিমান সোনকালে সম্ভব হয়, এনে অধ্যাদেশৰ ছপা কৰা প্ৰতিলিপি বিধান সভাৰ সদস্য সকলোলৈ সৰবৰাহ কৰা হব। বিধান সভাৰ পুনৰ আৰম্ভ হোৱা ছয় সপ্তাহৰ ভিতৰত যি কোনো সদস্যই সচিবলৈ সম্পূৰ্ণ তিনিদিনৰ জাননী দিয়াৰ পাছত অধ্যাদেশখনৰ প্ৰতি অসন্মতি প্ৰকাশ কৰি প্ৰস্তাৱ উত্থাপন কৰিব পাৰে আৰু বিষয়টো আলোচনা কৰিব পাৰে এয়া হ'ল। ৰুল

* **শ্ৰী ভৰত নৰহ (মন্ত্ৰী) ঃ** আপোনাৰ নোটিশখন গ্ৰহণ কৰা নাই, গ্ৰহণ কৰা হলে বিলখন উপস্থাপন কৰিব নিদিলেহেতেন। আজিৰ কাৰ্য্যসূচীত এই বিলখন নাহিল হেতেন। অধ্যক্ষ ডাঙৰীয়াই বিলখন উত্থাপন কৰিবলৈ অনুমতি দিছে।

* **ডঃ জয়নাথ শৰ্ম্মা ঃ** অধ্যক্ষ মহোদয়, প্ৰচিদিউৰ লেপচ হব নালাগে। যদি মই দিয়া নোটিশখন কিবা ভূল হৈছে বা ৰিজে" কৰিছে তাৰ কাৰণটো মোক অধ্যক্ষ মহোদয়ে জনালে হব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য ডঃ জয়নাথ শৰ্ম্মা ডাঙৰীয়াই যিখন নোটিশ দিছে সেই খন ৰুলমতে দিছে গতিকে বিলখনৰ ইন্ট্ৰোদাকচন আজি পেণ্ডিং কৰিলো, কালি চাইচিতি বিলখনৰ অনুমতি দিয়া হব।

## GOVERNMENT RESOLUTION

Now, Item No. 6, Shri Methius Tudu, Hon'ble Minister, Revenue to move.

* **Shri Methias Tudu (Minister, Revenue) :** Sir, I beg to move that "whereas the Government of India in the year 1976

---

* Speech not corrected

enacted the Urban Land (Ceiling and Regulation) Act. Whereas the State of Assam had adopted the Act under Clause 2 of Article 252 of the Constitution in the year 1976 by a Resolution in the Assam Legislative Assembly and whereas Government of India has considered it necessary to epeal the Urban Land (Ceiling and Regulation) 1976 Act and accordingly enacted the Urban Land (Ceiling and Regulation) Repeal Act 1999.

And whereas the State of Assam also decided to repeal the Act due to the poor performance of the Act.

Now therefore, in pursuance of the clause 2 of the Article 252 of the Constitution of India, this Assembly resolves to adopt the Urban Land (Ceiling and Regulation) Repeal Act with immediate effect."

**Mr. Speaker :** I now put the resolution before the House for approval. The Resolution is that - "Whereas the Government of India in the year 1976 enacted the Urban Land (Ceiling and Regulation) Act. Whereas the State of Assam had adopted the Act under Clause 2 of the Article 252 of the Constitution in the year 1976 by a Resolution in the Assam Legislative Assembly and whereas Government of India has considered it necessary to repeal the Urban Land (Ceiling and Regulation) 1976 Act and accordingly enacted the Urban Land (Ceiling and Regulation) Repeal Act 1999.

And whereas the State of Assam also decided to repeal the Act due to the poor performance of the Act. Now therefore, in pursuance of the clause 2 of the Article 252 of the Constitution of India, this Assembly resolves to adopt the Urban Land (Ceiling and Regulation) Repeal Act with immediate effect.

Those who are in favour say, 'Ayes'

Those who are in against, by, 'Noes'

---

* Speech not corrected

'Ayes' have it, 'Ayes' have it, 'Ayes' have it.

The resotion is adopted.

## PRESENTATION OF REPORTS

Now, item No.7 Presentation of Report

* **Shri Premadhar Bora** - Hon'ble Speaker Sir, with your permission, I beg to present the 94th Report of the Committee on Public Accounts, Assam Legislative Assembly.

**Mr. Speaker :** Now, Item No.8

* **Shri Premadhar Bora :** Hon'ble Speaker Sir, with your permission, I beg to present the 95th Report of the Committee on Public Account, Assam Legislative Assembly.

**Mr. Speaker :** Now, Item No.9

* **Shri Ajit Singh :** Sir, I beg to present the 35th Repport of the Commiittee on Petitions, Assam Legislative Assembly.

## MATTER UNDER RULE 50

**Mr. Speaker :** Now, Item No.10, discussion under Rule 50.

(Deputy Speaker took the Chair at 12.15 pm.)

**Mr. Speaker :** Now, Item No.10. Discussion under Rule 50.

* **শ্ৰী পানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ডঃ হৰেণ দাস ডাঙৰীয়াই পঞ্চায়তক অধিক ক্ষমতা হস্তান্তৰিত কৰিবৰ কাৰণে যি প্ৰস্তাৱ উত্থাপন কৰিছিল, সেই প্ৰস্তাৱৰ ওপৰত মই যোৱা কালি যি বক্তব্য ৰাখিছিলো তাৰে কিছু কথা কোৱা পাচত আধৰুৱা হৈ থকাৰ কাৰণে আজি দুটামান পৰামৰ্শ আগবঢ়াব বিচাৰিছো। আজি অকল আমাৰ ৰাজ্যতেই নহয় ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন জনগোষ্ঠীৰ লোক সকলে বিশেষকৈ যি সকল জনগোষ্ঠীয়ে সকলো ফালৰ পৰা পিচপৰি আছে, কোনো ধৰণৰ সুবিধা লব পৰা নাই, অৱহেলিত হৈ আহিছে তেওঁলোকে বহু সময়ত স্বায়ত্ব শাসন বিচাৰি দাবী কৰি আহিছে আৰু প্ৰশাসনত অধিক ক্ষমতা বিচাৰিছে। সেই সকল লোক সামাজিক ভাৱেই

---

* Speech not corrected

হওক বা অৰ্থনৈতিক ভাবে বিকাশ লাভ কৰাৰ কাৰণে সজোৰে দাবী উত্থাপন কৰি আহিছে থিক তেনে ধৰণে আজি অসমতো বিভিন্ন জনগোষ্ঠীৰ লোকে নিজকে অৱহেলিত হৈ থকা বুলি অনুভৱ কৰিছে আৰু সেইকাৰণে তেওঁলোকৰ বিকাশৰ কাৰণে স্বায়ত্ব শাসনকে ধৰি প্ৰশাসনত অধি ক্ষমতা বিচাৰি দাবী উত্থাপন কৰিছে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত বিভিন্ন চৰকাৰে অনুভৱ কৰি আহিছে যে কেন্দ্ৰৰ ওচৰত অধিক ক্ষমতা থকাৰ কাৰণে ৰাজ্য বিলাকৰ ক্ষমতা নিচেই সীমিত আৰু ৰাজ্য সমূহৰ ক্ষমতা কম হোৱাৰ কাৰণে তেওঁলোকে এইটো অনুভৱ কৰি আহিছে আৰু এই কথা উপলব্ধি কৰিয়েই ১৯৯০ চনৰ দশকত বিভিন্ন ৰাজ্যত থকা চৰকাৰ বিলাকে কেন্দ্ৰৰ পৰা অধিক ক্ষমতা বিচাৰি দাবী উত্থাপন কৰিছিল, অসমতো সেই সময়ত আঞ্চলিক দল অগপই কেন্দ্ৰৰ পৰা অধিক ক্ষমতা বিচাৰি সজোৰে দাবী উত্থাপন কৰিছিল আৰু আন আন ৰাজ্যৰ চৰকাৰ বিলাকেও অধিক ক্ষমতা বিচাৰিছিল। আজি অসমত সেইদৰে বিভিন্ন জনগোষ্ঠীৰ লোকে নিজকে অৱহেলিত আৰু বঞ্চিত বুলি অনুভৱ কৰি তেওঁলোকলৈ অধিক ক্ষমতা দিয়াৰ কাৰণে বা স্বায়ত্ব শাসনৰ নিচিনা অধিকাৰ বিচাৰি দাবী উত্থাপন কৰি আহিছে। তেওঁলোকে অনুভৱ কৰিছে গণতান্ত্ৰিক অধিকাৰৰ পৰা তেওঁলোক বঞ্চিত হৈ আছে গতিকে গাৱঁৰ ৰাইজলৈ অধিক ক্ষমতা বিচাৰি বিভিন্ন সময়ত দাবী উত্থাপিত হৈ আহিছে।

* **ডঃ ইদ্ৰিচ আলী** ঃ মাননীয় অধ্যক্ষ মহোদয়, পঞ্চায়তৰ বিষয়ে মাননীয় সদস্য শ্ৰী হৰেন দাস ডাঙৰীয়াই যিখিনি আলোচনা কৰি গৈছে মই তাতে দু আষাৰমান কবলৈ বিচাৰিছো। প্ৰথমে আমি দেখিছিলো যে স্বাধীনতাৰ ৫০ বছৰ আগতেই জাতিৰ পিতা মহত্মা গান্ধীয়ে গাওঁক অধিক ক্ষমতা দিবলৈ আৰু প্ৰাথমিক শিক্ষা সাৰ্ব্বজনীন কৰিবলৈ যত্ন কৰিছিল। কিন্তু তেতিয়া এই ক্ষেত্ৰত কোনো আইন নাছিল। মাথোন সাংবিধানিক নিৰ্দ্দেশনাহে আছিল। গতিকে ই ভালদৰে কামত অহা নাছিল। কিন্তু প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াই ইয়াক সংবিধান সংশোধনৰ জৰিয়তে আইনত পৰিনত কৰে। সংবিধানৰ ৭৩ তম সংশোধনৰ জৰিয়তে পঞ্চায়তৰ জৰিয়তে গাওঁলৈ অধিক ক্ষমতা হস্তান্তৰৰ আইন হয়। আইন ভঙ্গকাৰীৰ শাস্তিৰ ব্যৱস্থা হয়। গাৱঁৰ ৰাইজ ইয়াৰ পৰা উপকৃত হয়। কিন্তু অসমত আগৰ চৰকাৰৰ দিনত পঞ্চায়তৰ ক্ষেত্ৰত বহুতো খেলি-মেলিৰ সৃষ্টি

---

* Speech not corrected

হৈছিল। উদাহৰন স্বৰূপে তেওঁলোকে সামগ্ৰী বোৰ কেন্দ্ৰীয় ভাবে ক্ৰয় কৰিছিল। ১৯৯২-২০০০ চনত 'আই এৱাই' যোগে যিবিলাক টিনপাত কিনিছিল সেইবিলাক ইমান বেচিকৈ কিনিছিল যে সেইবোৰ এনেয়ে পৰি থাকি নষ্ট হৈ গৈছে। ঠিক তেনেদৰে চিমেন্টবোৰো বেছিকৈ কিনাৰ ফলত গাওঁৰ ৰাইজে নোপোৱাকৈ এনেয়ে পৰি থাকি নষ্ট হৈ গৈছে। তেওঁলোকৰ দিনত 'আই এৱাইৰ যোগেদি গাওঁৰ দুখীয়া লোকৰ বাবে যিবিলাক বাসগৃহ বনাবলৈ লৈছিল সেইবোৰো আধৰুৱা হৈ থাকিল। পঞ্চায়তৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতি হৈছিল বাবে। অসমৰ বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী শ্ৰীতৰুন গগৈ ডাঙৰীয়াৰ মই পঞ্চায়তৰ উন্নতি কল্পে লোৱা ব্যৱস্থাৰ বাবে ধন্যবাদ জনাইছো। জাতিৰ জনক মহাত্মা গান্ধী আৰু প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধী ডাঙৰীয়াৰ সপোন বাস্তৱত ৰূপায়িত কৰাৰ বাবে লোৱা পদক্ষেপৰ বাবে আমাৰ বিধায়ক ডেকা ডাঙৰীয়া আৰু সোনোৱাল ডাঙৰীয়াইয়ো ধন্যবাদ জনাইছে। আই এ ৱাই আঁচনি যোগে কিনা সামগ্ৰীৰে যিবিলাক দুখীয়া লোকৰ বাবে ঘৰ বনোৱা হব সেইবিলাক 'জে.ই' আদিৰ যোগেদি ঘৰবোৰ সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লব। অসম্পূৰ্ণ ঘৰ বোৰ সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লৈছে। মাননীয় পঞ্চায়ত মন্ত্ৰী মহোদয়ে এটা ভাল পদক্ষেপ লৈছে ব্লক ৱাইজ মনিটৰিং কৰাৰ। মনিটৰিং কমিটি বনাইছে কিবা দুৰ্নীতিৰ তথ্য পালে উপায়ুক্তৰ যোগেদি দিচপুৰলৈ আহিব। এই ক্ষেত্ৰত মই আকৌ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু পঞ্চায়ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনী চমু কৰক।

* **ডঃ ইদ্ৰীচ আলী ঃ** মাননীয় অধক্ষ্য মহোদয় পঞ্চয়াতৰ কথা কবলৈ গলে দীঘলীয়া হব। উপাধ্যক্ষ মহোদয়ে চমু কৰাৰ বাবে কৈছে। পঞ্চায়ত ব্যৱস্থাত এতিয়াও বহুতো আসোৱাহ আছে। তাক দূৰীকৰণৰ বাবে মোৰ ফালৰ পৰা দুটামান চাজেচন দিব বিচাৰিছো। পঞ্চায়তৰ সভাপতি সকলৰ অভিযোগ হল তেওঁলোকে বহুতো কথা গম নেপায়। বছৰত ২ বাৰকৈ সভা অনুস্থিত হব লাগে ৬ মাহৰ মুৰে মুৰে। কিন্তু সেইটো হোৱা নাই। পঞ্চায়ত সভাপতি সকলৰ আপত্তি যে সদস্য সকলে তেওঁলোকক বহুত বিষয় নজনাই ফলত দুৰ্নীতি হয়। গতিকে বছৰত ২ বাৰকৈ ৬ মাহৰ মুৰে মুৰে মিটিং পতাৰ ব্যৱস্থা কৰা ভাল হব। কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰপৰা কামৰ বিনিময়ত প্ৰতি কুইন্টল চাউল দিয়াৰ ব্যৱস্থা আছে।

* Speech not corrected

এই চাউলৰ ঠাইত টকা দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। নহলে এই ক্ষেত্ৰত দূৰ্ণীতি হয় ৫, ১০, ১৫ কুইন্টলকৈ চাউল দিয়ে। ফলত বহুতো দূৰ্নীতি হয়। যেনেকৈ আগৰ চৰকাৰৰ দিনত হৈছিল। গতিকে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি ব্যৱস্থা লোৱা ভাল হব। এইখিনি কৰিলে পঞ্চায়তৰ ক্ষেত্ৰত যিখিনি দুৰ্ণীতি আছে তাক নিমূল হব। মই ইয়াকে পৰামৰ্শ আগবঢ়াই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

